# গ্ৰন্থ পৰিচিতি

মাৰ্চ-এপ্ৰিল, ২০১৯



# গ্ৰন্থ পৰিচিতি

## মাৰ্চ-এপ্ৰিল, ২০১৯

# গ্ৰন্থবান্ধৱ

## গ্ৰন্থেৰে সমৃদ্ধ জীৱন....

**সম্পাদক :** সঞ্জীৱ সভাপণ্ডিত

**এই সংখ্যাৰ সহযোগী : কোনো নাই**

**ব্যৱস্থাপনাঃ** ভিবজিঅৰ এন্টাৰপ্ৰাইজ – আমিনগাঁও, গুৱাহাটী
উৎপল দাস (স্বাগতম ৰিয়েল ইষ্টেট প্ৰাঃ লিঃ – চাৰ্ভে, বেলতলা, গুৱাহাটী)

**www.granthabaandhav.in**

granthabaandhav@gmail.com

# সাৰস্বত বনাম বুদ্ধিজীৱি

প্ৰফেচৰ সুশীল কুমাৰ। দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক। এবছৰমান আগেয়ে মই দিল্লীত লগ পাইছিলো। তেখেতৰ দেউতাক এজন আৱিষ্কাৰক আছিল। এটা চিমেন্ট কোম্পানীত ১৯৩০ৰ দশকতে কাম কৰা অৱস্থাতে তেখেতে কেইবাটাও উল্লেখযোগ্য যান্ত্ৰিক পদ্ধতি উদ্ভাৱন কৰিছিল। সেই তেতিয়াৰ বৃটিছৰ শাসন কালতে তেখেতে ১৭টা পেটেন্ট লাভ কৰিছিল। দেউতাকৰ কাম কাজ, তেখেতৰ আৱিষ্কাৰৰ মানসিকতা, তেখেতৰ একাগ্ৰচিত্ততা আদি কথাবোৰ সংৰক্ষণ কৰিবলৈ আৰু নতুন প্ৰজন্মৰ মাজলৈ বোৱাই নিবলৈ অধ্যাপক কুমাৰে এখন কিতাপ লিখি উলিয়ালে। পেটেন্টৰ জটিল কথাবোৰ সহজ সৰল ভাষালৈ নিবৰ বাবে দায়িত্ব ল'লে অসম ইঞ্জিনিয়াৰিং কলেজৰ প্ৰাক্তন অধ্যাপক তথা পানিপথ, মীৰাট, মাউন্ট আবু, ইন্দোৰ আদি ঠাইৰ কেইবাখনো ইঞ্জিনিয়াৰিং কলেজৰ প্ৰাক্তন অধ্যক্ষ ডঃ মাখন লাল দাসে। মাখন লাল মোৰ ভাতৃ প্ৰতীম আৰু অসম ইঞ্জিনিয়াৰিং কলেজত প্ৰায় সম সাময়িক-ছাত্ৰ হিচাপেও আৰু অধ্যাপক হিচাপেও। সেই যোগসূত্ৰতে বোধকৰো, দিল্লীৰ India International Centre ত কিতাপখন উন্মোচনৰ দায়িত্ব অন্যান্য দুজনমানৰ লগতে মোৰো হাতত পৰিছিল।

অধ্যাপক কুমাৰ এমাহমানৰ আগতে অসমলৈ আহিছিল আৰু মই তেখেতক এটা দিন দিছিলো- তেখেতৰ লগত ঘূৰিছিলো- গুৱাহাটী আৰু অসম বুজাইছিলো। মোৰ বন্ধু IIT গুৱাহাটীৰ অধ্যাপক প্ৰবীন বৰাক লগত লৈ IITG দেখুৱাইছিলো।

গাড়ীত বিভিন্ন কথা পাতিছিলো। তাৰে এটা বিষয় আছিল মোৰ প্ৰিয় বিষয়- অসমৰ বিকাশৰ আৰ্হি (Development model of/for Assam)। অসমৰ প্ৰাকৃতিক কথাবোৰ, ঐতিহাসিক আৰু নৃতাত্বিক কথাবোৰ, জনগোষ্ঠীয় কথাবোৰ যিহেতু ভাৰতৰ কাৰো লগত নিমিলে, গতিকে অসমৰ কাৰণে বিকাশৰ এটা বেলেগ আৰ্হি থকাটো বাঞ্ছনীয়। যেনে অসমত ১০/২০ মহলাৰ ঘৰৰ সিমান প্ৰয়োজন নাই যিমান প্ৰয়োজন বানপানীৰ সময়ত থাকিব পৰা ঘৰৰ। অসমক দিল্লী-কলিকতা-মুম্বাইৰ লগত সাঙোৰ খাই থকাৰ সিমান প্ৰয়োজন নাই, যিমান প্ৰয়োজন বাংলাদেশ, ম্যনমাৰৰ লগত সম্পৰ্ক কৰাৰ। অসমৰ ৰাস্তা ঘাটৰ সমান্তৰালকৈ জল পৰিবহনৰ গুৰুত্ব আছে যিটো ভাৰতৰ অন্য ঠাইৰ লগত নিমিলে। অসমক মুম্বাই-চেন্নাই মানুহৰ লগত যোগাযোগতকৈ উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ তথা মানুহৰ লগত যোগাযোগৰহে বেছি প্ৰয়োজন আছে। বিজতৰীয়া বাংলাদেশী হিন্দু-মুছলমান সোপাৰ লগত সম্প্ৰীতি কৰাতকৈ অসমৰ নগা-মিজো-মণিপুৰী-গাৰো-খাচীয়া-চিংফৌ-আপাতানিৰ লগত সম্প্ৰীতি কৰাৰহে বেছি প্ৰয়োজন আছে।

মোৰ কথাত হয়ভৰ দি অধ্যাপক কুমাৰে ক'লে- Yes, you need to create a strong economy base for North East India based on your strength. Your hills, your rivers, your food, your ethnicity, your hospitality, your soil virginity, your nature-are your strength. By this time you should have been able to create a solid foundation for yourself. Are you in dialogue with your neighbors? Have you started talking to them? Do you have a place to discuss these matters? Intellectual discourse on these subjects is very necessary. Please invite me to one such meeting. I will be very glad to come, you need not pay one anything. I will come on my own.

গাড়ী গৈ থাকিলে। কথা বাগৰি থাকিল। মন ঘূৰা ঘূৰি কৰি থাকিল। বিভিন্ন কেকুঁৰীত থমকি ৰৈ ৰৈ এটা সময়ত মই ৰৈ দিলো– Intellectual discourse শব্দ দুটাত। সাৰস্বত চৰ্চা।

অসমত ক'ত হয়?

অসমত কোনে কৰে?

অসমত বৌদ্ধিক চিন্তা চৰ্চা কোনোবাই কৰে জানো? ক'ত দেখিছো– ক'ত শুনিছো!

বহুপৰ তভক মাৰি ৰ'লো।

মোৰ মনলৈ আহিল– গ্ৰন্থ বান্ধবৰ উদ্যোগত কেইবাবছৰ ধৰি গ্ৰন্থ পৰিচিতিৰ আলম লৈ আমি প্ৰতি সপ্তাহত 'গ্ৰন্থ আলোচনা' নামৰ এটা অনুষ্ঠান পাতিছিলো। স্কুল-কলেজৰ ল'ৰা-ছোৱালীক কিতাপ পঢ়িবলৈ উদগনি দিছিলো। তেওঁলোকে নতুনকৈ পঢ়া কিতাপৰ বিষয়ে ক'বলৈ দিছিলো। এখন কিতাপৰ ওপৰত ক'লে ১০০/১৫০ টকাকৈ মাননি দিছিলো।

বিভিন্ন লেখক-লেখিকাকো মাতিছিলো।

পিছে লাহে লাহে গম পালো আৰু বুজি উঠিলো যে মানুহবিলাক তেনেই পনীয়া-তৰাং। বেছি পঢ়াশুনা নকৰেই। নিজৰ লেখাখিনিকে লৈ ব্যস্ত। আনৰ লেখা মেলাবোৰ পঢ়িবলগীয়া কথা বুলিয়েই নাভাবে। কাৰোবাৰ লেখাৰ ওপৰত কিবা সমালোচনাত্মক কথা কলেই জগৰ লাগে। এবাৰ Post Modernism আৰু Post Truth আদি কথা লৈ এনেকুৱা তিক্ততাপূৰ্ণ কথা বতৰা হ'ল যে মন সেমেকিয়েই গ'ল।

আমাৰ লেখক-লেখিকাসকলে তেওঁলোকৰ লেখা ভাল বুলি ক'লেহে ভাল পায়।

আৰু এটা ভীষণ দুৰ্ভাগ্যৰ কথা মন কৰিলো যে গল্প কবিতা-উপন্যাস লেখক-লেখিকাৰ বাহিৰে বাকীবিলাকক তেওঁলোকে মানুহ বুলিয়েই নাভাবে। সাহিত্যৰ সেয়াই সৰ্বোচ্চ স্তৰ বুলি তেওঁলোকৰ বদ্ধমূল ধাৰণা।

আৰু এটা কথা মন কৰিলো যে আমাৰ লেখক-লেখিকাবিলাকৰ অভিজ্ঞতা তেনেই সীমাবদ্ধ। খুব কম ঠাই ফুৰিছে, খুব কম মানুহ লগ পাইছে, খুব কম অধ্যয়ন কৰিছে।

তেওঁলোক অসমতে বিশ্ববিখ্যাত হ'ব পাৰিম বুলি বহি আছে।

তাৰে ফলত আমি অসমৰ সকলো বাতৰি কাকত-আলোচনী বা অন্যান্য সংবাদ মাধ্যমত তেনেই সস্তীয়া, চৰ্বিত-চৰ্বণ, জোৰা তাপলি মৰা লেখাৰে ভৰপূৰ হৈ থকা দেখা যায়। প্ৰায় সকলোতে মৌলিকতাৰ অভাৱ। কোনো বস্তুকে বেলেগ দৃষ্টিৰে চাব নাজানে।

সেইকাৰণে আমাৰ সকলো বস্তু ফাঁপৰে খোৱা ধৰণৰ হৈ আছে। কাকো উদ্বেলিত (Stimulate) কৰিব নোৱাৰে।

অসমত সাৰস্বত সমাজ আৰু বুদ্ধিজীৱি সমাজ– এই কথা দুটাৰো অস্তিত্ব ধূসৰ হৈ পৰিছে। এই দুইখন সমাজ একে নহয়। বুদ্ধিজীৱি সমাজখন নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত দখল থকা, অধ্যয়নপুষ্ট, অধ্যয়নশীল এখন বিদ্যায়তনিক সমাজ। তেওঁলোকৰ পৰা নিৰ্দিষ্টবাচক নিৰপেক্ষ বক্তব্য বা দৃষ্টিভংগী আশা কৰা যায়।

বুদ্ধিজীৱি সাৰস্বত সমাজে সৃষ্টি কৰে। গতিকে বুদ্ধিজীৱি গোঢ়া মনোবৃত্তিৰ হোৱাটো বাঞ্চনীয় নহয়। বুদ্ধিজীৱিয়ে কথা এটাৰ বিভিন্ন দিশ তেওঁলোকৰ যুক্তি-বিশ্লেষণেৰে ব্যাখ্যা কৰিব লাগে। বুদ্ধিজীৱিয়ে মানুহক কথা এটা তং কৰি চাবলৈ অনুপ্ৰাণিত কৰিব লাগে। বুদ্ধিজীৱি জননেতা নহয়– হ'বলৈ বিচাৰিব নালাগে। কাৰণ একোটা কথাৰ বহুতো দিশ থাকে। বিভিন্ন মানুহে একোটা কথাৰ বিভিন্ন দিশ সমৰ্থন কৰিব পাৰে।

নকৰিবও পাৰে। বুদ্ধিজীৱি জননেতা হ'বলৈ চেষ্টা কৰিলে সমাজত ফেচিষ্ট মনোবৃত্তিয়ে গঢ় লৈ উঠে। বিশেষকৈ অসমৰ নিচিনা এখন ঠাইত য'ত পঢ়া-শুনা কৰা মানুহৰ সংখ্যা দুখলগাকৈ কম, য'ত কথা কোৱা মানুহজন কোন জাতিৰ, কোন সম্প্ৰদায়ৰ, কোন ধৰ্মৰ সেই কথাহে প্ৰথমে বিচাৰ্য্য হৈ পৰে বক্তব্যতকৈ, য'ত এৰা গছেই বৰ গছ হৈ পৰাৰ নিচিনাকৈ এজন বা দুজন অলপ বেছিকৈ পঢ়া-শুনা কৰা আৰু কথা ক'ব পৰা মানুহকেই সৰহভাগ বুৰ্বক মানুহে বুদ্ধিজীৱি বুলি বিশেষণ দি সমাজক গতি দিবলৈ বিচাৰে, তেনে ঠাইত বুদ্ধিজীৱি সকল বিপদজনক হৈ পৰে।

এইখিনিতে আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে ৰাজহুৱা স্বাৰ্থজড়িত কথাত তাৎক্ষণিক প্ৰতিক্ৰিয়া আৰু ব্যক্তিগত মতবাদ সম্পূৰ্ণ পৰিহাৰ কৰি চলিব লাগে। সৰহসংখ্যক বা প্ৰায়বিলাক বুদ্ধিজীৱিয়ে এইটো কৰা দেখা নাযায়।

আনহাতে বহুত বুদ্ধিজীৱি সাধাৰণতে বাওপন্থী হোৱা দেখা যায়।

কিন্তু তেওঁলোকে নিজৰফালে নাচায় যে সমগ্ৰ পৃথিৱীত বাওপন্থী মতবাদ কিয় উৎখাত হৈ গৈছে। কিয় হৈছে সেইটো বিশ্লেষণ কৰাৰ দৰকাৰ।

ঠিক তেনেকৈ সৌ সিদিনালৈকে আমি 'হিন্দুত্ব' শব্দটো ইমান বেছিকৈ শুনা নাছিলো। আজি কিয় ইমানকৈ শুনিব লগা হৈছে। ই নিজে সৃষ্টি হৈছে নে সমগ্ৰ পৃথিৱীতে উদ্গীৰণ হোৱা ইছলামিক জাগৰণ/সন্ত্ৰাসবাদ/ইছলামিকৰণৰ প্ৰতিক্ৰিয়া স্বৰূপে হৈছে সেইবোৰ বিশ্লেষণ কৰিব লগা হৈছে।

বুদ্ধিজীৱিসকলক আমি অকলে সমাজৰ প্ৰহৰী হ'বলৈ এৰি দিব নোৱাৰো। বুদ্ধিজীৱিবিলাক সাধাৰণতে অহংকাৰী আৰু মদগৰ্বী হয়। তেওঁলোকে তেওঁলোকৰ বিষয়ত আন কোনোবাই তেওঁলোকতকৈ বেছিকৈ কিবা জানে বুলি মানি নলয় আৰু বুদ্ধিবৃত্তিত কম সাধাৰণ মানুহক তেওঁলোকে উপেক্ষা কৰে। তেওঁলোকে নিজৰ চৌপাশে এক নকল আভিজাত্যৰ এক আবৰণ পিন্ধি সমাজত বিচৰণ কৰে। কিন্তু আমি তেওঁলোকৰ ব্যক্তিস্বাধীনতাতো হস্তক্ষেপ কৰিব নোৱাৰো।

কিন্তু তেওঁলোকক আমি বুজাব পাৰিব লাগিব যে এখন সাৰস্বত সমাজ আছে যিখন সমাজো সমাজৰ হিতাকাংক্ষী। এই সাৰস্বত সমাজত কেৱল স্কুল-কলেজ-বিশ্ববিদ্যালয়ত ডিগ্ৰী লোৱা ব্যক্তি নাথাকে। ইয়াত সকলো সু-ৰুচিবান মানুহ-শিল্পী, ব্যৱসায়ী, ৰাজনীতিক, শ্ৰমিক, কৃষক, উদ্যোগী, প্ৰকৃতিবিদ, ছাত্ৰ-ছাত্ৰী থাকিব। এই সাৰস্বত সমাজখনক 'কেইজনমান পঢ়াশুনা কৰা মানুহে Hijack কৰিব'- সেইটো হ'বলৈ দিব নোৱাৰি।

স্পষ্টকৈ নকলেও অধ্যাপক সুশীল কুমাৰে এনে এখন সাৰস্বত সমাজৰ কথাকে কৈছিল। পৃথিৱীৰ বিভিন্ন সময়ত বিভিন্ন ঠাইত পেৰিচৰ কাফে বিলাকত, কলিকতাৰ কফি হাউচত, অসমৰো চাগে ক'ৰবাত ক'ৰবাত এনে সমাজ সৃষ্টি হৈছিল।

এইখন সমাজ সৃষ্টি কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। আপুনিও এই কাম কৰক। নহ'লে জাতি হিচাবে আমাৰ অৱলুপ্তি অনিবাৰ্য্য।

# অন্যযুগ

ফোনটোত এটা অচিনাকী নম্বৰ বাজি উঠিল।

ধৰি দিলো।

এটা তজবজীয়া-স্পষ্ট-সাৱলীল কন্ঠই ইংৰাজীত কৈ গ'ল-

মই সঞ্জীৱ সভাপণ্ডিতৰ লগত কথা কৈছো নে বাৰু?

মই জাপান অভাৰচিজ ইনভেষ্টমেন্ট এজেঞ্চিৰ হৈ আপোনাৰ লগত অলপ কথা পাতিবলৈ বিচাৰিছো।

মোৰ লগত সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ৬২ জন মানুহৰ এখন তালিকা আছে। আপোনাৰ নামটো তাত আছে।

কথাখিনি অলপ দীঘলীয়া।

আপুনি কেমেৰাৰ আগত ক'ব লাগিব।

আমাৰ কামখিনি Centre for Policy Research. নতুন দিল্লীৰ পৰা নিয়ন্ত্ৰিত হৈ আছে।

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী এমাহমানৰ আগতে জাপানলৈ গৈছিল। তাত জাপানৰ প্ৰধান মন্ত্ৰীৰ লগত উত্তৰ-পূব ভাৰতত জাপানৰ বিনিয়োগ সন্দৰ্ভত এখন চুক্তি স্বাক্ষৰিত হৈছিল। লগে লগে জাপান চৰকাৰে উত্তৰ-পূব ভাৰতত কি আছে, কেনেকৈ আছে, মানুহবিলাক কেনেকুৱা, শিক্ষা-দীক্ষাৰ স্তৰ কেনেকুৱা, সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক বাতাৱৰণ কেনেকুৱা আদি কথাবোৰ জনাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰিলে।

সেয়ে এই কথা।

কথাটোত মই অলপ উত্তেজনা অনুভৱ কৰিলো। আমাৰ অসমৰ সংবাদ মাধ্যমত আৰু আমাৰ বাঁওপন্থী বুদ্ধিজীৱিবিলাকে, প্ৰধান মন্ত্ৰী মোদীয়ে দিনটোত কেইবাৰ পোছাক সলায়, বিদেশ ভ্ৰমণত কিমান সময় আৰু টকা খৰচ কৰিলে ইত্যাদি কথাৰে নিজেও ব্যস্ত হৈ থাকে আৰু অসমীয়া মানুহৰ মূৰবিলাকো গৰম কৰি ৰাখে। এজন ৰাষ্ট্ৰনায়কৰ এটা কামৰ পৰা কিমান সুদুৰপ্ৰসাৰী প্ৰভাৱ থকা কাম হ'ব পাৰে সেইবোৰ বুজিবলৈ এই মানুহবিলাক নিজেও অক্ষম আৰু জনসাধাৰণকো সিবিলাকে অধম কৰিয়ে ৰাখিছে।

এটা সময় আৰু এটুকুৰা স্থান নিৰ্দিষ্ট কৰি মই টেনজিনক লগ ধৰিবলৈ গ'লো। দেহত কেৰেলা-চকুত পৃথিৱী-মুখত দিল্লী কঢ়িয়াই ফুৰা ডেকাজনে নিজে কেমেৰা ফিট কৰি সাজু হ'ল।

মই ক'লো- প্ৰথমতে প্ৰশ্নখিনি দিয়াচোন।

দুই পৃষ্ঠাৰ এখন কাগজ আগবঢ়াই তেওঁ লেঞ্চ আৰু পোহৰ ঠিক ঠাক কৰাত লাগিল।

প্ৰশ্নখিনিৰ ওপৰত চকু ফুৰাই মই থৰ হৈ গ'লো আৰু ক'লো- তুমি কেমেৰা অন নকৰিবা। মই আজি এই কম সময়ৰ ভিতৰত ইমানবোৰ গভীৰ কথাৰ উত্তৰ দিব নোৱাৰিম।

- এই প্ৰশ্নখিনি কোনে তৈয়াৰ কৰিছে?
- দুঘন্টাৰ কমত এইখিনি কথাৰ উত্তৰ দিয়া সম্ভৱ নহ'ব।
- প্ৰশ্ন তৈয়াৰ কৰা মানুহজনে বা দলটোৱে নিশ্চয় ১ মাহ মান উত্তৰ-পূৱ ভাৰতত ঘূৰিছে।
  টেনজিনে হাঁহিলে।
- মোৰ কথা কোনে ক'লে তোমাক?

- একেখিনি মাটিতে আবদ্ধ হৈ থকাৰ বাহিৰে উত্তৰ-পূব ভাৰতৰ কোনো সুষমতা নাই (No Commonality except that it is land locked in a common zone with a common destiny.

Common destiny – একেই নিয়তি কথাটোৱে টেনজিনৰ মনত যেন এটা ঝংকাৰহে তুলি দিলে।

- You speak your heart out to the sky- not to anybody now. টেনজিনে বৰ উৎসাহেৰে ক'লে।

মই ইতিমধ্যে প্ৰশ্নবিলাকৰ মাজত সোমাই পৰিছিলো। ইঞ্জিনিয়াৰিং পঢ়িলো যদিও নৃগোষ্ঠীয় অধ্যয়ন, ভূগোল-ইতিহাস-অৰ্থনীতি-ব্যৱসায়-সমাজ-আধুনিকতা মোৰ প্ৰিয় বিষয়।

- সেয়ে মই প্ৰশ্নবিলাকৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰিলো।

এসময়ৰ ভাৰতৰ গৃহসচিব ৰঞ্জন মাথাইৰ Act East Policy ৰ ওপৰত লিখা কথাবিলাক মনত পেলালো ——

- ভাৰতে ইণ্ডোনেচিয়াত কিয় বতৰ বিজ্ঞান কেন্দ্ৰ পাতিছে!

- ভাৰতে বাংলাদেশৰ চিটাগং বন্দৰটো কিয় ব্যৱহাৰ কৰিবলৈ বিচাৰিছে!

- চীনে দক্ষিণ-চীন সাগৰত কাকো সোমাবলৈ নিদিয়াৰ কাৰণ কি!

- উত্তৰে হিমালয়ে ভাৰতক কাৰাৰুদ্ধ কৰি ৰাখিছে। পাকিস্থান চিৰ বৈৰী; সেইখন দেশৰ লগত ভাল হ'বলৈ চেষ্টা কৰি লাভ নাই। গতিকে পূবেদি ভাৰত দক্ষিণ-পূব এছিয়া মহাদেশত সোমাব পাৰে।

- বিশ্ব অৰ্থনীতিৰ ভৰকেন্দ্ৰ ইউৰোপৰ পৰা দক্ষিণ-পূব এছিয়ালৈ লাহে লাহে আৰু ক্ৰমান্বয়ে স্থানান্তৰিত হৈছে।

- আফ্ৰিকা চীনে দখল কৰিছে, ভাৰতে দক্ষিণ-পূব এছিয়া বলে পাৰিব।

- দেশৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ কৌশল (Skill) ৰপ্তানি নকৰিলে ভাৰত স্থবিৰ হৈ যাব। গতিকে ভাৰতক ব্যৱসায়িক সম্প্ৰসাৰণ লাগে।

- উত্তৰ-পূব ভাৰতেদি, ভাৰত দক্ষিণ-পূব এছিয়াত হাজিৰ হ'ব পাৰিব।

- সেয়ে ভাৰতে ম্যানমাৰৰ লগত ৰেলপথৰ যোগাযোগ কৰিছে যাতে গুৱাহাটীত উঠি হঙকঙলৈকে ৰেলত যাব পাৰি।

- আগৰতলা-মিজোৰামৰ পৰা কলিকতালৈ যাতে বাংলাদেশৰ মাজেৰেই ৮ ঘন্টাত যাব পাৰি যি যাত্ৰাত এতিয়া চাৰি দিন লাগে।

- ডিব্ৰুগড় বিমান বন্দৰো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ হ'ল কাৰণ চীনলৈ যাবলৈ আৰু কলিকতা-দিল্লী হৈ যাব নালাগে ।

- কিহৰ ব্যৱসায় হ'ব? - ইয়াৰ পৰা কি যাব? তাৰ পৰা কি আহিব? ইয়াত প্ৰকৃতি আছে, পানী আছে, নদী আছে, খনি আছে, golf course আছে, চাহ আছে, বিভিন্ন জনগোষ্ঠীয় সংস্কৃতি (ethnicity) আছে, খাদ্য-সংগীত-নৃত্য আছে।

মোৰ ৰাঘৱলৈ মনত পৰিল। সি মোৰ ছোৱালীৰ চিনাকি - তাইতকৈ দুবছৰমান সৰু। দিল্লীত থাকে। এদিন হঠাৎ আহি গুৱাহাটীত হাজিৰ। কি হ'ল? বোলে নাগালেণ্ডলৈ যায় - head hunter নগা গাঁৱলৈ যায় বোলে - কন্যাক নগা গাঁৱলৈ যায় বোলে - অকলে যায় বোলে -।

বচ গুচিয়েই গ'ল। ৭ দিনৰ মূৰত ঘূৰি আহিল মন (Mon) পাৰ হৈ নগালেণ্ড ম্যানমাৰ সীমান্তৰ কন্যাক নগা গাঁৱত থাকি আহিলোঁ - গাঁওবুঢ়াৰ ঘৰত - যাৰ পাকঘৰ ম্যানমাৰত, শোৱনীঘৰ ভাৰতত। কানি খায় -। পুৰীয়া শেষ হ'লে নাতিয়েকে ৫০ টকা লৈ সিপাৰৰ পৰা লৈ আনেগৈ। মোৰ ভাৱৰ মিচিল গৈ থাকিল। আমাৰ মানুহে এতিয়া কি কৰিব? যেতিয়া ১০০ খন ৫০ ফুট দীঘল গাড়ীৰ কনভয়ত ৬০ ফুট বহল ৰাস্তাইদি সামগ্ৰী অহাযোৱা কৰিব। International Trade & Business ৰ জটিল নিয়ম মানি - Foreign exchange লেনদেন কৰি – Letter of Credit-Banking-Electronic Verification পাৰ হৈ তেতিয়া আমাৰ মানুহবোৰে কি কৰিব?

৫০ টা ডবাত মানুহ ভৰাই যেতিয়া ৰেলগাড়ীবিলাক অহা-যোৱা কৰিব ১৮০ কিঃমিঃ গতিবেগত, তেতিয়া আমাৰ মানুহবিলাকে কি কৰিব?

যেতিয়া জাপানী মানুহে নিজৰ নিজৰ প্লেনত উঠি অসমৰ চাহ বাগিচাবিলাকৰ মাজত থকা গল্ফ কৰ্চত গল্ফ খেলিবলৈ আহিব, Heritage Home Stay বা Resort বা ৫/৭ Star Hotel বিচাৰিব তেতিয়া আমাৰ এই মানুহে কি কৰিব?

এই পৰিপ্ৰেক্ষিতত মোক এতিয়া সোধা হৈছে –

- উত্তৰ-পূব ভাৰতৰ মানুহে কি কৰিব জানে?
- উত্তৰ-পূব ভাৰতৰ মানুহে কি কৰিব পাৰে?
- উত্তৰ-পূব ভাৰতৰ মানুহৰ অৰ্থনৈতিক অৱস্থা কি?
- যদি মই উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক অৱস্থা বেয়া বুলি ভাবো তেন্তে ইয়াৰ কাৰণ কি Lack of governance নে lack of utilization of resources?

- Act East Policy ৰ বিষয়ে উত্তৰ-পূব ভাৰতৰ মানুহে কি ভাবে?
- Act East Policy য়ে এতিয়ালৈকে কি দিছে? গতি লৈছে বুলি তুমি ভাবানে?
- Act East Policy ৰ বাবে কাৰ কি লাভ হ'ব? ৰাজ্যবিলাকৰ কি লাভ হ'ব?
- Act East Policy ৰ নামত কিমান টকা কিহত খৰচ হৈছে? Connectivity ৰ ক্ষেত্ৰত- ১৯৯২ চনৰ পৰা- যেতিয়াৰ পৰা Look East Policy আৰম্ভ হৈছিল কিবা উল্লেখনীয় পৰিৱৰ্তন চকুত পৰিছে নে?

- হাবি-জংঘল-পৰ্বত-নদী আদিৰ বাহিৰেও অন্য কি কথাই ইয়াত Connectivity ৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে?

Connectivity আৰু Communication এ উন্নতিত কি সহায় কৰিব আৰু উগ্ৰপন্থীৰ কাৰ্য্যকলাপত কি প্ৰভাব পেলাব?

- ভাৰত চৰকাৰৰ নীতি আৰু ৰাজ্যচৰকাৰৰ নীতিয়ে এই ক্ষেত্ৰত কি পৰিবেশ সৃষ্টি কৰিছে?
- উত্তৰ-পূব ভাৰতৰ মানুহে এইবিলাকত অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে নে?
- বেচৰকাৰী সংস্থা, কলেজ, বিশ্ববিদ্যালয়, NGO আদিয়ে কি ভূমিকা লৈছে?

প্ৰশ্নৰ লানি নিছিগা সোঁত। প্ৰশ্ন কৰ্তাই তলত পাদটীকা (Foot Note) দি থৈছে যে যাক Interview লোৱা হৈছে তেওঁ কি মানসিক অৱস্থাত আছে, বাস্তৱত তেওঁ কি কাম কৰিছে, কিমান মানুহৰ লগত তেওঁ কিমান আৰু কি ভাবে জড়িত, তেওঁৰ কামৰ খতিয়ান আৰু মূল্য কি – এই সকলো চাই চিতিহে প্ৰশ্ন সুধিব।

কেইবাঘন্টাও মই প্ৰশ্নসমূহ লৈ গভীৰ চিন্তাত নিমগ্ন হ'লো। অসমীয়া সংবাদ দাতা বা বুদ্ধিজীৱিৰ দৰে ফটকৈ এইবোৰ কথা কৈ দিব নোৱাৰি। সমগ্ৰ উত্তৰ-পূব ভাৰতখন ঘূৰিছো কাৰণে বুজো যে গভীৰ অধ্যয়ন আৰু সাংঘাটিক কষ্ট নকৰাকৈ আমি উত্তৰ-পূব ভাৰতৰ মানুহে এই জটিল কিন্তু প্ৰচণ্ড সম্ভাৱনাময় পৰিস্থিতিৰ সন্মুখীন হ'ব নোৱাৰিম।

জৈৱিক খেতি (Organic farming/ cultivation), সংস্কৃতি, প্ৰকৃতি-পৰ্য্যটন-মাছ-অৰ্কিড-খনিজাত সামগ্ৰী আদিয়েই চাগে আমাৰ আচল সম্পদ। কিন্তু অন্য কিছুমান বস্তু যেনে- ঔষধি উদ্ভিদ (Medicinal Plants), সুগন্ধি উদ্ভিদ (Aromatic Plants), গাখীৰ, বাঁহ আদিলৈকে এই সম্ভাৱনা সম্প্ৰসাৰিত কৰিব নোৱাৰিনে?

সেই দিন আহি আছে- তীব্ৰ গতিত আহি আছে। জকাইচুকীয়া চুক ভেকুলী হৈ থকা অৱস্থাৰ পৰা আমি এতিয়া সমুখত-পদুলিমুখত-চ'ৰাঘৰত উপনীত হৈছো।

ঘৰৰ পিচফালে মানুহে মেঠনি মাৰি বা লেংটি মাৰি থাকিলেও আগফালে মানুহে সাজিকাঁচি থাকে। আমি সাজু হ'বৰ হ'ল। ৰাস্তাত চিঞৰি থাকিলে বা বাংলাদেশীয়ে খালে বুলি আটাহ পাৰি লাভ নাই।

চুনামিৰ ছবি দেখিছে নহয় মানুহবিলাকে? ওফৰাই লৈ যাব পৰিবৰ্তনৰ এই ধুমুহাই। মদ খাই-গামোছা পিন্ধি এমাহ বিহু মাৰি থাকিলে খৰি দিবলৈকো কোনো নাহিব।

অন্য এক যুগ আহি আছে। এই যুগ কেৱল গল্প-কবিতা-উপন্যাসৰ অন্য যুগ নহয়। আমাৰ কাকত-আলোচনীত কেৱল পুৰণি দিনৰ আৱেশ সনা কথা বা কল্পনাৰ গল্প-কবিতা-উপন্যাস আদিয়েহে এতিয়ালৈকে স্থান পাই আহিছে। এই আওপুৰণি কথাবিলাকতে আবদ্ধ থাকি জাতিৰ বা ভাষা সাহিত্যৰ সেৱা কৰিছে বুলি ভবাটো মূঢ়তা মাথোন। দুখৰ বিননিৰ বা বঞ্চনাৰ হুমুনিয়াহৰ বা শোষণৰ চকুপানীৰ কোনো অৰ্থ নাই। ইনাই-বিনাই থাকি অসমীয়াবিলাক এটা কান্দুৰা জাতিত পৰিণত হৈছে। আমাৰ এই অৱস্থাৰ বাবে আমাৰ বাতৰি কাকত, আলোচনী, তথাকথিত বুদ্ধিজীৱি, ফোঁপজহী কথাচহকী সকলো জগৰীয়া।

ভৱিষ্যৎ নেদেখা মানুহ ধ্বংস হোৱাটো স্বাভাৱিক।

প্ৰশ্নবিলাকৰ মই উত্তৰ দিলো। ইয়াত সেইবোৰ উল্লেখ নকৰিলো। পাঠকে মাত্ৰ এটা উত্তৰকে দিয়ক বাৰু। প্ৰথমৰ প্ৰশ্নটোৰ। গাইগোটীয়া উত্তৰ নিদিব। উত্তৰ-পূব ভাৰতৰ মানুহৰ সামগ্ৰিক চৰিত্ৰ প্ৰকাশ হোৱাকৈ ভাবক।

অন্যযুগ আহি আছে। গতিকে ভবাচিন্তাৰ ধৰণো অন্য হ'ব লাগিব। নিজে পুৰণিকলীয়া হৈ থাকি আজি 'এতিয়া মোক কোনেও নামাতে', 'কোনেও পাত্তা নিদিয়ে বুলি ভাবি থাকিলে নহ'ব।'

# সূচীপত্ৰ


**বাতৰি কাকতৰ পৰা -**

**দৈনিক জনমভূমিঃ**

১) কাঁশী ফুলাৰ বিষাদ
২) সমন্বয়ৰ ঘৰফলীয়াঃ এক সন্ধান যাত্ৰা
৩) ৰুপালী ঢেঁকীয়াৰ দেশ-নিউজিলেণ্ড
৪) বিশ্ব-সাহিত্যৰ সমলয়

**দৈনিক অগ্ৰদূতঃ**

৫) কুমাৰ ভাস্কৰ বৰ্মা (বুৰঞ্জীমূলক নাটক)
৬) Satyagrahi
৭) কবিতা, ছবি আৰু স্কেচ্চ
৮) বিশ্বায়নৰ বিভ্ৰাট
৯) কল্পনাৰ চিন্তামনি
১০) অমৃত সন্ধান
১১) উপপথ
১২) সোণালী দেশৰ কাহিনী
১৩) হৃদয়ৰ অনুৰণন
১৪) ভৌগলিক আৰু সংস্কৃতিক পটভূমিত - ব্ৰহ্মপুত্ৰ সভ্যতা
১৫) হিড়িম্বা
১৬) আকৌ ফুলিল সোণাৰু, এজাৰ, কৃষ্ণচূড়া
১৭) তোমাৰ স’তে কথা আছে
১৮) ৰোমন্থন

**দৈনিক অসমঃ**

১৯) শব্দৰ বেলিফুলবোৰ
২০) শিশুৰ দক্ষতা বিকাশ আৰু আচৰণৰ ৰুপান্ত
২১) মুক্তাপুৰ গাঁওঃ পৰম্পৰাগত কৃষি আৰু সংস্কৃতিৰ খণ্ড অধ্যয়ন
২২) গৰীয়সী আৰু অসামান্য চন্দ্ৰপ্ৰসাদ
২৩) বুদ্ধদেৱ দাশগুপ্ত আৰু অন্যান্য
২৪) চিনাকি নদীৰ ঘাট
২৫) বৰপেটা সত্ৰ আৰু লোক জীৱনৰ উৎসৱ-পাৰ্বন
২৬) ছবি তুমি মই আৰু আমাৰ কথাৰে - In ‘D’ Language of Printing & Poetry’
২৭) THE ATLAS OF REDS AND BLUES
২৮) বুলবুলিৰ মাত
২৯) শিলৰ সাধু
৩০) চিত্ৰ-গ্ৰীৱা
৩১) মাজনিশাৰ বাদ্য
৩২) ডায়েবেটিছ আৰু থাইৰয়ড
৩৩) সংস্কৃতি আৰু গণজীৱন
৩৪) ৰিণিকি ৰিণিকি হংসধ্বনি
৩৫) স্মৃতিমাল্য - যাদৱ নাৰায়ণ দাস
৩৬) অংশুমানৰ নিৰ্বাচিত কলা সম্ভাৰ
৩৭) হাটবৰ অন্বেষণ
৩৮) আশা কৰোঁ ভালে আছা
৩৯) শ্যামলী অনুৰাগৰ আদিধ্বনি
৪০) বুঢ়াদিয়াৰ পাৰঘাটে ৰিঙিয়াই মাতে
৪১) আলোক
৪২) কুলখুৰা শত শতিকাৰ
৪৩) আৰ্হি তিৰুতা আৰু অন্যান্য ৰচনা
৪৪) শব্দ
৪৫) কুসুম কোমল

**অসমীয়া প্ৰতিদিনঃ**

৪৬) POST COLONEAL POEMS
৪৭) অসমৰ সমকালীন সমস্যা আৰু অন্যান্য
৪৮) ৰাজনীতিৰ এক জীৱন
৪৯) লোহিত্য তীৰৰ অমৃত গাঁথা
৫০) চেতনা
৫১) ছ’চিঅ’ ইক’নমিক এণ্ড পলিটিকেল ইছ্যুজ ইন আছাম
৫২) চাকচন এ কঁঠাল গছত নপৰিবি
৫৩) তুমি ক’ৰ বতাহ
৫৪) পৌৰাণিক ধৰ্মীয় কাহিনীৰ একাঁজলি

**সাদিনঃ**

৫৫) মাটিৰ মুখ
৫৬) হাজং জনজাতি আৰু সংস্কৃতি
৫৭) মৰীচিকাৰ ছন্দ
৫৮) কাজিৰঙা গাইড

**The ASSAM TRIBUNE :**

৫৯) Bhupen Hazarika: As I Knew Him
৬০) Rupkathat Hindur Dev-Devi

৬১) Sagoli Rojar Sadhu
৬২) No Point Talking
৬৩) Leaflets
৬8) A Cupful of Secrets
৬৫) Prabandha Beethika
৬৬) Dwitiyo Mohaxomor Aru Oxom
৬৭) Becoming
৬৮) Shreemad Bhagwat Mahatmya

**বাতৰি কাকতৰ পৰা -**

**দৈনিক জনমভূমিঃ**

**(২৫/০৩/২০১৯)**

## কাঁশী ফুলাৰ বিষাদ

**লেখক - মিন্টু তাঁতী**

**প্ৰকাশক - অসম প্ৰকাশন পৰিষদ**

**আলোচক - ৰেণু গোৱালা (৮৬৩৮৭-৯৩৪১৫)**

চাহ জনগোষ্ঠীয় সেউজ কবিসকলৰ ভিতৰত মিন্টু তাঁতী এক পৰিচিত নাম। সাম্প্ৰতিক সাহিত্যৰ পথাৰত কবি হিচাপে মিন্টুৰ আছে এক স্বকীয় বৈশিষ্ট্য। কবিৰ ভাব কল্পনা সুন্দৰ শব্দ সম্ভাৰেৰে সুষমামণ্ডিত। চাহ জনগোষ্ঠীৰ দুখ-বেদনা, সংগ্ৰাম, সুখানুভূতি, আনন্দ, উল্লাস আছে মিন্টুৰ কবিতাত। চাহ জনগোষ্ঠীয় জীৱনৰ বাস্তৱ ৰূপ কাব্য সংকলনখনত প্ৰতিফলিত হৈছে। ৪৭ টা কবিতাৰ কাব্য সংকলনটিত আছে এক সংমিশ্ৰণৰ ছবি। এফালে আছে ভৰপূৰ জীৱনৰ এক মহোৎসৱ আৰু আনফালে আছে তলাবন্ধ বাগিচা শ্ৰমিকৰ আৰ্তনাদ। চাহ বাগিচাৰ কৰুণ ছবিয়ে কবিৰ মন ভাৰাক্ৰান্ত কৰি তুলিছে। তলাবন্ধ শ্ৰমিকসকল কেনেকৈ নিৰুপায় এমুঠি ভাতৰ বাবে; কবিয়ে কৈছে-

'এমুঠি ভাত কাপোৰৰ চিন্তাত
ভাঁহি অহা অজান ৰইচকাৰ বাঁহীৰ সুৰেও
নকঁপায় সিহঁতৰ বুকুৰ পৰ্দা।'

শ্ৰমিক লাইনবোৰক কবিয়ে সেউজীয়া চুবুৰি বুলি কৈছে। সুন্দৰ চিত্ৰকল্পৰে সজাই তুলিছে এইদৰে –

'নৈৰ পাৰে পাৰে কাঁশীফুল ফুলিলেই
নৈৰ গৰাত ঠেকা খাই উঠে
সেউজীয়া চুবুৰীৰ
এজাক বিষন্ন হৃদয়ৰ বিলাপ।'

মিন্টু তাঁতীক ঋতুৰ কবি বুলি কলে বঢ়াই কোৱা নহয়। মিন্টুই ভাদক আদৰিছে, ভাদত মাতাল হোৱা ৰাতিৰ কথা কৈছে। ভাদত মতলীয়া হোৱা চাহ জনগোষ্ঠীৰ কথা কৈছে এইদৰে –

'সংগোপনে ভাদ আহি ভৰুণ হৈ উঠিছে
মোৰ বাৰীৰ ঢাপত ফুলি উঠা
হালধীয়া ঝিঙা ফুলবোৰত।'

ঠিক একেদৰে শৰতৰ গান গাইছে এইদৰে-

'মধ্য যামিনীত বতাহত মেলি দিয়া
কুঁৱলীৰ শুকুলা
আঁচলে ফুচফুচাই কয়
দুবৰি গছকি হেনো ৰাজকোঁৱৰ শৰৎ আহিছে।

কবিয়ে অকল ঋতুৰ গান গোৱা নাই, কবিৰ বলিষ্ঠ কাপেদি নিগৰিছে বিপ্লৱৰ গান। ন্যায্য প্ৰাপ্যৰ গানো-

'ন্যায্য প্ৰাপ্য, সাম্য সম্প্ৰীতিৰ শ্ল'গান
মূলতঃ মই সেউজ কবি
সেউজীয়াৰ স'তে উমলি থকা
মই নিমাখিত বনুৱাৰ কবি।'

মিন্টু তাঁতীৰ কবিতাত আছে ব্ৰিটিছৰ ষড়যন্ত্ৰ। কিদৰে নিমখ দিয়া ৰঙা চাহে এফালে ভাগৰ মাৰে আৰু আনফালে মগজুৰ চিন্তাশক্তিক নিষ্ক্ৰিয় কৰে। কবিয়ে কৈছে–

'জানো কিয় মোৰ ইমান চিনাকি?
এবাটি লুণীয়া ৰঙীন পানী, এবাটি হাড়িয়াৰ প্ৰতি
কিয় জানো মোৰ প্ৰৱল আসক্তি?'

প্ৰেম এক স্বৰ্গীয় অনুভূতি। প্ৰেম সকলোৰে জীৱনলৈ এবাৰ হ'লেও আহে। প্ৰেমে জীৱনক সুন্দৰ আৰু সাৰ্থক কৰি তোলে। কবিয়ে কৈছে–

'তুমি হংসগামিনী
মূলতঃ তোমাৰ সৌজন্যতাৰ পৰশত
অন্তঃকৰণত সাৰ পাই উঠিল
মোৰ সুপ্ত প্ৰেম
দীপান্বিতাৰ যামিনী।'

ব্ৰিটিছে আড়কাঠিয়া চালনাত অসমত চাহপুলি ৰুবলৈ অনা চাহজনগোষ্ঠীৰ লোকসকল এতিয়া অসমৰ বতাহ, পানী খাই অসমক জনমভূমি বুলি অসমৰ হকে প্ৰাণ দি আহিছে। অসমক সেউজ ভূমি কৰি অহা চাহ জনগোষ্ঠীয়সকলৰ প্ৰতি কবিৰ মনত উদ্ৰেক হোৱা চিন্তাৰ কথা কবিতাৰে কৈছে এনেদৰে–

'সেউজ বুকুৰ মই তৰুণ কবি
চাহ শিৰীষক বুকুৰ উমেৰে
স্ব–তেজ ঘামেৰে
জীয়াই ৰাখিম যুগ যুগান্তৰ।'

চাহ জনজাতি সমাজৰ পৰাই বহু বিধায়ক, মন্ত্ৰী, নেতা হৈ বাগিচাৰ বাহিৰলৈ গৈ নিজকে পাহৰি গ'ল। পাহৰি গ'ল নিজৰ কৃষ্টি–সংস্কৃতি। বিভিন্ন জাতি–গোষ্ঠীৰ চাহজনগোষ্ঠীয় সংস্কৃতিত সমৃদ্ধ। কিন্তু লাহে লাহে এই সংস্কৃতিৰ সুন্দৰ ৰূপ বিজতৰীয়া হৈ পৰিছে। নিজৰ কৃষ্টি–সংস্কৃতিক লৈ কবি খুবেই সচেতন। সেয়েহে কবিৰ প্ৰাণে কান্দিছে। যন্ত্ৰণা ভৰা হৃদয়েৰে কবিয়ে কৈছে–

'আজি সভ্যতাৰ বিষাক্ত আঁচোৰে
কবিৰ বিদীৰ্ণ বক্ষত কিলবিলাই উঠে
নিৰুদিষ্ট বেদনাৰ অসহ্য যন্ত্ৰণা।'

এপদ এপদকে নিজৰ সংস্কৃতিৰ সম্পদ হেৰুৱাৰ দুখত কবিয়ে কৈছে–

'মাদলৰ তালে তালে গোৱা নহ'ল
পুছা পুছতে আলি খোজা খোজতে আলি বাবু হ'

শ্ৰমিক প্ৰাণৰ সুমধুৰ গীত কৰি।’

‘কবৰ ফাটি মই জী উঠিছোঁ কবিতাটি মিন্টু তাঁতীৰ এক উন্নত ফচল। কবিতাটিত আছে জীৱন দৰ্শনৰ এক সুখানুভূতি। কবিসকলৰ আছে এখন নিজা জগত। এটি সত্তা। কবিয়ে নিজা জগতখনৰ বৰ্ণনা কৰিবলৈ গৈ এটি সুন্দৰ চিত্ৰকল্প পাঠকক উপহাৰ দিছে। কবিয়ে গাইছে শ্ৰমিক আৰু কৃষকৰ গান এইদৰে–

‘বৈ অহা ঘামৰ টোপালত প্ৰাণ পাই উঠক
আকৌ কেঁচা মাটিৰ গান
আশা আৰু সপোনৰ
এটি সেউজীয়া গান।’

শব্দৰ খেলত পাকৈত কবি মিন্টু তাঁতী। শব্দৰ অপূৰ্ব সমাহাৰ উদাহৰণ আছে অনেক কবিতাত। শেৱালিক লৈ কবিয়ে লিখিছে–

‘সুগন্ধত মহীতল কঁপাই
হেঙুলীয়া লাহী দেহ
শুভ্ৰ কোমল পাখি মেলি
নামি আহোঁ নীৰৱে
কুঁৱলীৰ ওৰণি টানি।’

সকলো কবিয়ে অনুকৰণ কৰে ক’ৰবাত জানি আৰু কৰবাত অজানিতে। মিন্টুৱে অনুসৰণ কৰিছে সনন্ত তাঁতী, সমীৰ তাঁতী, নৱকান্ত বৰুৱা আদিক। ক্ৰমে মোৰ কবিতা সেউজীয়া মানুহৰ অমল উৎসৱ, এন্ধাৰৰ সমদলত আমি ক্ৰমশঃ ডুব গৈছোঁ ইত্যাদি। মিন্টু তাঁতী অকল প্ৰকৃতি, ঋতুক লৈয়ে কবিতা লিখা নাই লিখিছে অতি মৰমৰ আইতাজনীক লৈ। আইতাৰ সাধু কথা, আশীৰ্বাদ, খং–অভিমান সকলোকে সাঙুৰি লৈছে। আনহাতে ‘হিপ হিপ হুৰে’ কবিতাটিত আছে বাগিছাৰ শৈশৱৰ কথা। মিন্টু তাঁতীৰ কবিতাত আছে কবি মনৰ সৌন্দৰ্যবোধ।

‘ডেউকা মেলি উৰি গ’ল
নীলাভ দিগন্তৰ ফালে
চকুৰ পতাত হাজাৰটা সপোন।’

ঠিক একেদৰে ‘পিতাইৰ সপোন’ কবিতাটিত আছে জীৱন দৰ্শন আৰু কাব্যিক সৌন্দৰ্য।

‘ভাগৰ পকা ৰ’দত সিদিনা পিতাইৰ
সেউজীয়া সপোনটো আছিল হাঁহি
সুপ্তসুৰ তুলি বতাহত বাজি আছিল
এটি সুমধুৰ সুৰ।’

প্ৰথম কাব্য সংকলন মিন্টু তাঁতীৰ। তেওঁ ২০১১ চনত দেৰগাঁও অসম সাহিত্য সভাৰ অধিবেশনত ‘নবীন কবি’ বঁটা লাভ কৰে।

**সমন্বয়ৰ ঘৰফলীয়াঃ এক সন্ধান যাত্ৰা**
**সম্পাদনা - জুৰী বৰা বৰগোহাঞি, লক্ষীনন্দন বৰগোহাঞিয়ে**
**প্ৰকাশক - শব্দ প্ৰকাশ**
**আলোচক- সুশীল কুৰ্মি (৯৪৩৫০-৮০১৫৯)**

অসমৰ এগৰাকী প্ৰচাৰ বিমুখ অসমীয়া সাহিত্য জগতৰ সাধক চিন্তাশীল লেখক সয়ম্বৰ ঘৰফলীয়াৰ জীৱন ভিত্তিক গ্ৰন্থ। নব্বৈ বছৰ বয়সতো কলম এৰি নিদিয়া ঘৰফলীয়াৰ জীৱন আলোকপাত কৰা গ্ৰন্থখনত অসমৰ বহুজন প্ৰতিষ্ঠিত লেখক-লেখিকাই নিজ দৃষ্টিভংগীৰে লেখা আগবঢ়াইছে।

গ্ৰন্থখনৰ আৰম্ভণিতে ডঃ নগেন শইকীয়াই আন্তৰিক অভিনন্দনত কৈছে যে 'ৰামধেনু যুগতে হাতত কলম লোৱা এগৰাকী ব্যক্তিয়ে লোকজীৱন, লোক সংস্কৃতি, বৈষ্ণৱ ধৰ্ম, অসমীয়া ভাষা আৰু সাহিত্য সম্পৰ্কে এক উদাৰ মুকলি মনেৰে চিন্তা-চৰ্চা কৰি আহিছে। এক গভীৰ জীৱন চেতনা তেখেতৰ মনত সদায় সক্ৰিয় হৈ আছে।' বয়সেও হাৰ মনাব নোৱাৰা বহুমুখী ব্যক্তিত্বৰ অধিকাৰী ঘৰফলীয়াৰ জীৱনধাৰাৰ হুবহু চিত্ৰ গ্ৰন্থখনৰ পাতে পাতে প্ৰতিফলিত হৈছে। প্ৰতিজন লেখকে মনোগ্ৰাহী কথাৰে সুন্দৰ ৰূপত ৰূপায়িত কৰিছে গ্ৰন্থখন। ঘৰুৱা ৰসাল কথাবোৰো পৰিয়ালৰ লোকে গ্ৰন্থখনত লিখিছে। 'জ্যোতিষ শাস্ত্ৰত বিধান মতে কুম্ভৰাশিৰ জাতক সাধাৰণতে নিৰ্জনতা প্ৰিয়, তপোদীপ্ত গভীৰ চিন্তা, বিদ্যাৱান অন্তদৃষ্টিসম্পন্ন, দলিত দৰদী আৰু অন্যান্য সাধাৰণ ধাৰণা শক্তিৰ বাহক হ'ব পাৰে আৰু জ্যোতিষৰ এই সাধাৰণ বাণী সমন্বয় ঘৰফলীয়াৰ ক্ষেত্ৰত আখৰে আখৰে ফলিয়ালে'- বুলি ডঃ জয়কৃষ্ণ মহন্তই তেওঁৰ লেখাত এই কথাৰ অৱতাৰণা কৰিছে। ঘৰফলীয়াৰ বৰপুত্ৰ পলাশ ৰঞ্জন ঘৰফলীয়া আৰু ২য় পুত্ৰ প্ৰকাশ ৰঞ্জন ঘৰফলীয়া এওঁলোক দুয়োজনেও দেউতাকৰ বিষয়ে লেখা আগবঢ়াইছে।

১৯৩০ চনত চাবুৱাত জন্মগ্ৰহণ কৰা সয়ম্বৰ সৰুৰে পৰা বৰ তীক্ষ্ণ বুদ্ধিৰ লোক আছিল। পঢ়া-শুনাত সৰুৰে পৰা সুনাম অৰ্জন কৰা ঘৰফলীয়াই প্ৰাথমিক বৃত্তি আৰু মজলীয়া বৃত্তি দুয়োটাতে অবিভক্ত লখিমপুৰ জিলাৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছিল। দিনজয় হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি কটন কলেজত পঢ়ে আৰু তাৰ পৰা সুখ্যাতিৰে বি এ পাছ কৰি যোৰহাট স্নাতকোত্তৰ প্ৰশিক্ষণ বিদ্যালয়ত বি টি পঢ়ে। বি টি পাছ কৰাৰ পিছত পঢ়ি যোৱা দিনজয় হাইস্কুলখনতে শিক্ষকতাৰ চাকৰিৰে তেওঁ চাকৰি জীৱনৰ পাতনি মেলে। মাজতে শিক্ষকতাৰ চাকৰি এৰি আন চাকৰিত সোমালেও পুনৰ এদিন শিক্ষকতাৰ চাকৰিলৈকে ঘূৰি আহে। দীৰ্ঘদিন ধৰি স্কুলত চাকৰি কৰাৰ পিছত ১৯৯০ চনত ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। অসম চৰকাৰৰ পৰা কৃতী শিক্ষকৰ একালীন অনুদান লাভ কৰা ঘৰফলীয়াই স্কুলীয়া দিনৰে পৰা সাহিত্য চৰ্চা কৰিছিল। অসমৰ বিভিন্ন কাকত-আলোচনীত তেঁওৰ লেখা প্ৰকাশ পাইছে। সকলোবোৰ গোটালে এখন বৃহৎ গ্ৰন্থই হ'ব। ভালেমান মূল্যৱান গ্ৰন্থও তেওঁৰ প্ৰকাশ পাইছে। তাৰ ভিতৰত (১) অমৃতৰ তৃষ্ণা, (২) বালিমাহী, (৩) হিমালয়ৰ বৰফত কাৰ খোজ, (৪) কাজিৰঙাৰ বৰমেল, (৫) অনুভৱ, (৬) অসমৰ প্ৰথমজন মেজৰ জেনেৰেল, (৭) শংকৰ-অনিৰুদ্ধ দেৱৰ সামাজিক সাংস্কৃতিক অৱদানঃ এক অৱলোকন, (৮) ভাৱ বিলাস আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। 'ৰহমৰীয়াত এভূমুকি' নামৰ তথ্য চিত্ৰ এখনো নিৰ্মাণ কৰিছিল। সত্তৰ দশকৰ পৰা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত বিভিন্ন বিষয়ৰ কথিকা তেওঁৰ প্ৰচাৰ হৈ আহিছে। সমাজৰ কাম কৰি ভালপোৱা ঘৰফলীয়া বিভিন্ন সাহিত্য-সংস্কৃতি-সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত। তেনে এজন মহান ব্যক্তিৰ কৰ্মৰাজিৰ সকলো দিশ পুংশানুপুংখৰূপে গ্ৰন্থখনত প্ৰকাশ কৰিছে।

**(১৩/০৪/২০১৯)**
**ৰূপালী ঢেঁকীয়াৰ দেশ-নিউজিলেণ্ড**
**লেখিকা - মীৰা গোস্বামী**
**প্ৰকাশক - ভিকি পাব্লিচাৰ্ছ**
**মূল্য - ১৫০.০০ টকা**
**আলোচক - ড° প্ৰফুল্ল হাজৰিকা (৯১০১৩-৯২২০৬)**

ভ্ৰমণ কাহিনীক কেন্দ্ৰ কৰি ৰচনা কৰা কিতাপখন দুটা খণ্ডত বিভক্ত। প্ৰথম আৰু দ্বিতীয়বাৰ নিউজিলেণ্ড ভ্ৰমণৰ কাহিনীত দ্বীপ ৰাষ্ট্ৰখনৰ প্ৰাকৃতিক সৌন্দৰ্য অবিকল ৰূপত কথাৰ ছন্দৰে সজাই তুলিছে। কিতাপখনৰ প্ৰতিটো বাক্য সাৱলীলভাৱে সজোৱা। যাত্ৰা যিদৰে অবিৰাম গতিৰ ভ্ৰমণ, কিতাপখনত লিপিবদ্ধ কৰা প্ৰতিটো দৃশ্য, ঘটনাৱলী চুটি গল্পৰ অন্য এক বৈশিষ্টৰে ভৰা। লেখিকাৰ এই অভিনৱ বৰ্ণন পদ্ধতিয়ে কিতাপখনৰ সাহিত্যিক সৌন্দৰ্যক এক নতুন মাত্ৰা দিছে।

তদুপৰি অসমীয়া ভাষাৰ নান্দনিক প্ৰয়োগেৰে কিতাপখণৰ সুষমা বঢ়াইছে। প্ৰাপ্তবয়স্কৰ পৰা কণ কণ শিশুহঁতৰ বাবেও জানিবলগীয়া অনেক কথা কিতাপখনৰ পাতে পাতে লিপিবদ্ধ হৈছে।

'আঙুলি টোঁৱাই শিশুৱে পিষ্টলৰ ভাও ধৰাৰো অনুমতি নাই।' এয়া এটা নমুনাহে। এনে ধৰণৰ অনুশাসন আৰু নিয়মানুৱৰ্তিতাই দ্বীপ ৰাষ্ট্ৰখনত শান্তি আৰু প্ৰগতি বিৰাজ কৰিছে। দেশৰ নেতা অথবা প্ৰশাসনত থকা ব্যক্তিয়েও কিতাপখন পঢ়িলে অনেক পালন কৰিবলগীয়া কথা আৰু কামৰ বিষয়ে জানিব পাৰিব।

ছবিসমূহৰ লগতে মুঠ ১২০ পৃষ্ঠা প্ৰতিখিলা কাগজত খোদিত হৈছে নিউজিলেণ্ডৰ প্ৰাকৃতিক সৌন্দৰ্য, তাৰ মানুহৰ কঠোৰ শ্ৰম, সৰলতা, প্ৰকৃতিৰ বিৰল দান আৰু নিৰ্মল পৰিৱেশৰ বিষয়বস্তু।

**বিশ্ব-সাহিত্যৰ সমলয়**
**সম্পাদনা - অমল চন্দ্ৰ দাস**
**প্ৰকাশক - ষ্টুডেন্টছ ষ্ট'ৰছ**
**আলোচক - ৰামচন্দ্ৰ চুতীয়া (৯৪৩৫৪-৮৬১৯৩)**

গ্ৰন্থখন বিশেষকৈ গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ অসমীয়া স্নাতক আৰু স্নাতকোত্তৰ আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰয়োজনীয় পাঠ্যক্ৰমৰ আধাৰত প্ৰণীত বুলি সম্পাদক অমল চন্দ্ৰ দাসে কোৱাৰ্লে চাই সম্পাদিত গ্ৰন্থখনৰ লেখকসকলে সেই দৃষ্টিকোণৰ পৰাই বিষয়বোৰ বিশেষভাৱে গ্ৰহণ কৰিছে। ছাত্ৰসকলৰ উপৰি অসমীয়া সাহিত্যৰ আন আন পাঠকসকলেও বিশ্ব সাহিত্যৰ পৰিচয় পাবলৈ সক্ষম হব। সেই দিশৰ পৰা চালে সম্পাদকৰ পৰিকল্পনাৰ লগতে তেওঁক সহযোগ কৰা লেখকসকলো ধন্যবাদৰ পাত্ৰ। লেখকসকলৰ এজনৰ বাদে সকলোৱে কলেজ-বিশ্ববিদ্যালয়ৰ অভিজ্ঞ শিক্ষক। তেওঁলোকৰ ভিতৰত অৱসৰপ্ৰাপ্ত অভিজ্ঞ শিক্ষক উপেন্দ্ৰ নাথ শৰ্মা, ড° ৰবীন্দ্ৰনাথ দেৱশৰ্মা, ড° মদন শৰ্মা, ড° বিনীতা বৰা দেৱচৌধৰী, ড° নীলাক্ষি ফুকন বৰগোহাঁই, ড° গায়ত্ৰী বৰা কাকতি, ড° দেৱজিৎ দাস, অপূৰ্বজ্যোতি হাজৰিকা, ড° জিতু শইকীয়া, আব্দুৰ ৰৌফ, নন্দিনী চৌধৰী বড়া, অমল চন্দ্ৰ দাস, ড° চুলতান আলী আহমেদ, ৰমেন বৰুৱা, অজিত কুমাৰ বৰা, সদানন্দ বৰা, দিব্যজ্যোতি বৰা, ড° বিতোপন বড়া, ড° হাচনাহানা গগৈ, ড° নুৰজাহান বেগম আৰু সিদ্ধাৰ্থ গোস্বামী। গ্ৰন্থখনৰ আলোচ্য বিষয়সমূহ হ'ল, কবিতা জগতৰ শ্যেলী, কীটছ, ৰবাৰ্ট ব্ৰাউনিং, ৱৰ্ডছৱৰ্থ, টমাছ হাৰ্ডি, আলেকজেণ্ডাৰ ব্লক, উইলিয়াম বাটলাৰ য়েটছ, এলিয়েট, প্ৰডেৰিকো গৰ্চিয়া লৰ্কাৰ, কাউন্টি কালেন আৰু অচৰাল্ড কবিতাৰ বিষয়ে চমুকৈ আলোচনা কৰা

হৈছে। সেইদৰে নাটক সাহিত্যৰ সম্যক জ্ঞান দিবলৈ লেখকসকলে চেষ্টা কৰা বিষয়সমূহ হ'ল কালিদাসৰ অভিজ্ঞানম শকুন্তলম, ইবচেনৰ এ ডলছ হাউছ, ব্ৰেখটৰ জীৱন আৰু নাট্যকৃতি, ছেমুৱেল ব্ৰেখটৰ 'ৱেটিং ফৰ গডো' আৰ্থাৰ মিলাৰৰ 'ডেথ অব্ এ ছেলছমেন' আৰু শ্বেইক্সপীয়েৰৰ 'কিংলীয়েৰ'ৰ অসমীয়া অভিযোজনা অশ্ৰুতীৰ্থ। উপন্যাস সাহিত্যৰ পৰিচয় কৰোৱা প্ৰবন্ধসমূহ হ'ল–এমিলি ব্ৰন্টেৰ 'ৱাডাৰিং হাইটছ', আলবেয়াৰ ক্যামুৰ 'দ্য প্লেগ', ভাৰ্জিনীয়া উলফৰ 'মিছেছ ডালৱে', যোচেফ কনৰাদৰ 'হাৰ্ট অব্ ডাৰ্কনেছ', আৰ্নেষ্ট হেমিংৱেৰ 'দ্য অল্ড ম্যান এণ্ড চি' আৰ মহেন্দ্ৰ বৰাৰ অনূদিত 'আফক'ৰ্জ টে'ন'। গ্ৰন্থখনৰ শেষত চুটিগল্পৰ বিষয়ে লিখা প্ৰবন্ধসমূহ হৈছে, নিকোলাই গগলৰ গল্প, মোপাছাঁৰ গল্প, আন্তন ছেখভৰ গল্প, অ' হেনৰিৰ 'দি গিফট অব্ দ্য মাজাই', ডি এইচ লৰেন্সৰ 'দ্য লাষ্ট লাফ', এডগাৰ এৰেন প'ৰ 'দ্য কাস্ক অব্ এমনটিলেড' আৰু ফ্ৰানজ কাফকাৰ 'দ্য মেটামৰফছিছ'।

**দৈনিক অগ্ৰদূতঃ**

**(০৪/০৩/২০১৯)**

**কুমাৰ ভাস্কৰ বৰ্মা (বুৰঞ্জীমূলক নাটক)**

**লেখক - ডাঃ দীনেশ শৰ্মা**

**আলোচক - নবীন চন্দ্ৰ লহকৰ (৯৪৩৫০-৮৪৩০৮)**

অসম তথা ভাৰতবৰ্ষৰ ইতিহাসৰ বিভিন্ন ঘটনাৰাজিৰ ওপৰত ভিত্তি কৰি কে'বাখনো বুৰঞ্জীমূলক নাটক ৰচনা কৰি এগৰাকী যশস্বী নাট্যকাৰৰূপে পৰিচিত ডঃ দীনেশ শৰ্মা। ১৪টা দৃশ্য সম্বলিত তেওঁৰ এই নাটকখনত এসময়ৰ বৃহৎ কামৰূপ ৰাজ্য কিম্বা প্ৰাগজ্যোতিষৰ অধিপতি কুমাৰ ভাস্কৰ বৰ্মাৰ প্ৰজাবৎসলতা, সুপৰিকল্পিত যুদ্ধনীতি, বিচক্ষণতা, বীৰত্ব, কৰ্তব্যপৰায়ণতা, কনৌজৰ সম্ৰাট হৰ্ষবৰ্দ্ধনৰ স'তে মিত্ৰতা, চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ প্ৰতি তেওঁৰ যথোপযুক্ত সন্মান, হিউয়েন চাঙৰ মন্তব্য, গৌড় ৰাজ্যৰ ৰজা শশাংকৰ দাম্ভিকতা আৰু নিষ্ঠুৰতা ইত্যাদিকে ধৰি বিভিন্ন দিশৰ কথা প্ৰতিফলিত হৈছে। মাথোঁ ২১ বছৰ বয়সতে (৫৯৪ খ্ৰীষ্টাব্দত) সিংহাসনত অধিষ্ঠিত হোৱা কুমাৰ ভাস্কৰ বৰ্মাই মহামন্ত্ৰী আৰ্যগুণৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰি তেওঁৰ নানান দিহা-পৰামৰ্শ সাৰোগত কৰি আৰু নিজৰো চিন্তাশক্তি প্ৰয়োগ কৰি ৰাজকাৰ্য পৰিচালনা কৰিছিল। মহামন্ত্ৰী আৰ্যগুণক উদ্দ্যেশি ভাস্কৰ বৰ্মাই ষষ্ঠ দৃশ্যত কৈছে– 'ভাৰতবৰ্ষৰ পূৰ্বদিশত থকা মোৰ কামৰূপক ৰামৰাজ্য কৰাৰ সপোন দেখিছো। সত্যযুগত যদি প্ৰভু ৰামচন্দ্ৰই ৰামৰাজ্য প্ৰতিষ্ঠা কৰিব পাৰিছিল মইও এই যুগত মোৰ বৃহৎ কামৰূপ ৰাজ্যক ৰামৰাজ্যৰূপে প্ৰতিষ্ঠা কৰিম। হাঃ হাঃ হাঃ (উত্ৰাৱলৰ হাঁহি)।' মহাৰাজ ভাস্কৰ বৰ্মাৰ মুখৰ এই সংলাপখিনিয়ে তেওঁৰ প্ৰজাবৎসলতা তথা সুখী, সমৃদ্ধশালী ৰাজ্য গঢ়াৰ বাবে তেওঁৰ যি সপোন আছিল সেই কথা জলজল পটপটকৈ ফুটাই তুলিছে।

কুমাৰ ভাস্কৰ বৰ্মাৰ সৈন্যবাহিনীৰ হাতত গৌড়ৰ ৰজা শশাংক পৰাস্ত হোৱাত শশাংকই তেওঁৰ মন্ত্ৰী বল্লভৰ আগত কৈছে– হায় মহাকাল! কি যে মোৰ দুৰ্ভাগ্য! মাত্ৰ ২৪ বছৰীয়া এজন যুৱকৰ হাতৰ পৰা মই নিজ জন্মভূমিক ৰক্ষা কৰিব নোৱাৰিলো।

হোঃ বিচিত্ৰ দেশৰ বিক্ৰান্ত এক ৰজা কুমাৰ ভাস্কৰ! সচাঁকৈয়ে বল্লভ ৰায়। কুমাৰ ভাস্কৰৰ গাত বিয়াগোম হাতীৰ বল আছে, নৰক ভগদত্তৰ তেজ আছে।' (যুদ্ধৰ যন্ত্ৰ সংগীত উচ্চস্বৰত বাজি উঠিল।)

শশাংকৰ মুখত নাট্যকাৰে প্ৰক্ষেপ কৰা সংলাপখিনিয়ে কুমাৰ ভাস্কৰ বৰ্মাৰ অপৰিসীম বীৰত্বৰ কথা সুন্দৰভাৱে প্ৰস্ফুটিত কৰি তুলিছে।

কনৌজৰ মহাপৰাক্ৰমী সম্ৰাট হৰ্ষবৰ্ধনৰ স'তে মিত্ৰতা স্থাপন কৰিবৰ বাবে ভাস্কৰ বৰ্মাই হংসবেগক ৰাজদূতৰূপে পঠিয়াই অলেখ মূল্যবান সম্পদ হৰ্ষবৰ্ধনৰ বাবে উপহাৰস্বৰূপে প্ৰেৰণা কৰিছিল। সেই সম্পদবোৰৰ ভিতৰত ছত্ৰটি হাতত লৈ সম্ৰাট হৰ্ষবৰ্ধনে অত্যন্ত আচৰিত হৈ কৈছিল, 'অতীব সুন্দৰ বিচিত্ৰ । এইখনৰ কথা কওক হংসবেগ, ইচোন সোণৰ দৰে জিলিকি আছে হংসবেগ।'

হংসবেগঃ ই সোণৰ নহয় মহাৰাজ; বিশেষ এবিধ চৰ্মনিৰ্মিত এই ঢাল। কিন্তু বাস্তৱিকতে ই সোণৰ দৰে জিলিকি থাকে। দেশৰ মুখ্য সেনাপতিয়ে ল'বৰ বাবে প্ৰাগজ্যোতিষপুৰৰ কমাৰশালতে গঢ় দিয়া ই এখন বিশেষ চৰ্মৰেই নিৰ্মিত ঢাল আৰু এইখন সোণালী টঙালি। এই দুবিধ সামগ্ৰীক শত অস্ত্ৰৰ আঘাতেও বিনাশ কৰিব নোৱাৰে।'

সম্ৰাট হৰ্ষবৰ্ধন আৰু ৰাজদূত হংসবেগৰ এই সংলাপবোৰে কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বকালৰ শিল্পীসকলৰ কৰ্মনৈপুণ্যৰ কথা সুন্দৰভাৱে প্ৰকাশ কৰিছে গ্ৰন্থখনত।

মহাৰাজ কুমাৰ ভাস্কৰ বৰ্মা যুৱক হৈ থকা সময়তে প্ৰথম দৰ্শনতে প্ৰেমত পৰিছিল। মন্দিৰৰ এগৰাকী যৌৱনপুষ্টা ৰূপহী গাভৰুৰ। তেওঁ আছিল মন্দিৰৰ এগৰাকী দেৱদাসী, যাৰ নাম আছিল মালঞ্চ। নাট্যকাৰে মালঞ্চৰ ৰূপৰ বৰ্ণনা দিছে এনেদৰে- চকুহাল উজ্জ্বল- তিৰবিৰীয়া, হেঙুলীয়া ওঁঠ, কিচকিচীয়া তাইৰ চুলিটাৰি, সদ্যস্নাতা এগৰাকী গাভৰুৰ ৰূপ তাইৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰতিফলিত হোৱা দেখা গৈছে।

নাটকখনৰ বিভিন্ন দৃশ্যত ভাস্কৰ বৰ্মা আৰু মালঞ্চৰ অমৰ প্ৰেমৰ কাহিনী বৰ্ণিত হৈছে। অৱশ্যে ভাস্কৰ বৰ্মাৰ স'তে মালঞ্চৰ বিবাহ নহ'ল। ভাস্কৰ বৰ্মা চিৰকুমাৰ হৈ থাকিল। মাথোঁ ৫৬ বছৰ বয়সতে (খ্ৰীষ্টাব্দ ৬৫০) তেওঁৰ মহাপ্ৰয়াণ ঘটিছিল।

চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ স'তে অহা দোৱনীয় নামৰ এগৰাকী বৌদ্ধ ভিক্ষুৰ মুখত প্ৰক্ষেপ কৰা সংলাপত হিউৱেন চাঙে সেই সময়ৰ কামৰূপ ৰাজ্য আৰু মহাৰাজ কুমাৰ ভাস্কৰ বৰ্মাৰ বিষয়ে কি লিখি থৈ গৈছিল সেই কথা বৰ্ণিত হৈছে এনেদৰে-

'...দেশৰ পূব দিশে শাৰী শাৰী পাহাৰ। যিকোনো যাত্ৰাতে পৰ্বত নদীয়ে বৃহৎ বাধাৰ সৃষ্টি কৰে, দেশৰ দক্ষিণ-পূবত হাতীয়ে পাল পাতি ঘূৰি ফুৰে। এই হাতীবোৰ ৰজা-মহাৰজাসকলে ধৰি নি যুদ্ধৰ বাবে প্ৰশিক্ষণ দিয়ে। এই ৰাজ্যৰ ৰজাজন আৰ্য ধৰ্মৰ, জাতিত ব্ৰহ্মণ, অধ্যয়নৰ প্ৰতি অনুৰাগী আৰু এগৰাকী বিদ্যোৎসাহী।...'

নাট্যকাৰ ড° দীনেশ শৰ্মাই অসম তথা ভাৰতবৰ্ষৰ বুৰঞ্জী পুংখানুপুংখৰূপে অধ্যয়ন কৰি বিভিন্ন দিশ ভালদৰে হৃদয়ংগম কৰি বিভিন্ন ঘটনাৰাজিক নাটকীয় ৰূপত উপস্থাপন কৰি কুমাৰ ভাস্কৰ বৰ্মাৰ উপৰি 'ৰমণী গাভৰু', 'তেজে ধোৱা জালিয়ানৱালাবাগ' আদিকে ধৰি কে'বাখনো বুৰঞ্জীমূলক নাট ৰচনা কৰিছে।

গ্ৰন্থখনৰ শেষৰফালে 'কুমাৰ ভাস্কৰ বৰ্মাৰ নাট উপস্থাপন সম্পৰ্কত পৰিচালকলৈ আমাৰ গোহাৰি' শিৰোনামাত ড° শৰ্মাই লিখিছে- 'বুৰঞ্জীমূলক নাটক ৰচনাৰ মুখ্য উদ্দেশ্য হ'ল সেই সময়ৰ সৰ্বভাৰতীয় ৰজাসকলৰ মাজত কামৰূপ বা প্ৰাচীন অসমত ৰাজত্ব কৰা মহাৰাজ কুমাৰ ভাস্কৰ যে এগৰাকী ক্ষমতাশালী নৃপতি আছিল তাক আজিৰ প্ৰজন্মৰ মাজত প্ৰচাৰ কৰা। অসমৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসে কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত সৰ্বভাৰতীয় পৰিচয় লাভ কৰাৰ উপৰি চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ ভ্ৰমণৰ জৰিয়তে চীন দেশ পৰ্যন্ত পূৰ্ব ভাৰতৰ ৰাজনৈতিক, আৰ্থ-সামাজিক কথাবোৰ বিয়পাব পাৰিছিল।...'

**(১১/০৩/২০১৯)**
**Satyagrahi**
**লেখক - চিদানন্দ শইকীয়া**
**অনুবাদ - ড° বিভা বৰা**
**প্ৰকাশক- হেমচন্দ্ৰ পাণিকা**
**মূল্য- ২৫০.০০ টকা**
**আলোচক- ৰামচন্দ্ৰ চুতীয়া (৭০৮৬২-১৭৪২৫)**

চিদানন্দ শইকীয়া সৰুৰে পৰাই সমাজ উত্তৰণৰ পথত থাকি নানান সামাজিক কৰ্ম কৰি থৈ গৈছে। অসমৰ কমিউনিষ্ট দলৰ এজন প্ৰতিষ্ঠাপক সভ্য হিচাপেও তেওঁ একালত নিঃস্বাৰ্থ কাম কৰিছিল। শিক্ষাবিদ, সমাজকৰ্মী, সাহিত্যিক চিদানন্দ শইকীয়াই 'ছোভিয়েট লেণ্ড নেহৰু এৱাৰ্ড' লাভ কৰি তেওঁৰ কৰ্মৰ স্বীকৃতি লাভ কৰিছিল। তেওঁৰ লিখনিত বোকাখাট আৰু গোলাঘাটৰ হুবহু ইতিহাস বিচাৰি পোৱা যায়। তেওঁ নিজেও জীৱনৰ নানান অভিজ্ঞতাৰে পুষ্ট হোৱা এজন ঐতিহাসিক ব্যক্তি। তেওঁৰে জীৱনৰ শেষৰখন মূল্যবান গ্ৰন্থ হ'ল– 'সত্যাগ্ৰহী'। 'সত্যাগ্ৰহী' এখন কেৱল উপন্যাসেই নহয়, ই এখন স্বাধীনতা সংগ্ৰাম আৰু পৰিৱৰ্তনশীল সমাজৰ জীৱন্ত ইতিহাস। সেই ইতিহাসৰ নায়ক অমলে সমগ্ৰ জীৱনজুৰি অজস্ৰ মানুহৰ সংগত থাকি দেশৰ মংগলৰ অৰ্থে কাম কৰি জীৱনৰ শেষত উপনীত হৈ অনুভৱ কৰিছে কালে মানুহক কেনেকৈ ইমান নিষ্ঠুৰ আৰু অকৃতজ্ঞ কৰি গঢ়িব পাৰে। যাৰ বাবে জীৱনৰ আন নাম কেৱল সমাজ সেৱা দেশৰ মংগল সাধন কৰা, সেই বিজ্ঞ পুৰুষজনৰ নিজৰ সমাজৰে পেটুকণা ল'ৰাই বিদ্ৰুপ কৰি ঘোৰ অপমান কৰে। সেই অপমানৰ অসহ্য বেদনাত ছাটিফুটি কৰি তেওঁ জীৱনৰ অন্তিম বেলা ক্লান্ত-অৱশ দেহাৰে এটি বৰগীত গাই শেষ নিশ্বাস ত্যাগ কৰিছে।

উপন্যাসৰ লেখক চিদানন্দ শইকীয়া, তেওঁ এজন নিজে কৰ্মবীৰ আৰু অসমীয়া সাহিত্য জগতৰ এটি পৰিচিত নাম। 'ৰঙা সবুজৰ ৰেঙণৰ', 'জীয়াঢল বাগৰি যায়', 'ভূলৰ পৰিণতি', 'জুয়ে পোৱা সোণ'কে ধৰি কে'বাখনো উপন্যাস লেখি অসমীয়া সাহিত্য জগত চহকী কৰি থৈ গৈছে। এই উপন্যাসসমূহৰ উপৰি বিভিন্ন কাকতে-পত্ৰে লিখা-মেলা কৰি 'ছোভিয়েট নাৰী', 'জীৱনী দিপীকা', 'সীমান্ত গান্ধী; 'মহৰ্ষি কাৰ্লমাৰ্ক্স' আদি ভালেমান মূল্যবান গ্ৰন্থও লিখি সুলেখক হিচাপে পৰিচয় দি থৈ গৈছে।

**কবিতা, ছবি আৰু স্কেচ্চ**
**লেখক - গৌৰী বৰ্মন**
**প্ৰকাশক - সাহিত্যৰত্ন প্ৰকাশন**
**মূল্য - ৫০০.০০ টকা**

এখনি অভিনৱ 'কবিতা, ছবি আৰু স্কেচ্ছ'ৰ সংকলন, কবি আৰু চিত্ৰ শিল্পী গৌৰী বৰ্মনৰ। তেওঁ এগৰাকী কবি অথবা চিত্ৰ শিল্পীয়েই কেৱল নহয়; গৌৰী বৰ্মন এগৰাকী চিনেমাৰ পৰিচালক, গল্পকাৰ, ঔপন্যাসিক, প্ৰৱন্ধকাৰ আৰু সৰ্বোপৰি পেইন্টাৰ। তেওঁৰ ৮৫ বছৰীয়া শুভ জন্মজয়ন্তী উপলক্ষে মুকলি কৰা হৈছে এটি ছবিৰ আৰ্কাইভ আৰু উন্মোচন কৰা হৈছে 'কবিতা, ছবি আৰু স্কেচ্চ'ৰ ১৪৫ পৃষ্ঠাৰ সংকলনটি। অসমীয়া গ্ৰন্থ এখনৰ দাম ৫০০ টকা বুলি শুনিলে নিশ্চয় বহু বেছি যেন লাগে, কিন্তু সংকলনটি হাতত লৈ চকু ফুৰালে অনুভৱ হয় যেন দাম বেছি হোৱা যেন লাগিলেও মূল্য বহু বেছি। কিয়নো প্ৰতিটো কবিতাৰ মুখামুখি পৃষ্ঠাত গৌৰী বৰ্মনৰ দৰে প্ৰখ্যাত শিল্পীৰ দ্বাৰা অংকিত পুথিখনত ৭০টকাতকৈও বেছি পূৰ্ণ পৃষ্ঠাৰ ছবি বা স্কেচ্চ আছে। সেয়াও ৰঙীণ। সেয়েহে সংকলনটো হাতত ল'লেই প্ৰকৃতাৰ্থত দেহ-মন জুৰ পৰি যায়।

তেওঁ কিয়নো কবিতা লিখবলৈ ল'লে সেই বিষয়ে ককয়াত জন্মগ্ৰহণ কৰা এগৰাকী প্ৰখ্যাত মুক্তিযোদ্ধা তথা আইনজীৱীৰ পুত্ৰ গৌৰী বৰ্মনে লিখিছে –

বালি পথাৰত থাকোঁতে
সৰুতে কবিতাই পালে মোক
কেনেকৈ কোন বাটে আহিল নাজানো
নলবাৰীৰ পৰা অহা লোকেল বোৰ্ডৰ ৰাস্তাৰে
নে গৰু গাড়ী চলা বেলশৰৰ সৰু বাটেৰে?
বাৰিষাৰ বৰলুইতৰ পাৰ ভঙা বানপানীত
পশ্চিমৰ পৰা চলা নাঁৱেৰে
সৰ্থেবাৰীৰ কাঁহ-পিতলৰ বাচনৰ বাৰ্তা লৈ আহিল নেকি?
তেতিয়াৰ দিনত ৰাস্তাটো যে ইয়াতেই শেষ
ইয়াৰ পাছত কেৱল খৰালিৰ পথৰুৱা বাট
শৰতৰ শুভ্ৰ মেঘৰ কোলাত উঠি
আহিল নেকি কবিতাৰ ছন্দোময় শব্দমালা?

**বিশ্বায়নৰ বিভ্ৰাট**
**লেখক - আবু চুবিয়ান**
**প্ৰকাশক - কে এম পাব্লিছিংে**
**আলোচক - নিমানন্দ দাস (৯০৮৫১-৭৫৬২৬)**

আৰক্ষী সেৱা এনে এটা চাকৰি য'ত ভাল-বেয়া, সৎ-অসৎ, দাগী-অপৰাধীৰ শেণীভুক্ত কৰিব পৰা সকলো শেণীৰ মানুহ ওচৰৰ পৰা লগ পোৱা যায়। তেওঁলোকৰ সমস্যা, তেওঁলোকৰ মানসিকতাৰ তলা-নলা বুজা যাৎ। লিখা-মেলাত দখল থকা এনে আৰক্ষী লোকে যেতিয়া সাহিত্য ৰচনা কৰে, সেয়া ব্যতিক্ৰমী হয়, পঢ়িবলৈ ৰসাল হয়। সেয়ে অসমীয়া সাহিত্য জগতত কে'বাগৰাকী আৰক্ষী বিষয়াক দক্ষ কবি, গল্পকাৰ, প্ৰৱন্ধিক, নাট্যকাৰ, ঔপন্যাসিক ৰূপত পাইছো। তাৰ মাজত হৰেকৃষ্ণ ডেকা, কুল শইকীয়া, দিলীপ বৰা, ডং নন্দ সিং বৰকলা, শ্যামল শইকীয়া, নিত্যা দত্ত, প্ৰফুল্ল বৰ্মন, আবু চুফিয়ান অন্যতম। গল্প, কবিতা আৰু একাংকিকা নাটক লিখা আবু চুফিয়ানে ৰম্য ৰচনা আৰু বিভিন্ন বিষয়ত বিশেষকৈ ভাষা, সমাজ-সংস্কৃতি, সাহিত্য- নাটক আদিৰ উপৰি আজিৰ বিশ্বায়নৰ গ্ৰাসত পৰা সমাজৰ ইতিবাচক দিশ, যুৱ প্ৰজন্মৰ মানসিকতা আদি নানা বিষয়ত অভিজ্ঞতাৰ ভিত্তিত বহু চিন্তাশীল প্ৰবন্ধ ৰচনা কৰি আহিছে আৰু তাৰ কিছু সংখ্যক নানা কাকত-আলোচনীত প্ৰকাশ পাইছে। তেওঁৰ ব্যতিক্ৰমী চিন্তাৰে, অগতানুগতিক কথনশৈলীত লিখা এটা গল্প আৰু এখন আত্মজীৱনীমূলক ৰচনাৰ লগতে ২৮টা প্ৰৱন্ধৰ সুন্দৰ ছপাবন্ধাৰে প্ৰকাশিত কৰা হৈছে। 'বিশ্বায়নৰ বিভ্ৰাট' শীৰ্ষক দ্বিতীয়খন প্ৰবন্ধ গ্ৰন্থ।

চুটি চুটি বাক্যৰ ক'ৰবাত বক্ৰোক্তি, ব্যংগোক্তি ক'ৰবাত গহীনভাৱে ৰচনা কৰা প্ৰৱন্ধ 'বিশ্বায়নৰ বিভ্ৰাট'ত সন্নিৱিষ্ট হৈছে। বিশ্বায়নৰ প্ৰভাৱ আৰু আমাৰ নৱপ্ৰজন্মৰ, বিশ্বায়ন আৰু ভাষা-সংস্কৃতিৰ সংকট, ভ্ৰাম্যমাণৰ মঞ্চত, সম্বৰ্ধনা আতিশয্য, প্ৰাঃভ্ৰমণৰ বিভিন্ন চিন্তা, ভাৰসাম্যহীন পৰিৱেশ, বিপজ্জনক মধ্যভোগী, পেটুৱা পুলিচ, নলবাৰী ৰাস মহোৎসৱ, বিহু নাথাকিলে জাতিটো কি হ'ব, অনন্য ভুপেনদা, কুকুৰৰ মূৰত টুপী, আধুনিক ভিক্ষাৰী, বিহুৰ বতৰত বাজনা গান, গৰু গাড়ীতকৈ যমদূতেই ভাল, নগেনদাৰ ফেচবুক পুৰাণ মোৰ শৈশৱ, কৈশোৰ আৰু জীৱন সংগ্ৰাম আদি চিত্তাকৰ্ষক তথা বিতৰ্কিত প্ৰৱন্ধ সংকলনটিত সন্নিৱিষ্ট হৈছে।

চৰকাৰী চাকৰিৰ সীমাবদ্ধতাৰ মাজতো সমাজ তথা ব্যক্তিৰ নানা বিসংগতি বিষয়ত তেওঁৰ বক্তব্য, মতামত তথা সমালোচনা যথেষ্ট সাহসিক তথা নিৰ্ভীক। সুদীৰ্ঘ চাকৰি জীৱনত তেওঁ যিদৰে সততা নিষ্ঠা দেখুৱাইছে, সেইদৰে সাহিত্য ৰচনাতো সমাজত দায়বদ্ধতা তথা সমাজত চেতনাৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ ‘বিশ্বয়ানৰ বিভ্ৰাট’ গ্ৰন্থখন আলোচনা কৰি লেখকে, অধ্যাপক ড° অখিল ৰঞ্জন দত্তই কৈছে– আৰু চুফিয়ানে তেওঁৰ লেখাবোৰত কোনো তত্ব জাপি দিয়া নাই অথবা কোনো এটা বিষয়ৰ আলোচনাত ইতিমধ্যে প্ৰচলিত বিতৰ্কসমূহ অৱতাৰণা কৰা নাই। তাৰ পৰিৱৰ্তে বাস্তৱ জীৱনত সন্মুখীন হোৱা বিভিন্ন সমস্যাক স্বকীয় দৃষ্টিভংগীৰে তুলি ধৰিছে আৰু কেতবোৰ মানৱীয় প্ৰমূল্য আধাৰত তাক বিশ্লেষণ আৰু বিচাৰ কৰিছে। লেখকৰ এক স্বকীয় কথনশৈলী আছে, যাৰ বাবে প্ৰতিটো বিষয়ৰ ভিতৰলৈ সোমাই যাওঁতে তেওঁ উজুতি খোৱাই। তাৰ বিপৰীতে এই কথনশৈলীৰে লেখকে পাঠক এজনক তেওঁ উপস্থাপন কৰা বিষয়টোৰ মাজলৈ আদৰি নিছে আৰু বিষয়বস্তুৰ স’তে চিনাকি কৰি দিছে। পাঠকক লেখকে বিষয় এটা বিচাৰৰ দায়িত্ব এৰি দিছে। তেওঁ আৰু এটা সাহসিক ভূমিকা পালন কৰিছে। নিজে ইছলামধৰ্মী হৈ মাদ্ৰাছ শিক্ষা ব্যৱস্থাৰ কেৰোণসমূহত আলোকপাত কৰিছে আৰু দুই–এখন মাদ্ৰছাক কেন্দ্ৰ কৰি সংঘটিত সত্য ঘটনাৰ আধাৰত মৌলবাদী– সন্ত্ৰাসবাদী ধ্যান–ধাৰণা গঢ়ি উঠা ভয়ংকৰ প্ৰৱণতাকো সাৱধানবাণী শুনাইছে। তদুপৰি ‘আধুনিক ভিক্ষাৰী’ শীৰ্ষক এক প্ৰবন্ধত ধৰ্মীয় নিয়ম–নীতিৰ সুবিধা লৈ গঢ়ি উঠা ভিক্ষা জাতীয় চান্দা সংস্কৃতিৰে জীৱিকা নিৰ্বাহ কৰা এচাম সুবিধাবাদী ইছলাম ধৰ্মীয় লোকৰ প্ৰবৃত্তিকো সমালোচনা কৰিছে।

**কল্পনাৰ চিন্তামনি**
**লেখিকা - কল্পনা বৰা**
**আলোচক - ৰাপ্না পালক**

কবিতৰ ৰূপ-ছায়া’ত কৰবী ডেকা হাজৰিকাই কৈছে ‘কবিৰ হৃদয়ত দোলা দিয়া বিশেষ অনুভূতিয়ে যেতিয়া ছন্দৰীতিৰে সজ্জিত হৈ প্ৰকাশৰ বাট বিচাৰে তেতিয়াই কবিতাৰ জন্ম হয়। ইয়াত থাকিব লাগিব উপযুক্ত শব্দৰ উপযুক্ত বিন্যাস, শব্দবোৰে দিব লাগিব শ্ৰৱণৰ তৃপ্তি, প্ৰতিটো শব্দৰ আঁৰত থাকিব লাগিব কল্পনা আৰু আৱেগৰ উম।’ কল্পনা বৰাৰ শেহতীয়া কবিতা পুথি ‘কবিতাৰ চিন্তামণি’ত দেখিবলৈ পোৱা গৈছে উল্লিখিত বৈশিষ্ট্যৰাজি। প্ৰথম কথা শ্ৰীমতী বৰাৰ কবিতাসমূহ ফুল আলসুৱা। সহজে পাঠকক আকৰ্ষণ কৰিব পাৰে। দ্বিতীয়তে কবিৰ কবিতাসমুহ ব্যক্তিকেন্দ্ৰিক। ব্যক্তিগত সুখ–দুখ, হাঁহি–কান্দোনৰ ছবি তেওঁ অৱলোকন কৰিছে কবিতাৰ শাৰীত। কৰবী ডেকা হাজৰিকাৰ ভাষাৰে ‘নিৰাশ আৰু যন্ত্ৰণাৰ কিছুমান অনুভৱ যেতিয়া পাঠকৰ নিজৰ অনুভৱ যেন লাগি যায়, তেতিয়া সমবেদনাৰ মনোভাৱ এটাই কবিতাবোৰ পাঠকৰ নিজা সম্পত্তি কৰি তোলে।’ ‘দুচকুত বৰষা নামে/অতীতে আগচি ধৰে/ বুকুত শাওণৰ/মাদল বাজে/ৰিঙা ৰিঙা বুকু উদং লাগে’ পাহৰণি ভাল লাগে শীৰ্ষক কবিতাৰ পংক্তি এয়া। তেনেকৈ ‘তোমাৰ দুখবোৰ/ উশাহত চুহি থম’...ধৰিব পাৰি কবি দৰদী হিয়াৰ অধিকাৰী। বিশেষ সন্মোহিনী শক্তিয়ে টানি ধৰাৰ থল। য’ত পাঠকৰ বাবে থাকি যায় সুৰীয়া ভাব এটা। য’ত কবিতাসমূহ গীত কবিতাৰ শাৰীলৈ উত্তীৰ্ণ হৈছে।

শব্দৰ দুৰুহতায় পাঠকক বিভ্ৰান্তিত পেলায়। সেই অসুবিধা শ্ৰীমতী বৰাৰ কবিতাত একেবাৰে নাই বুলিয়ে ক’ব পাৰি। ‘জীৱন জী লওঁ’, ‘মোৰ শৈশৱলৈ’, ‘প্ৰাৰ্থনাৰ আকাশী গংগা’, ‘জোন হেৰুৱা নিশা আদিকে ধৰি আটাইবোৰ কবিতাৰ শাৰীত আছে সৰলতাৰ আস্বাদন। আবেগ য’ত মুখ্য। বিষয়বস্তু স্পষ্ট। মুখ্য কেৱল কবিৰ হৃদয়। য’ৰ পৰা নিগৰিত হৈছে ভাব। কবিৰ হৃদয়লৈ যেন প্ৰতিজন পাঠকেই সহজে প্ৰৱেশ কৰিব পাৰে। উন্মুক্ত হৈ পৰিছে কবিৰ বুকু। পাঠকে নিজকে এটি কবিতাৰ ৰূপত সেই বুকুত আৱিষ্কাৰ কৰিব। ইয়াতকৈ কবিক কি প্ৰাপ্তি লাগে! শ্ৰীমতী বৰাৰ কবিতাই কৈ যায় এই হিয়াৰ বতৰা সাৰ্বজনীন আবেদন।

কবিতাই জীৱনৰ সত্যৰ উপাসনা কৰে। কল্পনা বৰাৰ কবিতাত এই সত্য উদ্ভাসিত হৈছে 'মিছা অহংকাৰ', 'প্ৰতাৰণা নে বিশ্বাসঘাটকতা', 'ক্লান্ত জোনাক' আদি কবিতাত। কবিতাৰ এই সৌন্দৰ্যই কবিৰ প্ৰাঞ্জল মনৰ ইংগিত দিছে। সত্যৰ সুন্দৰতা প্ৰকটিত কৰিছে।

গ্ৰাম্যজীৱনৰ সহজ-সৰল ছবি এখন ফুটি উঠিছে কবিৰ 'বন্ধু' নামৰ কবিতাটোত। টাংগুটি, ছেংগুটি, বৌ গুদু, মাৰ্বল আদি খেল, কৃষ্ণ নৃত্যৰ দ্বাৰা অসমৰ সংস্কৃতি ৰাস মহোৎসৱৰ কথা বৰ্ণিত হৈছে। 'সাত দশক গৰকি' কবিতাত বৰ্ণিত হৈছে শাওণৰ পথাৰ, ঠেলাগাড়ী, গৰাখহনীয়া ধৰি কেঁচা মাটিৰ সুবাসিত শব্দ।

বিপ্লৱী চেতনা এটিও কবিৰ কবিতাত ফুটি উঠিছে। 'স্বাধীনতা নহয় তোমাৰ নাম' কবিতাত হত্যা-হিংসাৰে পৃথিৱী কলুষিত কৰাৰ পৰিণাম কি সেয়া বৰ্ণাইছে। মানুহৰ সুস্থ পৰিৱেশ এটাৰ ইংগিত কৰিছে এই কবিতাই।

বস্তুনিষ্ঠ কবিতাৰ চিত্ৰপট কবিৰ কবিতাত দেখিবলৈ পোৱা নগ'ল। প্ৰতীকধৰ্মীতাৰ পৰা কবি আঁতৰি থাকিলেও সমাজৰ ছবি, আশা-নিৰাশাৰ প্ৰতিফলন, জীৱন মমতা আদি উপজীব্য লৈ প্ৰকাশিত কল্পনা বৰাৰ 'কল্পনাৰ চিন্তামণি' এখন মন পৰশা কবিতা পুথি।

**(১৮/০৩/২০১৯)**
**অমৃত সন্ধান**
**লেখক - বিপ্লৱ কুমাৰ কোচ**
**প্ৰকাশক - সংস্কৃতি কল্যাণ কেন্দ্ৰ**
**মূল্য - ৫৫.০০ টকা**

লেখকে অধ্যয়নৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাৰ সমাহাৰ এই গ্ৰন্থখন। যতীন্দ্ৰ নাথ ফুকনে এই পুথিৰ সন্দৰ্ভত এনেদৰে অভিমত দাঙি ধৰিছে, 'বিপ্লৱ কুমাৰ কোচৰ এই গ্ৰন্থখন স্বৰূপাৰ্থত এখন নৈতিক জ্ঞানৰ পুথি।' লেখকে এই উপদেশাৱলীসমূহক অমৃত বৃক্ষৰ গুটি বুলি অভিহিত কৰিছে আৰু সকলোকে নিজৰ গৰলখিনি ত্যাগ কৰি অমৃত বৃক্ষৰ গুটি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেনেদৰে আধুনিক যুগতো বুদ্ধ, গান্ধী, পৰম হংস আৰু আন আন মনিষীসকলে এই অমৃত সন্ধান দি গৈছে। এই অমৃত পান কৰিলে মানুহৰ মোহ ভাঙে, মানুহে সৎ আদৰ্শত অনুপ্ৰাণিত হয়।

**উপপথ**
**লেখক - বিপ্লৱ কুমাৰ কোচ**
**প্ৰকাশক - সংস্কৃতি কল্যাণ কেন্দ্ৰ**
**মূল্য - ৫৫.০০ টকা**

জীৱনটোক শৃংখলিতভাৱে আগবঢ়াই নিয়াৰ বাবে ভালেমান তথ্যসমৃদ্ধ পুথি আমাৰ সমাজে সন্মুখীন হোৱা সমস্যাসমূহৰ সন্দৰ্ভত লেখকে সমাধানৰ পৰামৰ্শ আগবঢ়াইছে। সমূহীয়া প্ৰচেষ্টাৰ মাধ্যমতহে লক্ষ্যত উপনীত হ'ব বুলি লেখকে কৈছে।

**সোণালী দেশৰ কাহিনী**
**লেখক - বিপ্লৱ কুমাৰ কোচ**
**প্ৰকাশক - সংস্কৃতি কল্যাণ কেন্দ্ৰ**
**মূল্য - ৫৫.০০ টকা**

এখন বিচিত্ৰ সমাজৰ ছবি পুথিখনত দাঙি ধৰা হৈছে। লেখকে পাতনিত এনেদৰে উল্লেখ কৰিছে, ‘আমি অলীক কল্পনাৰ আশ্ৰয় নোলোৱাকৈ সোণালী দেশৰ কাহিনীৰ যোগেদি এক বাস্তৱ জীৱনৰ খলা-বমাখিনি পৰিচিত কৰি দিয়াৰ প্ৰয়াস কৰিছো। আশ কৰো সচেতন আৰু সদাশয় ৰাইজে অবাঞ্ছিত খলা-বমাবোৰ মাটি-বালিৰে উপচাই এক সুন্দৰ পথ নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহিব।’

**হৃদয়ৰ অনুৰণন**
**লেখক - ৰমণী মোহন কলিতা**
**প্ৰকাশক - ভীকি পাব্লিচাৰ্ছ**
**মূল্য - ১০০.০০ টকা**

‘বোপাই ঐ আজিচোন আহিছে
ঘনেপ্ৰতি মোৰ মন আকাশত ভাঁহি
তোৰেই সোণামুৱা চান্দ মুখখনি
ভ্ৰমিছে সোণালী পাখি মেলি
অহৰ্নিশে নয়নভৰা আকাশত
তোৰ সেই লৰা’লিৰ নিষ্পাপ ছবিখনি
দেখুৱাব বুলি এদিন নেদেখা চহৰখনি
আনিলি ভুলুৱাই ছলাহী কথাকে কৈ
জিৰণি ল’বলৈ দি ফুটপাথতে মোক
শীঘ্ৰে আহিম বুলি কৈ নাহিলি দুনাই ঘুৰি
কোন স’তে হলি বাৰু ইমান শতৰু
পৰি ৰ’লো ভিক্ষাৰী হৈ আলিৰ দাঁতিত’

এনেদৰে হৃদয়ত আলোড়নৰ সৃষ্টি কৰা মনোৰম কবিতাৰ সংকলন। পুথিখনৰ আগকথা লিখিছে আনিছ উজ জামানে।

**(২৫/০৩/২০১৯)**
**ভৌগলিক আৰু সংস্কৃতিক পটভূমিত - ব্ৰহ্মপুত্ৰ সভ্যতা**
**লেখক - যতীন গোস্বামী**
**প্ৰকাশক - নয়নমনি কলিতা, ইউনিয়ন বুক পাব্লিকেছন**
**মূল্য - ১৫০.০০ টকা**
**আলোচক - প্ৰমোদ কাকতি (৯৪৩৫৫-৫৮০১৩)**

অসমীয়া ছাত্ৰই অধ্যয়ন-উচ্চ শিক্ষা আহৰণৰ অৰ্থে পুনে-বাংগালুৰুলৈ যাওক, অসমীয়া লোকে বিভিন্ন কৰ্মসূত্ৰে দিল্লী-চেন্নাইত বসবাস কৰক, অসমীয়া লেখক-সাংবাদিক-গৱেষকে চণ্ডীগড়-হাইদৰাবাদৰ কোনো আলোচনাচক্ৰত অংশগ্ৰহণ কৰক সকলোৱে দুখেৰে অনুভৱ কৰিব যে সেই সেই স্থানৰ লগতে উত্তৰ-দক্ষিণ-পশ্চিম দিশৰ সাধাৰণ মানুহৰ কথাই নালাগে, আনকি বিজ্ঞ-পণ্ডিত সমাজেও অসম আৰু পূৰ্বাঞ্চল সম্পৰ্কে অধ্যয়ন নকৰাকৈ অসমখনৰ বিষয়ে নানা মন্তব্য কৰে।

মহাভাৰতত ব্যাসদেৱে কুৰুক্ষেত্ৰ যুদ্ধত অসমৰ ৰজা বীৰ ভগদত্তই হাতীৰ পিঠিত উঠি যুদ্ধ কৰাৰ কথা, কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনৰ ৰজাসভা শুৱনি কৰাৰ কথা, আনকি হিউৱেন চাং-ফাহিয়ানৰ অসম ভ্ৰমণৰ বিৱৰণীত অসম-অসমীয়াৰ শৌৰ্য-বীৰ্য-গৰিমাৰ কথা ভাৰতৰ অন্য প্ৰান্তৰ বিদ্বৎ সমাজে স্মৰণ নকৰে। ভাৰতবৰ্ষৰ আন ঠাইৰ ভূতাত্বিক-নৃতাত্বিক ইতিহাসবিদ, ভাস্কৰ্য-স্থাপত্যবিদ আৰু সভ্যতা-সংস্কৃতিৰ গৱেষক-বিশাৰদে সিন্ধু সভ্যতা, গংগা-যমুনা সভ্যতা, কাবেৰী আৰু গোদাবৰী সভ্যতাৰ কথা দাক্ষিণাত্যৰ উল্লেখসহ কোৱা আৰু বিস্তাৰিতকৈ লেখাহে দৃষ্টিগোচৰ হয়। সেই পণ্ডিতমণ্ডলীয়ে ভাৰতবৰ্ষৰ ভিতৰতে সৰ্ববৃহৎ নদ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দুয়োপাৰে গঢ়ি উঠা ঐতিহ্যমণ্ডিত সভ্যতাৰ বিষয়ে কোৱা বা উল্লেখ কৰা দেখা নাযায়।

অসমৰ এগৰাকী প্ৰবীণ সাহিত্যিক, আগশাৰীৰ গৱেষক, স্থাপতি-ভাস্কৰ্যৰ ক্ষেত্ৰ অধ্যয়নকাৰী, পাঠ সমীক্ষক আৰু অসমৰ সভ্যতা আৰু সংস্কৃতিৰ সচেতক হিচাপে খ্যাত যতীন গোস্বামীৰ উপৰোল্লিখিত বাস্তৱ সত্যৰ স'তে সম্পৃক্ত আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি, আলোচনাচক্ৰ আদিত অংশগ্ৰহণ কৰি সেইসকল পণ্ডিতৰ ভ্ৰান্ত ধাৰণা লৈ থকা অন্ধ চকু মেল খুৱাবলৈ স'ততে সংগ্ৰাম কৰি আহিছে।

তাৰেই ফলশ্ৰুতিত বিস্তৰ অধ্যয়ন কৰি ভূগোল, ইতিহাস, সভ্যতা, সংস্কৃতি, ভাষা, মাত-কথা বেদ-পুৰাণ, সংহিতা মনুস্মৃতি, ব্ৰহ্মপুত্ৰ আদিৰ তথ্যৰ আলোচনা-সমালোচনাৰ উল্লেখসহ ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ নৃতাত্বিক, সামাজিক-ভৌগলিক আদি দিশৰ স'তে অসম আৰু ইয়াৰ অৱস্থিতিৰ কেনে নিবিড় সাদৃশ্যৰ সমন্বয় ঘটিছে সেই বিষয়ে অৱতাৰণা কৰি অসমৰ কৃষি, ব্যৱসায়-বাণিজ্য, জনগোষ্ঠীসমূহৰ জীৱন ধাৰণাৰ পদ্ধতি, ব্ৰহ্মপুত্ৰ সভ্যতাৰ বিভিন্ন দিশ আৰু অঞ্চলটোৰ কৃষি-সংস্কৃতিৰ আলেখ-লেখ যুগুতাই তথ্য সমৃদ্ধ আৰু মূল্যবান গ্ৰন্থখন লিখিছে। অতিকৈ কষ্টসাধ্য আৰু প্ৰধান্য তথ্যৰ বুলি আনে হাত নিদিয়া সুকঠিন বিষয় প্ৰয়োজনৰ তাগিদাত হাতত লৈ গোস্বামীয়ে বিষয়টো সম্পৰ্কত কেৱল অসমৰ ৰাইজকে অকথিত কথাৰ সন্ধান দিছে সেয়া নহয়, অসম সম্পৰ্কে ভাৰতীয় পণ্ডিত সমাজলৈও আপৰুগীয়া তথ্য যোগান ধৰিছে। গোস্বামীৰ অধ্যয়নৰ পৰিধি বিশাল, জ্ঞানৰ গভীৰতা পৰিস্ফুট, বিষয় নিৰ্বাচন আৰু উপস্থাপন ৰীতি কৌশলী। পৰিশিষ্টৰ উপৰি চাৰিটা অধ্যায়ত সামৰি লিখা হৈছে।

**হিড়িম্বা**
**লেখক - ড° দেবেনচন্দ্র দাস ‘সুদামা’**
**প্ৰকাশক - প্ৰতিভা প্ৰতিষ্ঠান (হিন্দী সংস্কৰণ),**
**অসম প্ৰকাশন ভাৰতী (অসমীয়া সংস্কৰণ)**
**আলোচক - অতুল মজুমদাৰ**

হিড়িম্বা মহাকাব্য মহাভাৰতৰ এটা উপেক্ষৰত চৰিত্ৰ। ৰাক্ষসিনী হোৱা বাবেই হয়তো চৰিত্ৰটি অস্পৃশ্য। চৰিত্ৰটি ভাৰতৰ কোন অংশৰ বাসিন্দা আছিল সেই সম্পৰ্কেও ক’তো স্পষ্টভাৱে উল্লেখ নাই। উত্তৰ-পূৰ্বাঞ্চল বাসীসকলে হিড়িম্বা নগালেণ্ডৰ ডিমাপুৰৰ বাসিন্দা আছিল বুলি ভাবে। অৱশ্যে হেমাচলবাসীয়ে হিড়িম্বাক সেই অঞ্চলৰ আছিল বুলি বিশ্বাস কৰে। সেই বিশ্বাসৰ আধাৰতে মানালিত হিড়িম্বা মন্দিৰ প্ৰতিষ্ঠা কৰি দেৱীৰূপে পূজা কৰে যদিও ভাৰতৰ মানুহে আজিও হিড়িম্বাক নীচ ৰাক্ষসিনী বুলিয়ে বিশ্বাস কৰে।

মহাকাব্য মহাভাৰতৰ উপেক্ষিত চৰিত্ৰ হিড়িম্বাৰ স্থায়ী স্থিতি উত্তৰ-পূৰ্বাঞ্চল বুলি প্ৰতিপন্ন কৰি অসমীয়া আৰু হিন্দী ভাষাৰ এজন বিশিষ্ট গৱেষক-সাহিত্যিক ড° দেৱেন চন্দ্ৰ দাস ‘সুদামা’ই এই উপন্যাসখন অসমীয়াত ৰচনা কৰে। এটা অতি সৰু চৰিত্ৰক কেন্দ্ৰ কৰি এখন সুদীৰ্ঘ উপন্যাস ৰচনা কৰাটো বৰ উজু কাম নহয়। কিন্তু লেখকে সেই কাম দক্ষতাৰে সমাপন কৰিয়ে ক্ষান্ত নাথাকি উপন্যাসখনৰ এটি হিন্দী সংস্কৰণো যুগুতাই প্ৰকাশৰ বাবে উলিয়াই দিছে।

ড° দাসে ভীম আৰু হিড়িম্বাৰ মিলন নিজস্ব কল্পনাৰে মহাভাৰততকৈ কিছু পৃথকভাৱে দেখুৱাইছে। তেওঁৰ উপন্যাস অনুসৰি ভীম হিড়িম্বাৰ লগত কে’বাবছৰমান থাকি পাছত গুচি গৈছে। উপন্যাসখনত প্ৰগজ্যোতিষপুৰনৰেশ নৰকৰ সেনাপতি মুৰৰ কন্যা মৌৰৱীৰ লগত হিড়িম্বাৰ পুত্ৰ ঘটোৎকচৰ বিবাহ অতি আকৰ্ষণীয় ৰূপত উপস্থাপন কৰা হৈছে। ব্ৰহ্মাৰ্ষি বশিষ্ঠৰ আগমন আৰু সন্ধ্যাচল পৰ্বতৰ ওচৰত আশ্ৰম পাতি থকাৰ বিৱৰণো আগবঢ়াইছে উপন্যাসখনত। ঘটোৎকচে মহৰ্ষিৰ ওচৰত থাকি শিক্ষাগ্ৰহণ কৰা আৰু নৰকৰ পুত্ৰ ভগদত্তৰ সান্নিধ্য পোৱা আদিতো লেখকৰ সৃজনীশীল চিন্তাৰ প্ৰকাশ ঘটিছে।

‘হিড়িম্বা’ৰ মাধ্যমেৰে তৎকালীন উত্তৰ-পূব ভাৰতৰ প্ৰাগজ্যোতিষপুৰ, শোণিতপুৰ, বিদৰ্ভ, মণিপুৰ আদিৰ উল্লেখ  মূল ঘটনাক্ৰমৰ স’তে অতি কৌশলেৰে সংযোগ কৰা হৈছে। সেই সময়ৰ সৰ্বোচ্চ পুৰুষ শ্ৰীকৃষ্ণ, অৰ্জুন আদিৰ যথোচিত স্থিতিও উপন্যাসখনত মনোগ্ৰাহী ৰূপত দেখুওৱা হৈছে। অৰ্জুনৰ লগত উলুপী আৰু চিত্ৰাংগদাৰ বিবাহ উপন্যাসখনৰ দুই উল্লেখযোগ্য ঘটনাক্ৰমৰূপে উপন্যাসখনত চিহ্নিত হৈছে।

ড° দাসে উপন্যাসখনত হিড়িম্বাক পৰম কৃষ্ণভক্ত আৰু এগৰাকী আদৰ্শৱতী ভাৰতীয় নাৰী ৰূপত প্ৰতিষ্ঠা কৰিছে। উপন্যাসখনত উত্তৰ পূব-ভাৰতৰ স’তে দেশৰ অইন অংশৰ সম্পৰ্ক, ধৰ্ম-সংস্কৃতি, ৰাষ্ট্ৰীয়তাবোধ আদিৰ ওপৰতো আলোকপাত কৰা হৈছে। উপন্যাসখনৰ ভূমিকাত বিশিষ্ট সাহিত্যিক প্ৰয়াত কৃষ্ণ ৰায়মেধিয়ে ভীম, হিড়িম্বা আৰু ঘটোৎকোচৰ সংযোগৰ সুন্দৰ বৰ্ণনা আগবঢ়াইছে।

**আকৌ ফুলিল সোণাৰু, এজাৰ, কৃষ্ণচূড়া**
**লেখিকা - কল্পনা কলিতা**
**প্ৰকাশক - সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ**
**মূল্য - ৭০.০০ টকা**
**আলোচক - ড° ভূপেন শইকীয়া (৯৪৩৫২-২০৬৬৬)**

কাব্যগ্ৰন্থখনত আঠৈকুৰি কবিতা সন্নিৱিষ্ট হৈছে। গ্ৰন্থখনৰ নামটোত নিহিত আছে প্ৰকৃতিৰ নিৰ্যাস। স্বাভাৱিকভাৱেই প্ৰকৃতিৰ বৰ্ণনাই এক বিশেষ ঠাই অধিকাৰ কৰিছে। এৰি অহা শৈশৱৰ গাঁও, জান-জুৰি, ঘৰ

আৰু চিনাকি মানুহৰ কথা- 'গাঁৱলৈ গধূলি নামিছে', 'আইলৈ', 'মোৰ গাঁৱ মোৰ ঘৰ', 'দৰিদ্ৰতাৰ গোন্ধ', 'আঘোণৰ বতৰা', 'পথাৰ', 'হেঁপাহৰ আঘোণ', 'উজানৰ মাছ', 'নেপাই পেহী' আদি কবিতাত মূৰ্ত হৈ উঠিছে। প্ৰায়বোৰ অসমীয়া গাঁৱৰ খেতি-পথাৰ বছৰটোৰ ছমাহে ছন পৰি ৰৈছিল। বৰ্তমানেও ছবিখন বিশেষ সলনি হোৱা নাই। সেয়ে 'পথাৰ' কবিতাটোত আক্ষেপেৰে কোৱা হৈছে- 'হালোৱা ৰোৱনী দাৱনীৰ/ কোলাহলে বাট চাই/ পথাৰ থাকে পৰি/ নিঃশব্দে নীৰৱে।'

লেখিকাৰ কবিতাত নাৰীবাদী চিন্তা আদৰ্শৰো উন্মেষ ঘটিছে। 'নিৰ্যাতিতাৰ উক্তি', 'সীতাৰ মৰ্মবেদনা', 'অগ্নিকন্যা চন্দ্ৰপ্ৰভা' আদি কবিতা তাৰ স্বাক্ষৰ। প্ৰেম, বিৰহ, বেদনা, মাতৃস্নেহ, কাৰুণ্য, অভিযানৰ দৰে মানৱীয় অনুভূতিসমূহ আন কেতবোৰ কবিতাত প্ৰকাশ পাইছে।

মানুহৰ মনৰ ভাবৰ হেন্দোলনি কবিতাত প্ৰকাশ পায়; কিন্তু কবিতা হৃদয় বৃত্তি নহয়। শব্দশিল্প বা ভাষাশিল্প হিচাপে আধুনিক কবিতা বহুদূৰ আগুৱাই আহিছে। জীৱনবোধ, অভিজ্ঞতা, উপলব্ধি কবিতাৰ বাবে যিমান প্ৰয়োজন, সিমানেই প্ৰয়োজন আংগিক, ৰূপক, চিত্ৰকল্প, লয়, ধ্বনি, ব্যঞ্জনাৰ। কবিতাৰ আঁৰত যেনেদৰে এটা মন থাকে তেনেদৰে থাকে ভাষাৰ বাংময়তা, এটা শৈলী। কেৱল মনৰ ভাব, মনৰ কথা প্ৰকাশ কৰাই কবিতাৰ উদ্দেশ্য হ'ব নোৱাৰে। কবিতাৰো থাকে এতা শৰীৰ। কাব্যপুথিখনৰ প্ৰথমটো কবিতাত তাৰ উমান পোৱা যায়- সম্পৰ্কবোৰ হেনো/ একোটা মুদ্ৰাৰ ইপিঠি সিপিঠি/ মুদ্ৰাবোৰো লাহে লাহে অচল হৈ যাব ধৰিছে/ ভয় হয়/ সম্পৰ্কবোৰো বাৰু এনেকেয়ে/ নোহোৱা হৈ যাব নেকি?'(টকাৰ উজান উঠিছে)।

**তোমাৰ স'তে কথা আছে**
**লেখিকা - প্ৰণামিকা দাস**
**প্ৰকাশক - প্ৰতিশ্ৰুতি প্ৰকাশন**
**আলোচক - নিমানন্দ দাস (৯০৮৫১-৭৫৬২৬)**

মুঠ ৬৬ টা কবিতা সন্নিৱিষ্ট সংকলনটিত ভিন্ন স্বাদৰ ভিন্ন ৰং-ৰূপৰ কবিতাৰ সমাৱেশ ঘটিছে। কবিতসমূহত প্ৰস্ফুটিত হৈছে মানুহ আৰু সমাজ, প্ৰাচীন আৰু আধুনিক, প্ৰেম আৰু ব্যৰ্থতা তথা আশা-হতাশা আৰু প্ৰেৰণাৰ অনুভৱ। প্ৰণামিকা শৰ্মাৰ কবিতা সম্পৰ্কে প্ৰসিদ্ধ কবি নীলিম কুমাৰে এনেদৰে কৈছে- 'আধুনিক জীৱনৰ জটিল ছায়া-প্ৰচ্ছায়া, দ্বন্দ্ব-সংঘাত, বাস্তৱ জীৱনৰ প্ৰাত্যহিক তুচ্ছতা আৰু উত্তৰ আধুনিক চিন্তাই ভাষাৰ মাজেৰে আমদানি কৰা ভাৱনাৰ অজস্ৰ স্ৰোত আৰু সন্ধান তথা পৰীক্ষা-নিৰীক্ষাৰ বিপৰীতে আত্মগত উপলব্ধি, ধাৰণা আৰু আত্মস্থ ভাৱনাৰ জগতত নিৰৱচ্ছিন্নভাৱে বিচৰণ কৰি প্ৰণামিকা শৰ্মাই পূৰ্বসূৰী কবিৰ নিৰ্মাণশৈলী, আংগিক আদিৰ কোনো প্ৰভাৱ অবিহনেই যিবোৰ কবিতা লিখি গৈছে সেইবোৰ তেওঁৰ একান্তই নিজস্ব নিৰ্মাণ। সেয়ে তেওঁৰ কবিতাত পৰিলক্ষিত হয় নিজস্ব এক কথনভংগী, স্বপ্ৰসূত এক শৈলী। আধুনিক অসমীয়া কবিতাৰ ঐতিহ্য আৰু প্ৰবাহিত ধাৰাটোৰ স'তে যুক্ত নোহোৱাকৈয়ে তেওঁৰ যি আত্মপ্ৰকাশ তাত দৃষ্টিগোচৰ হয়- তেওঁৰ সংবেদনশীলতা, সচেতনতা আৰু অনুভূতিপ্ৰৱণ মনৰ ইচ্ছা-আকাংক্ষা।'

কবিগৰাকীয়ে প্ৰতিটো কবিতাত এক স্বকীয় বিষয় সামৰি লৈছে। সেই বিষয়ৰ স'তে তেওঁ একাত্ম হ'বলৈ সযত্ন প্ৰয়াস কৰিছে। কবিয়ে মানুহৰ মানৱীয় সত্তাত সদায় আলোড়িত কৰি থকা কিছুমান চিৰন্তন প্ৰেমক কবিতাৰ মাজেৰে তুলি ধৰিছে- 'মোৰ সপোনক আঁচলত মেৰাই/ মাৰ পাঠশালাৰ প্ৰতিটো পাঠ আওৰাই/ গতিশীল ধৰিত্ৰীৰ সৃষ্টিশীল যাত্ৰী মই'। সাম্প্ৰতিক আৱেগ অণুভূতিৰ নিষ্ঠুৰ সময়ৰ দিনত কোনো মাতৃয়ে নিজ সন্তানক পৰিহাস কৰাৰ উজ্জ্বল কবিত্বময় ৰূপো তেওঁ প্ৰকাশ কৰিছে- 'আধুনিকাই বিধ্বস্ত অৰণ্যত পুতি থৈ আহিলে নৈতিকতা/ পশ্চিমৰ ঝনঝননিত স্বকীয়তা হেৰুওৱা মোৰ আজিৰ তথাকথিত

সমাজত লুকাই পৰিল মা/ যেনেকৈ লৱ-কুশক জন্ম দি লুকাই পৰিছিল জনক জীয়ৰী।' এনে ধৰণে কবিতা সংকলনখনৰ প্ৰতিটো কবিতাই পাঠকৰ হৃদয়ত কাব্য অনুভূতিৰ ৰসৰ সঞ্চাৰ ঘটাবলৈ কবি সক্ষম হৈছে।

**(০৮/০৪/২০১৯)**
**ৰোমন্থন**
**লেখক - ৰত্ন ওজা**
**আলোচক - কনকসেন ডেকা**

ৰোমন্থন আৰম্ভ হৈছে তেওঁ মাতৃক সোধা এটি প্ৰশ্নৰে- 'মা মই যদি কাৰোবাৰ বচন নকৰো, তেনেহ'লে তেওঁলোকে মোক বেয়া পায়; কিন্তু দাদাই বা হাতিৰ আন ল'ৰাই নকৰিলে বেয়া নেপাই কিয়?' মাতৃৰ পৰা তেওঁ এই প্ৰশ্নৰ উত্তৰ নাপালে; কিন্তু অনুভৱ কৰিবলৈ সক্ষম হ'ল,- 'আনৰ ভাল পোৱা বেয়া পোৱা নিৰ্ভৰ কৰে আনৰ মনে গঢ় লোৱা পৰিৱেশৰ ওপৰত।' ওজাদেউৰ ৮৭ সংখ্যক জন্ম-বাৰ্ষিকী উপলক্ষে গুৱাহাটীৰ গণ্য-মান্য ব্যক্তিসকলৰ উপস্থিতিত উন্মোচন কৰা হয় 'ৰোমন্থন'। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, সাংবাদিকৰ উপৰি ভালেমান শিল্পীও আছিল; কিন্তু জ্যেষ্ঠ-আমোলাও বাদ পৰা নাছিল। ওজাদেউৰ বিচৰণ যে সমাজৰ আটাইবোৰ ক্ষেত্ৰতে তাৰ প্ৰমাণ উন্মোচনী অনুষ্ঠানৰ এই বাৰেৰহণীয়া লোকৰ সমাৱেশে দাঙি ধৰে।

ৰত্ন ওজাদেউৰ আত্মজীৱনী 'ৰোমন্থন'ক ৰত্ন ভাণ্ডাৰ বুলি ক'লে বঢ়াই কোৱা নহ'ব; কিয়নো বৰপেটাৰ পঢ়াশালিত অধ্যয়ন আৰম্ভ কৰি তেওঁ কটন কলেজৰ পৰা ডিগ্ৰী লাভ কৰে। সেই সময়ত ৰাজকাপুৰ আৰু নাৰ্গিচ অভিনীত 'শ্ৰী-৪২০' চিনেমাখনৰ জনপ্ৰিয়তা পাৰভঙা ধৰণৰ আছিল। চিনেমাখনৰ গীতসমূহ কটনিয়ান সকলৰ মুখে মুখে চলিছিল। আমিও চিনেমাখন কে'বাবাৰো চাইছিলো। ওজাদেৱ 'শ্ৰী-৪২০' ৰ গীতসমূহৰ অসমীয়া পেৰেডী পুস্তিকা আকাঁৰে প্ৰকাশ কৰি ছাত্ৰসকলৰ মাজত বিতৰণ কৰিছিল আৰু নিজে গাইছিল। মেৰা জুতা হ্যায় জাপানী, পতলুং ইংলিস্তানী, চৰপে লাল টুপী ফিৰ ভি দীল হ্যায় হিন্দুস্তানী।

ওজাদেৱে গাইছিল-
মোৰ পেইন যে জাৰ্মানী
কাগজ তুৰ্কীস্তানী
ভাষা তেলেগু, কানাড়ী
লেখো প্ৰেমৰে কাহিনী....

তেওঁ কটন কলেজৰ সংগীত শাখাৰ সম্পাদক নিৰ্বাচিত হোৱা কাৰ্যই জীৱনৰ গতিকে সলনি কৰা বুলি উল্লেখ কৰিছে; কিয়নো সেই সময়তে সুধাকন্ঠ ড০ ভূপেন হাজৰিকাই জন সংযোগৰ পি-এইচ-ডি ডিগ্ৰী লৈ অসমলৈ প্ৰত্যাংৰ্তন কৰিছিল। সংগীত শাখাৰ সম্পাদক ওজাদেৱে কটনৰ সংগীত সন্ধিয়াৰ বাবে খাৰঘূলিৰ বাসগৃহত অৰ্জুন দাসৰ স'তে সাক্ষাৎ কৰোতে সুধাকন্ঠই গৰজি উঠিছিল, 'কটনৰ ল'ৰাৰ লগত মই কোনো কথা নাপাতো। তোমালোক ছাত্ৰ হোৱাৰ যোগ্যেই নহয়। নাৰীৰ প্ৰতি তোমালোকৰ কোনো সন্মান নাই। মঞ্চৰ সন্মুখত ছোৱালী দেখিলেই তোমালোকে চিঞৰ-বাখৰ কৰা। কটন কলেজৰ ল'ৰাৰ মই কোনো কথাকেই নশুনো।' কথাখিনি শেষ কৰিয়েই তেওঁ বিৰবিৰকৈ ঘৰৰ ভিতৰত সোমাইছিলগৈ। পাছত যেনিবা ড০ হাজৰিকাৰ ভগ্নী কুইন ভিতৰৰ পৰা আহি ওলোৱাতেহে ধুমুহাৰ গতি স্থিৰ হ'ল। আচলতে তেওঁৰ নামটো কুইনেই আছিল। জ্যোতি প্ৰসাদ আগৰৱালাইহে কলকাতাত গীত ৰেকৰ্ডিং কৰাৰ সময়ত অসমীয়া পোছাক পিন্ধাই কুইনী কৰা বুলি 'ৰোমন্থন'ত উল্লেখ কৰা হৈছে। কটনৰ সকলো ছাত্ৰ যে এনেধৰণৰ নহয়, কুইনে তাইক বুজাই বঢ়াই কোৱাত সুধাকন্ঠ হাজৰিকাই কটন কলেজৰ সংগীত সন্ধিয়ালৈ যোৱাৰ বাবে সন্মতি জনালে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চিকাগো মহানগৰীৰ ৰেলষ্টেছনত বহি লিখা 'ঝক ঝক ৰেল চলে' গীতটি গাই সুধা

কন্ঠই শোতামণ্ডলীক মন্ত্ৰ-মুগ্ধ কৰিলে। আন এক সম্পৰ্কত ওজাদেৱে লিখিছে ‘একেবাৰে উদণ্ড বুলি জনাজাত কটনিয়ানজনৰো চকুলো নিগৰালে’- পানেইৰ পোনাকণৰ গীতটি ভগ্নী কুইন হাজৰিকাৰ লগত দ্বৈত কন্ঠত গাই। সিদিনা সংগীত সন্ধিয়াৰ আঁত ধৰা ছাত্ৰ ৰত্ন ওজাৰ ভূমিকাত সন্তুষ্ট হৈ সুধা কন্ঠ হাজৰিকাই ‘ৰত্নই’ বুলি শলাগিলে।

সেই যে ড° ভূপেন হাজৰিকাৰ সান্নিধ্য ৰত্ন ওজাদেৱ লাভ কৰিলে, শিল্পী গৰাকীৰ অন্তিম বিদায়ৰ মহুৰ্তলৈকে তেওঁৰ ছাঁৰ দৰে আছিল। এই যাত্ৰা বৰ্ণিল, সুধাকন্ঠ হাজৰিকা য’তেই, ওজাও ততেই বুলি কোৱাটোহে সমীচীন হ’ব। সেই সময়ত কলকতাত অনুষ্ঠিত গণনাট্য সংঘৰ অধিৱেশনতো ৰত্ন ওজা, মঘাই ওজা প্ৰভৃতিয়ে গীত গাইছিল, ঢোল বজাইছিল।

অসমৰ সাহিত্য-সংস্কৃতিৰ উপৰি অসম আন্দোলনৰ মধ্যমণি ৰূপেও ওজাদেৱে বিশেষ ভূমিকা পালন কৰিছিল। কিছুদিন শিক্ষকতা কৰিয়েই তেওঁ উত্তৰ-পূব ৰেলৰ মালিগাঁৱৰ মুখ্যকাৰ্যালয়ত জন সম্পৰ্কৰক্ষী বিষয়া হিচাপে যোগদান কৰে আৰু মালিগাঁৱৰ সৰ্বভাৰতীয় সমাজথনক অসমীয়া হেঙল-হাইতালৰ বোলেৰে সজাই তোলে। মালিগাঁৱৰ সদৰ কাৰ্যালয় হৈ পৰে অসমৰ সাহিত্য-সংগীত আৰু নাট্যাভিনয়ৰ কেন্দ্ৰস্বৰূপ। ওজাদেউক বিচাৰি আনি এই কামত যোগদান কৰোৱা সম্পৰ্কে ইন্সপেক্টৰ বসন্ত ভূঞাই কয়,- ‘আমাৰ মালিগাঁৱত আজি অসমীয়াই অসমীয়াত্ব হেৰুৱাব লগা হৈছে। আমাৰ হকে মাত মতা মানুহ নাই।’ সৌভাগ্যৰ কথা যে ওজাদেউৰ ভাড়া ঘৰৰে এটা অংশত থকা দুৰ্দান্ত অসমপ্ৰেমী কবি মহেন্দ্ৰনাথ ডেকা ফুকনৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছিল। ওজাদেউৰ উদ্যোগতেই ভালেকেইখন নাট মঞ্চস্থ কৰিছিল হেম ভট্টাচাৰ্য, থানেশ্বৰ দত্ত, গোপী তালুকদাৰ, জ্যোতিষ শৰ্মা, ডম্বৰু দাস, ৰৌশন আলি, হীৰেন বেনাৰ্জী, দিলীপ সেনগুপ্ত প্ৰমুখ্যে যশস্বী নাট্য শিল্পীসকলে। মালিগাঁৱত সেইসময়ত অভিনীত ‘গহ্বৰ’ নাটৰ নামেৰে গঢ়ি উঠে গহ্বৰ নাট্যগোষ্ঠী। এই মালীগাঁৱতে গহ্বৰ নাট্যগোষ্ঠীৰ উদ্যোগত কবৰ, অস্থাৱৰ, সংলাপ, প্ৰলাপ আদিৰ উপৰি ভালেমান একাংকিকা নাট অভিনীত হয়।

তাৰ পাছতে আহিল বিবাহ পৰ্ব- ‘আই-পিতাৰ দিনৰ মানুহৰ বাবে মোৰ এই বয়স বিবাহৰ নহয়, সন্তান-সন্ততি পালনৰহে আছিল।’ কেশৱ মহন্ত, নিকুঞ্জলতা মহন্ত প্ৰভৃতি অনেকেই ৰত্ন ওজাদেউৰ বাবে কইনা বিচৰা কামত ব্ৰতী হ’ল। ভূপেন হাজৰিকাইও এদিন কৈ উঠিল,- ‘বাঃ ৰত্ন তোমাৰ গুৱাহাটীৰ বহুতৰে আকাংক্ষাৰ পাত্ৰী... আমুকীৰ লগত বিয়া পতি দিমেই।’ অৱশেষত লয়াৰ্ছ বুকষ্টলৰ স্বত্বাধিকাৰী খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা আৰু অভিযন্তা কল্যাণ বৰাৰ উদ্যোগত কইনা বিচাৰি পালে শ্বিলঙত। বলেন হাজৰিকা, কামিনী নাথ, ধীৰেন বৰুৱা প্ৰভৃতিয়ে ওজাদেউৰ লগত গুৱাহাটীৰ পৰা যোৱা সহযাত্ৰীসকলক আদৰি নিলে। কইনাৰ নাম স্বৰ্ণময়। কইনা পছন্দ হোৱা নোহোৱা সন্দৰ্ভত ওজাদেওৰ নীৰৱতাৰ প্ৰতি লক্ষ্য ৰাখি ড° ভূপেন হাজৰিকাৰ ভাতৃ বলেন হাজৰিকাই চিঞৰি উঠিল- ‘চাওক ওজা, আপোনাৰ যদি পছন্দ হোৱা নাই, ময়ে বিয়া কৰাম।’ ১৯৬৯ৰ তিনি ফেব্ৰুৱাৰীত মালিগাঁৱত অনুষ্ঠিত বিবাহ পৰ্ব হৈ পৰিছিল। সমগ্ৰ মালিগাঁৱত অনুষ্ঠিত বিবাহ পৰ্ব হৈ পৰিছিল সমগ্ৰ মালিগাঁওবাসীৰ উৎসৱ। তাৰ লগত যোগ হৈছিল ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা অহা ওজাদেউৰ শুভাকাংক্ষীসকল। নৱজ্যোতি কলা পৰিষদৰ সদস্যসকলে বিবাহৰ প্ৰায়খিনি কাম সম্পন্ন কৰিছিল। তাৰ কিছুদিনৰ পাছতেই শৰাইঘাট দলঙৰ পৰিচালন নিৰ্মাতা খ্যাতিসম্পন্ন অভিযন্তা বি-চি গাংগুলিৰ অনুৰোধ মৰ্মে ড° ভূপেন হাজৰিকাৰ লগতে সুকন্ঠী দিপালী বৰঠাকুৰকো সাংস্কৃতিক সন্ধিয়ালৈ গীত গাবলৈ আমন্ত্ৰণ কৰা হ’ল। বি-চি গাংগুলীৰ ইচ্ছানুসৰিয়েই দিপালী বৰঠাকুৰে গোৱা ‘চেনাই মই যাঁও দেই’, ‘সোণৰ খাৰু নালাগে মোক’ আদি গীতে সকলোকে আপ্লুত কৰিছিল। অনুষ্ঠান সামৰা হৈছিল- ‘অ’ মোৰ আপোনাৰ দেশ’ অসম সংগীতেৰে।

মালিগাঁৱৰ পৰা তেল নগৰী ঢালিগাঁৱলৈ জননেতা শৰৎ চন্দ্ৰ সিংহৰ আহ্বান ক্ৰমে যাব লগা হ’ল। তাতো জনসম্পৰ্ক বিভাগটো পৰিচালনাৰ দায়িত্ব লয়। তাৰ পাছতে আৰম্ভ হয় অবৈধ বিদেশী বিতাৰণ আন্দোলন। বহুতে এই কথা নাজানে যে প্ৰখ্যাত সাংবাদিক ভাৰ্গিজৰ মধ্যস্থতাত চুক্তি এখন প্ৰস্তুত কৰা হৈছিল। ‘মোৰ মনত পৰা মতে অবৈধ বিদেশী বহিষ্কৰণৰ ভিত্তিবৰ্ষ ১৯৫১ ধৰা হৈছিল। লগতে সেই বৰ্ষৰে

নাগৰিকপঞ্জীৰ ভিত্তিত বিদেশী বহিষ্কৰণৰ কথা সন্নিবিষ্ট কৰা হৈছিল আৰু তাৰ লগতে অসমীয়া ভাষিক সংৰক্ষণৰ নির্দেশনাও আছিল।' ভাৰ্গিজৰ আন্তৰিক প্ৰচেষ্টা সত্বেও সেৱা কিয় সফল নহ'ল সেই বিষয়ে পুথিখনিত সুন্দৰভাৱে উল্লেখ আছে।

ৰত্ন ওজাদেউৰ সাংবাদিক জীৱন অতি বৰ্ণাঢ্য আৰু বিচিত্ৰ। ১৯৮৪তেই জৱাহাৰলাল নেহেৰু পৰিয়ালৰ কাকত নেচনেল হেৰাল্ড গ্ৰুপৰ দ্বাৰা প্ৰকাশিত অসমীয়া 'সপ্তাহিক বতৰি'ৰ সম্পাদনাৰ দায়িত্ব বহন কৰে। পৰৱৰ্তী সময়ত ১৯৮৫ৰ ১৫ আগষ্টত স্বাক্ষৰিত ত্ৰিপাক্ষিক চুক্তিৰ দুৰ্বল দিশসমূহ কাকতখনত দাঙি ধৰা হেতুকে তেওঁ যথেষ্ট ভাবুকিৰ সন্মুখীন হয়।

তাৰ পাছতেই ওজাদেউ কলকাতালৈ যায় আৰু আমাৰ প্ৰতিনিধি আদিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে। তদুপৰি বিভিন্ন কাকতত তেওঁ লিখিবলৈ লয়। কলকাতাত থাকোতে তেওঁ ড° হাজৰিকাৰ প্ৰতিধ্বনি, এৰাবাটৰ সুৰ, লটিঘটি, চিকমিক বিজুলী, ভাগ্য আদি চিনেমা নিৰ্মাণৰ স'তে জড়িত হৈ পৰে। কে'বা বছৰো সুধাকন্ঠ হাজৰিকাৰ সহযোগী হিচাপে কাম কৰাৰ পাছত তেওঁ অসমৰ মুখ্যমন্ত্ৰী হিতাশ্বৰ শইকীয়াৰ নিৰ্দেশ ক্ৰমে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰ নিৰ্মাণৰ দায়িত্ব বহন কৰে। শংকৰদেৱ কলাক্ষেত্ৰক আজিৰ বৰ্ণাঢ্য ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত ওজাদেৱে দেহে-কেহে লাগি অনবদ্য বৰঙণি আগবঢ়ায়। কথা সাহিত্যিক ভবেন্দ্ৰ নাথ শইকীয়াই তেওঁলৈ সহযোগিতা আগবঢ়ায়।

**দৈনিক অসমঃ**
**(০১/০৩/২০১৯)**
**শব্দৰ বেলিফুলবোৰ**
**লেখিকা - সংগীতা ৰাজখোৱা**
**প্ৰকাশক - কথাশিল্প প্ৰকাশন**
**আলোচক - বিনয় ৰঞ্জন শৰ্মা (৮৬৩৮৩-০৭৯০৬)**

ভাবৰ বুৰবুৰণিত সাহিত্যৰ সৃষ্টি। কবিতা অন্যতম। ভাব-ভাষা-শব্দ-ব্যঞ্জনা-চিত্ৰকল্প আৰু অলংকাৰত কবিতাৰ মাধুৰ্য। কবিতাই কথা কয়। কবিতাৰ আছে নিজস্ব দৰ্শন চিন্তাৰ মাদকতা আৰু আছে অনুভূতিৰ পৰিস্ফুৰণ। কবিতাত প্ৰকাশ হয় কবিৰ চিন্তাধাৰা। সমাজ, জীৱন, প্ৰকৃতি জগত কবিতাৰ বিষয়বস্তু। কবিতা মনৰ, কবিতা প্ৰাণৰ, অনুভূতিৰ একোখন দলিল। তেনে এখন কাব্যগ্ৰন্থ 'শব্দৰ বেলিফুলবোৰ'।

এই কাব্য গ্ৰন্থখনিৰ প্ৰণেতা কবি, সাহিত্যপ্ৰেমী সংগীতা ৰাজখোৱা। কাব্যচৰ্চাৰে একশ্ৰেণী সচেতন পঢ়ুৱৈৰ মাজত জনপ্ৰিয় হৈ পৰা সংগীতা ৰাজখোৱা কৰ্মসুত্ৰে তেজপুৰৰ চেক্ৰেদ হাৰ্ট হাইস্কুলৰ শিক্ষয়িত্ৰী। সাহিত্য চৰ্চাৰ প্ৰতি সৰুৰেপৰা আগ্ৰহী কবিগৰাকীয়ে বৰ্তমান তেজপুৰৰপৰা প্ৰকাশিত উচ্চ ৰুচিসম্পন্ন মননশীল আলোচনী 'কথাশিল্প'ৰ সহযোগী সম্পাদক। তেওঁ এগৰাকী সু-আবৃত্তিকাৰো। 'শব্দৰ বেলিফুলবোৰ' তেওঁৰ প্ৰথম কাব্যকৃতি। বৰ হেঁপাহ আৰু যতনেৰে কবিয়ে সজাইছে এই কাব্য গ্ৰন্থখনি। গ্ৰন্থখনিত এশ দহটা কবিতা সন্নিৱিষ্ট কৰা হৈছে। কবিতা হ'ল মানৱতাৰ চিৰভাস্বত কন্ঠস্বৰ। কবি ৰাজখোৱাই তেওঁৰ কবিতাত বহুল আৱেগ আৰু ভাবোচ্ছাসৰপৰা আঁতৰি মুক্ত মনেৰে নিজস্ব এক নিৰাবেগ, মননশীল ভাষাৰে মানুহৰ দৈনন্দিন জীৱনৰ নিৰাভৰণ অথচ বাংময় ছবি আকি সমাজখনৰ অতন্দ্ৰ প্ৰহৰীৰূপে অৱতীৰ্ণ হৈছে। কবিয়ে কলাকৰ্মৰ মূল উদ্দেশ্য আগত ৰাখি হৃদয়ৰ সত্যৰ সৈতে সমন্বয় সাধন কৰি আপোন অভিব্যক্তি দাঙি ধৰিছে। গ্ৰন্থখনত সন্নিৱিষ্ট কবিগৰাকীৰ আটাইবোৰ কবিতাই সফল কবিতা বুলি ক'ব পাৰি।

আধুনিক কবিতাত দুৰ্বোধ্যতা মূল লক্ষণ বুলি ধৰা হয় যদিও সংগীতাৰ কবিতাত আছে মনপৰশা জীয়া অনুভূতি আৰু অনুভৱৰ ব্যঞ্জনা। কবিয়ে বিগত সময়ত যি সাধনা কৰিলে সেয়ে কবিয়ে জীৱন আৰু

জগতক যেনেদৰে দেখিলে, সময়ক যেনে ধৰণে উপলব্ধি কৰিলে সেই সকলোৰে হৃদয় সংপৃক্ত সংবেদনশীল প্ৰকাশেই হ'ল কবিতাপুথিখন। সুদীৰ্ঘকালীন অভিজ্ঞতাই কবিক দিছে জিজ্ঞাসাৰ মৰ্ম অনুভৱ কৰিবলৈ। কবিৰ জীৱন চৰ্যাত প্ৰজ্ঞাৰ গভীৰতাৰ ফলস্বৰূপে পাঠকে লাভ কৰিছে অপূৰ্ব ব্যঞ্জনা সমৃদ্ধ হৃদয়তলীৰ পৰা উঠি অহা চেতনাক জোকাৰি দিব পৰা চিত্ৰকল্প।

**শিশুৰ দক্ষতা বিকাশ আৰু আচৰণৰ ৰূপান্ত**
**লেখক - কমলেশ্বৰ কলিতা**
**প্ৰকাশক - তুলিকা গোস্বামী**
**আলোচক - উপেন্দ্ৰ বৰকটকী**

শিশুৰ বিভিন্ন ধৰণৰ সমস্যাক কেন্দ্ৰ কৰি ৰচনা কৰা গ্ৰন্থৰ সংখ্যা যথেষ্ট নহয়। ঘাইকৈ অভিভাৱক আৰু শিশুৰ হিতাকাংক্ষীসকলৰ উদ্দেশ্যে ৰচনা কৰা গ্ৰন্থৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কমলেশ্বৰ কলিতাই 'শিক্ষা মনোবিজ্ঞান' নামৰ স্নাতক মহলাৰ পাঠ্যপুথিৰ ৰচনা কৰিছে। তেওঁ লংকা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক। কেইবাখনো কাব্য গ্ৰন্থৰে কবি প্ৰতিভাৰ পৰিচয় দিয়াৰ উপৰি দৈনিক অগ্ৰদূত কাকতৰ স্তম্ভলেখক। শিশু মনস্তত্বৰ বিষয়ে চিন্তা-চৰ্চা কৰা কলিতাৰ ২০১৩ চনত প্ৰকাশ পোৱা 'শিশুৰ সমস্যাজনিত আচৰণঃ এটি মনস্তাত্বিক আলোচনা'- আনখন শিশু বিষয়ক উল্লেখযোগ্য গ্ৰন্থ।

গ্ৰন্থখনৰ পাতনিত লেখকে- এতিয়াৰ শিশুক 'যান্ত্ৰিকতাই ক্ৰমশঃ লগ নেৰা' এইদৰে উল্লেখ কৰি কৈছে- 'এই প্ৰয়াসৰ পৰিতৃপ্তি হয় মুকলিমূৰীয়া- য'ত ভূলৰ সম্ভাৱনা থাকে। মূলতঃ এনে পৰিচালনাৰ বৈপৰীত্যৰ বাবে মানৱীয় দিশবোৰৰ শ্ৰীবৃদ্ধিত শিশু পাছ পৰি ৰয়। মূল্যবোধ, নীতিনিষ্ঠা মানৱীয় ভাৱধাৰাৰ চৰ্চা আৰু প্ৰেৰণামূলক সান্নিধ্যৰ বিষয়বোৰ একমাত্ৰ বিদ্যায়তনিক ব্যস্ততাৰ বাবে আধৰুৱা হৈ থাকে। এনে আধৰুৱা বিষয়বোৰ শিশুৰ পৰৱৰ্তী জীৱনত অপসমাযোজন, অপৰাধ প্ৰৱণতাৰ মূলকাৰক হিচাপে দেখা দিয়াৰ সম্ভাৱনা থাকে। গতিকে শিশুৰ প্ৰকৃত আচৰণ আৰু দক্ষতাৰ বিকাশত অভিভাৱকৰ সতৰ্কতামূলক প্ৰতিপালনৰ প্ৰয়োজন আছে।'

গ্ৰন্থখন আঠটা অধ্যায়ত বিভক্ত কৰা হৈছে। অধ্যায়কেইটা হৈছে যথাক্ৰমে 'শিশুৰ দক্ষতা বিকাশ আৰু আচৰণৰ গতি-প্ৰকৃতি', 'শিশুৰ আচৰণ আৰু ৰুচিপূৰ্ণ মানসিক বিকাশৰ গতি', 'শিশুৰ শিক্ষণ আৰু দক্ষতা বিকাশ', 'শিশুৰ মানসিক চাপ আৰু অভিভাৱকৰ দায়বদ্ধতা', 'শিশুৰ আৰু ব্যক্তিত্বৰ বিকাশ', 'শিশুৰ আত্মবিশ্বাস আৰু বিদ্যাৰম্ভৰ প্ৰস্তুতি', 'শিশুৰ সামাজিকতা আৰু মানসিকতা উত্তৰণ' আৰু 'মানসিক বাধাগ্ৰস্ততা আৰু শিশুৰ দক্ষতাকেন্দ্ৰিক আচৰণ।' লেখকে প্ৰত্যেকটো অধ্যায়তে শিশুৰ বিভিন্ন প্ৰবৃত্তিৰ লগত সম্পৰ্ক থকা বিষয়বোৰ সূক্ষ্মভাৱে আলোচনা কৰিছে। এই ক্ষেত্ৰত তেওঁক প্ৰেৰণা যোগালে তেওঁৰ সন্তান দুটিয়ে। তেওঁলোকৰ শৈশৱকালৰ গতি-প্ৰকৃতিয়ে 'ক্ষেত্ৰভিত্তিক অধ্যয়ন' কৰাত সহায় কৰাৰ কথাও লেখকে উল্লেখ কৰিছে। উদাহৰণস্বৰূপে 'শিশুৰ আচৰণ আৰু ৰুচিপূৰ্ণ মানসিক বিকাশৰ গতি' অধ্যায়ত অন্তৰ্ভূক্ত কৰা আচৰণৰ প্ৰকৃতি, শিশুৰ আচৰণৰ উন্নতি কৰাৰ ক্ষেত্ৰত ল'বলগীয়া কেইটামান উপায়, শিশুৰ বিশৃংখলামূলক আচৰণ, শিশুৰ আচৰণগত বিশৃংখলা (অনুশাসনহীনতা) নিৰ্মূলকৰণত অভিভাৱকে ল'বলগীয়া কেইটামান প্ৰকাৰ্য, আচৰণ গঠন প্ৰক্ৰিয়াত মন কৰিবলগীয়া কেইটামান দিশ, আচৰণ গঠনৰ মন কৰিবলগীয়া দিশসমূহৰ মনস্তাত্বিক পৰ্যালোচনা আৰু কেইটামান নিৰ্দেশনা, সাজ-পোছাক পৰিধান, খাদ্যাভাস আৰু খেলৰ মাধ্যমত আচৰণ গঠনৰ উপায়ৰ কথা ক'ব পাৰি। এনেদৰে প্ৰত্যেকটো অধ্যায়তে শিশুৰ বিভিন্ন দিশ আলোচনা কৰাৰ লগতে তেওঁলোকক আদৰ্শ মানুহ হিচাপে গঢ়ি তোলাত অভিভাৱক আৰু শিশুৰ হিতাকাংক্ষীসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে উল্লেখ কৰি গৈছে গ্ৰন্থখনত।

অষ্টম অধ্যায়ত লেখকে মানসিক বাধাগ্ৰস্ততা শিশুৰ আচৰণৰ অন্তৰ্নিহিত কাৰণবোৰ বিশ্লেষণ কৰিছে।

**মুক্তাপুৰ গাঁওঃ পৰম্পৰাগত কৃষি আৰু সংস্কৃতিৰ খণ্ড অধ্যয়ন**
**সম্পাদনা - ড০ অৱনী কুমাৰ ভাগৱতী**
**আলোচক - জয়কান্ত শৰ্মা**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগ আৰু জাপানৰ কিয়ট' বিশ্ববিদ্যালয়ৰ Center for Southeast Asian Studies- এ ব্ৰহ্মপুত্ৰ উপত্যকাৰ গ্ৰাম্য জীৱন প্ৰণালীৰ বিষয়ে যুটীয়াকৈ চলোৱা অধ্যয়নৰ অংশ হিচাপে উত্তৰ-কামৰূপৰ মুক্তাপুৰ গাঁৱৰ বিষয়ে প্ৰতিবেদনধৰ্মী গ্ৰন্থ হিচাপে ৰচনা কৰা হৈছে এই গ্ৰন্থখন। গাঁৱৰ মানুহক অংশগ্ৰহণ কৰাই গ্ৰামাঞ্চলৰ মূল্যায়ন কৰাৰ ধাৰণাটো অৱশ্যে যোৱাটো শতিকাৰ নৱম-দশকৰে যেতিয়া ৰবাৰ্ট চেমবাৰ, পিটাৰ হিলড্ৰেবেন, ৰবাৰ্ট ৰোডছ আদি সমাজ বিজ্ঞানীয়ে ইয়াক উদ্ভাৱন কৰিছিল। সেই ধাৰণাৰ অৱলম্বনতে মুক্তপুৰ গাওঁখনৰ স্থানিক অৱস্থিতি, মাটিকালি, চহৰৰপৰা দূৰত্ব, নদ-নদী-খাল-বিল, শস্যক্ষেত্ৰ, গছ-গছনি, পশু-পক্ষী আদি সম্পদৰ লগতে মানুহৰ আৰ্থ-সামাজিক-সাংস্কৃতিক দিশসমূহ তথা ইয়াৰ সমস্যাসমূহ প্ৰণালীবদ্ধভাৱে বিশ্লেষণ কৰা হৈছে গ্ৰন্থখনত। সম্পাদকৰ-টোকাতে উনুকিওৱা হৈছে যে অধ্যয়ন পদ্ধতি প্ৰস্তুত কৰোঁতে কিয়ট' বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ কাজুঅ' আন্দো আৰু ডঃ কৈচি উছামিয়ে নেতৃত্ব দিছিল। গাঁওখনৰ উৎপত্তিৰ ইতিহাস উদ্ধাৰ কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ প্ৰাসংগিক পুথি আৰু পুৰণি কীৰ্তিচিহ্নবোৰৰ সহায় লোৱা হৈছে, গাঁওখনৰ নামটোৰ লগত জড়িত জনশ্ৰুতিবোৰ বিশ্লেষণ কৰি ইয়াৰ ঐতিহাসিক গঠন প্ৰক্ৰিয়াৰো আভাস দিয়া হৈছে। বিভিন্ন সম্প্ৰদায়ৰে ভৰা ১১টা চুবুৰিৰ সুকীয়া সুকীয়া গঠন প্ৰণালীৰো আলোচনা কৰা হৈছে, লগতে প্ৰতিটো পৰিয়ালৰ বংশানুক্ৰমো দিয়া হৈছে, য'ত আছে কোনজন পুৰুষ প্ৰথমে আহি চুবুৰিটোত বাস কৰিছিল আৰু কোনটো পৰিয়াল ক'ৰপৰা আহিছিল তাৰ তথ্যও দিয়া হৈছে গ্ৰন্থখনত। বিভিন্ন তথ্য উলিওৱাত প্ৰশ্ন-পত্ৰ (Questionnaire)- ব্যৱহাৰ কৰা হৈছে- য'ত আছে মানুহৰ সংখ্যা, বয়স, লিংগ, শিক্ষা, সম্প্ৰদায়, ধৰ্ম, বৃত্তি, আয়ৰ উৎস, কৃষিভূমিৰ পৰিমাণ শস্যৰ উৎপাদন তথা মাটিৰ উৎপাদিকা শক্তি, কৃষি সঁজুলিৰ সংখ্যা তথা নাম, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানত তেওঁলোকৰ ভূমিকা আদিৰ সবিশেষ আছে গ্ৰন্থখনত।

গাঁওখনৰ চুবুৰি ক্ৰমে আউনীআটী, দৈৱজ্ঞ, কলিতা, ভেকো, ব্ৰাহ্মণ, কৰৰীয়াপাৰা, আলিকাষ, সত্ৰ গঞাতোলা, ভৰালী আৰু মৰনৈপাৰ চুবাৰ বস্তিমাটি, শাকনিবাৰী, কঠীয়াতলী, আহুতলী, শালিতলী, বাওঁধানতলী, বাকৰি মাটি, জংঘলতলী, জলাশয় আদি বিভিন্ন ধৰণে মাটি বিভাজন কৰি সেইবোৰৰ কিমান মাটি ম্যাদী অথবা নিষ্পিখেৰাজ কিম্বা একচনা বা লাখেৰাজ, আকৌ কিমান মাটিত আধিয়া, কিমানত বন্ধকী, কিমানত মৰগীয়া আৰু কিমানত চুক্তি ব্যৱস্থা চলি আছে তাকো প্ৰকাশ কৰা হৈছে। কৃষিভিত্তিক লোক-উৎসৱবোৰ যেনে- মুঠিমেলা, গোঁজলোৱা, ভাখৰী বন্ধা, ভূঁই উঠা, আগ অনা, কাচি উঠা, ন-খোৱা আদিৰো আলোচনা কৰা হৈছে। কৃষি সম্পৰ্কীয় ভালেমান ডাকৰ বচন (যেনে- 'সাত ভাই যাৰ কুঁহিয়াৰৰ খেতি তাৰ', 'সাতে পাতল, পাঁচে ঘন, ছয়ে তামোল নদন বদন' ইত্যাদি আৰু কৃষি সম্পৰ্কীয় লোক-বিশ্বাস কিছুমানৰ আলোচনাও পুথিখনত দিয়া হৈছে। শেষৰফালে গাঁওখনৰ বয়সস্থ কেইজনমান লোকৰ সাক্ষাৎকাৰ লোৱা হৈছে- য'ত আছে গ্ৰামাঞ্চলৰ পৰিৱেশ, পৰম্পৰাগত কৃষি পাৰিপাৰ্শ্বিকতাৰ বৈশিষ্ট্য আৰু সময়ৰ গতিত হোৱা পৰিৱৰ্তন সম্পৰ্কে তেওঁলোকৰ বিজ্ঞ অভিমত। পুথিখনত সন্নিৱিষ্ট 'ব্ৰিটিছ কালত ধান খেতি' (ফণিধৰ শৰ্মা), 'ব্ৰিটিছকালত মৰাপাট খেতি' (হৰিপ্ৰসাদ গোস্বামী), 'ব্ৰিটিছ কালত আলু খেতি' (প্ৰহ্লাদ ডেকা) আদি নিবন্ধও স্মৃতিমধুৰ আৰু গৱেষণাধৰ্মী।

**গৰীয়সী আৰু অসামান্য চন্দ্ৰপ্ৰসাদ**
**সম্পাদনা - অংকুৰ ডেকা**
**প্ৰকাশক - অনুৰূপা চৌধুৰী**
**আলোচক - চম্পক শৰ্মা**

অসমৰ সাহিত্য আলোচনীৰ জগতত 'গৰীয়সী' হৈছে উজ্জ্বল ভোটাতৰা। এই আলোচনীখন ১৯৯৩ চনত সম্পাদকৰূপে দায়িত্ব লৈ প্ৰতিষ্ঠা কৰিছিল সু-প্ৰতিষ্ঠিত সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ চন্দ্ৰপ্ৰসাদ শইকীয়াই। 'মায়ামৃগ', 'নাচপতি ফুল', 'চক্ৰবৎ', 'অংগীকাৰ' আদি গল্প সংকলন; 'এদিন', 'মেঘমল্লাৰ', 'মহাৰথী', 'তোৰে মোৰে আলোকৰে যাত্ৰা' আদি উপন্যাস; 'দৃষ্টিকোণ', 'অন্তৰংগ', 'সাহিত্যৰথী বেজবৰুৱাৰ লগত কাল্পনিক সাক্ষাৎ' আদি ৰচনা সংগ্ৰহেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ অসামান্য জীৱন পৰিক্ৰমা সন্দৰ্ভত বিভিন্নজনৰ অনুভৱৰ সংকলন এই পুথিখন। ৩৬ পৃষ্ঠাৰ পুথিখনত বিশিষ্ট কবি নীলমণি ফুকন, সাহিত্যিক তথা 'গৰীয়সী'ৰ সম্পাদক ড° লক্ষ্মীনন্দন বৰা, কবি হৰেকৃষ্ণ ডেকা আৰু সমীৰ তাঁতীৰ চাৰিটা স্মৃতিচাৰণা মূলক প্ৰৱন্ধ আছে। পুথিখনিৰ সম্পাদক ডেকাৰো এটা নাতিদীৰ্ঘ প্ৰৱন্ধই ঠাই পাইছে। লগতে আছে জনপ্ৰিয় কবি নীলম কুমাৰৰ 'গৰীয়সী' বিষয়ক এটি কবিতা। পুথিখনিৰ বিশেষ সম্পদ হৈছে 'মহাৰথী' চন্দ্ৰপ্ৰসাদ শইকীয়াই লিখা তিনিটা ভিন্নসুৰী প্ৰৱন্ধ। ইয়াৰে দুটা হৈছে চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'গৰীয়সী'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যা আৰু তেৱেঁই সম্পাদনা কৰা অন্তিমটো সংখ্যাৰ সম্পাদকীয়। পুথিখনত সংকলিত প্ৰৱন্ধকেইটাত সাহিত্যিকজনৰ আৰু 'গৰীয়সী' আলোচনীৰ সান্নিধ্যৰ সোঁৱৰণ কৰাৰ উপৰি প্ৰত্যেকেই স্বনামধন্য সম্পাদকজনৰ কৰ্মৰীতি, আদৰ্শ, দূৰদৃষ্টি আৰু দক্ষতাৰ কথা সুপ্ৰশংসাৰ বৰ্ণনা কৰিছে। পুথিখনিৰ পৰিশিষ্টাংশত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সৃষ্টিৰাজী আৰু জীৱনপঞ্জীৰ চমু উল্লেখ আছে।

**বুদ্ধদেৱ দাশগুপ্ত আৰু অন্যান্য**
**লেখক - অংকুৰ ডেকা**
**প্ৰকাশক - অনুৰূপা চৌধুৰী**
**আলোচক - চম্পক শৰ্মা**

লেখকৰ মতে এই পুথিখনি হৈছে এখন ব্যক্তিগত 'অসম্পূৰ্ণ ৰচনা। চিত্ৰ পৰিচালক বুদ্ধদেৱ দাশগুপ্তৰ জীৱনৰ বৈচিত্ৰ্যময় বৰ্ণনা ইয়াত আছে; লগতে আছে তেওঁৰ অনবদ্য ছবিসমূহৰ কথা। লেখক ডেকাই পুথিখনত দাশগুপ্তৰ সাহিত্য চৰ্চাৰ আভাসো সুন্দৰকৈ আৰু বহুতৰে প্ৰশংসাবাণীসহ দিছে। শীৰ্ষেন্দু মুখোপাধ্যায়ৰ কথাৰ উদ্ধৃতিৰে তেওঁ দাশগুপ্তক 'কবি' বুলি প্ৰতিষ্ঠাও কৰিছে। 'বাঘ বাহাদুৰ', 'গৃহযুদ্ধ', 'উত্তৰা' আদিৰ দৰে ছবি কৰি নিজৰ সুকীয়া ধাৰাটোক এটা মজবুত পথলৈ ৰূপান্তৰিত কৰিবলৈ সমৰ্থ হোৱা দাশগুপ্তৰ ছবি আৰু তাৰ সৈতে সংলগ্ন আলোচনা দুয়োটাই ২৭ পৃষ্ঠাৰ এই পুথিখনৰ প্ৰধান উপজীব্য। দাশগুপ্তৰ নিজৰ গ্ৰন্থসমূহ আৰু তেওঁৰ বিষয়ে লিখিত গ্ৰন্থৰ আভাসো ইয়াত ডেকাই দিছে। এটা দীঘল নিবন্ধ কেইবাখনো ৰঙীণ ছবিৰে সৈতে সুন্দৰকৈ ৰঙীণভাবে সজাই-পৰাই পুথি আকাৰে উপহাৰ দি ডেকাই স্বনামধন্য চলচ্চিত্ৰকাৰজনক অসমৰ পঢ়ুৱৈ সমাজৰ লগতে চলচ্চিত্ৰপ্ৰেমীৰ আৰু অধিক ওচৰ চপাই আনিছে।

**(০৮/০৩/২০১৯)**
**চিনাকি নদীৰ ঘাট**
**লেখক - হীৰেন্দ্ৰ কুমাৰ শৰ্মা**
**প্ৰকাশক - পাঞ্চজন্য বুকছ**
**আলোচক - হিমাদ্ৰী কুমাৰী শৰ্মা**

হিন্দী সাহিত্যৰ ছাত্ৰ 'অনুভৱৰ বৰষুণ' ৰচোঁতা হীৰেন্দ্ৰ কুমাৰ শৰ্মা। আঢ়ৈকুৰি কবিতা সন্নিৱিষ্ট কৰা গ্ৰন্থখনত অৰ্থৱহ, চুটি চুটি কবিতাবোৰৰ সমাৱেশ ঘটিছে। সৰু সৰু একোটা কথা, যেন শব্দৰ খেলা-সেয়ে শৰ্মাৰ কবিতা।

কবিৰ ভাষাৰেই কেতিয়াবা ধীৰ, কেতিয়াবা বেগী গতিৰে(তেওঁ) কাব্যচৰ্চ্চাৰ অনুশীলনত ব্ৰতী আছে। কবিতাৰেই মন-গহনৰ কথা কৈছে। শৰ্মাৰ কবিতাবোৰ সংযত, ভাষা সৰল, শব্দ প্ৰয়োগত মিতব্যয়ী। বক্তব্যত সু-শৃংখল। অৱশ্যে তেওঁৰ কবিতাবোৰত অভিজ্ঞতাতকৈ ভাবৰ প্ৰাধান্য বেছি। তেওঁৰ প্ৰায়বোৰ কবিতাতে এই কথা স্পষ্ট। শৰ্মাৰ কবিতাবোৰত আছে বিষয়-বৈচিত্ৰ, আত্মিক সুৰ, আৱেগ প্ৰকাশৰ সীমাহীন আড়না। আছে অকপটে যোগ্যজনক স্বীকৃতি দিয়াৰ মানসিকতা সমাজ সচেতনতায়ো তেওঁৰ কেইটামান কবিতা স্পৰ্শ কৰি আছে। চৌপাশৰ পৰিৱেশ-পৰিস্থিতিক তেওঁ অনুধাৱন কৰিব পাৰিছে আৰু বাস্তৱ জীৱনত ঢুকি পোৱা-নোপোৱা ভালেমান সৰু-বৰ কথাই তেওঁৰ কবিতাত স্থান পাইছে।

এই কবিৰ জীৱন-জগতৰ সৈতে সম্পৃক্ত ভালেমান কথা কবিতাবোৰত সাঙোৰ খাই আছে। শব্দবোৰৰ পৰিচ্ছন্ন, আপোন ৰূপ এটাই কবিতা বিশেষত ভুমুকি মাৰিছে। জীৱন নদীৰ ঘাটত তেওঁৰ বুকুৰ পদুম নাচি উঠিছে আপোন ঘাটৰ বাঁহী (চিনাকি নদীৰ ঘাট)।

কবিৰ কবিতাত প্ৰত্যয় আছে। তেওঁ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে কবি হৃদয়ৰ উপলব্ধি। জীৱনক চিৰকালীন মৰ্যাদা প্ৰদানত যেন সিদ্ধহস্ত এই কবি। ব্যক্তি জীৱনৰ সমস্ত প্ৰসন্নতাৰ প্ৰতিও যেন সচেষ্ট এই কবি। বিস্তৃত জীৱনৰ গভীৰতাক শৈল্পিক বিচাৰেৰে ঐশ্বৰ্য প্ৰদান কৰি কবিয়ে কয়- 'পৰিহাৰ কৰা শংকা/ ফুলিলেই মৰহে বুলি/ মৰহি যায়/ নতুন এটি ফুলে/ এনেকৈয়ে জীৱন/ জীৱনৰ মাধুৰ্য'। এই যে প্ৰকাশ তাতেই যেন অভ্যন্তৰত প্ৰতিপালিত হৈ থাকে কাব্যিক সুৰৰ গুঞ্জন।

কবিৰ কবিতাত পটভূমি নিৰ্মাণৰ দক্ষতা শলাগিবলগীয়া। জীৱনৰ বিচিত্ৰতাকো তেওঁ ভাবনাৰ ভাষা হিচাপে গ্ৰহণ কৰিছে। তেওঁ জীৱনৰ প্ৰাণস্পন্দনক অনুভৱ কৰিব পাৰিছে। কবিতাৰ বোৱঁতী ধাৰাটোক তেওঁ এটি বিশেষ মাত্ৰা প্ৰদান কৰিছে। এটা নিৰ্দিষ্ট বিন্দুক কেন্দ্ৰ কৰি তাৰ চাৰিওফালে এটা নিৰ্দিষ্ট দূৰত্বত আন এটা বিন্দু ঘূৰালে যি ঘুৰণীয়া, সমতল ৰেখাৰ সৃষ্টি হয়, তাকে বৃত্ত বোলে। হয়নে? নহয়। কবিৰ মতে 'বৃত্ত' হৈছে- 'এদিন আঙুলিয়ে আঁকিলে বৃত্ত/ লক্ষ কেন্দ্ৰ/ অনুভৱ জীৱনৰ/ বৃত্ত মাত্ৰ/ উভতি আহে। কেন্দ্ৰলৈ।' এৰা, এয়াতো জীৱন...।

বাস্তৱ জীৱনক কল্পনাৰে সংহত কৰাৰ ক্ষেত্ৰতো কবি অক্লান্ত শিল্পী কৰ্মী। শব্দৰ খেল তেওঁৰ/ 'স্পন্দিত প্ৰতীতি'ত/ য'ত উৰুখা পজাঁৰে ৰাতিৰ জোনটো/ কেতিয়াবা ওলায়/ কেতিয়াবা লুকায়। বৰষুণৰ পানী/ মজিয়াত ডোং বান্ধে/ সিঁচি সিঁচি ভাগৰি পৰে আই।' কেনে সুন্দৰ এই চিত্ৰ, চিএৰ ভাষা। কোনে পাহৰে (মোৰ) আইক?

কাব্য সাধনাৰ বিশিষ্ট সফলতা বুলি কোৱা যায় কবিৰ 'চেতনাৰ আবিৰ' নামৰ কবিতাটো। বুদ্ধ চেতনাৰ গূঢ় ৰহস্যক সংক্ষিপ্তভাৱে সংক্ষিপ্ততাৰে গভীৰ কৰি তোলাৰ যি প্ৰচেষ্টা সি কবিকৰ্মৰ সিদ্ধিলাভ। এই সৰু কবিতাটোত আমি লগ পাইছোঁ সময়ক। জৰা-মৃত্যু-শোক প্ৰৱঞ্চনাৰ উৰ্দ্ধৰ এটা নতুন প্ৰাপ্তি সত্যজ্ঞান। কবিৰ ভাষাত-'চেতনাৰ আবিৰ'।

শৰ্মাই পত্নীক লৈ কবিতা লিখিছে। সেই কবিতাই হৃদয়ৰ দুৱাৰ টুকুৰিয়াইছে। তেওঁৰ অৰ্থৰ কবিতাই সাৰ্বজনীনতা পাইছে। শ্বাশ্বত সত্য মৃত্যুৰ বশ্যতা স্বীকাৰ কৰি পত্নীক জীৱন-যন্ত্ৰণাৰ সাজটো পিন্ধাবলৈ গৈ তেঁও দুখত কাতৰ হৈ পৰিছে। বুকু ধৰফৰ কৰিছে আৰু আত্মযন্ত্ৰণাই আশ্ৰয় বিচাৰি ফুৰাৰ সময়তে তেওঁ কবিতাৰ আশ্ৰয় লৈছে। অৰ্থাৎ কবিতাৰ ওচৰৰ তেওঁ নতি স্বীকাৰ কৰিছে।

'পিতা', আৱেগ-আদৰ্শেৰে বন্দী এই শব্দ। 'প্ৰফুল্ল' যে এই পিতাৰে নাম/ যি কান্ধত নাঙল/ হাতত এছাৰি (লৈ)/ পথাৰলৈ বাট পোনাই/ চাৰিকুৰি পোন্ধৰতা শীত গচকি/ পিতাইৰ সেউজীয়াৰ মোহ.../গধূলিৰ ধূলিত পিতাইৰ নমনা খোজ/ পূৱাৰ উজ্জ্বল সপোন (প্ৰফুল্ল)। অনিবাৰ্য আৱেগক সৃজনী শক্তিৰে তেওঁ জীপাল কৰি তুলিছে। স্থিতি আৰু স্মৃতিক মোহনীয় ৰূপত তুলি ধৰি পিতৃ বন্দনা কৰিছে। চাৰিকুৰি পোন্ধৰতা শীতৰ গৰাকী তেওঁৰ পিতৃৰ মহিমামণ্ডিত ৰূপটো তুলি ধৰিবলৈ গৈ কবি ভাবনাৰ উজ্জ্বল সীমনাক তেওঁ স্পৰ্শ কৰিছে।

স্বৰ্ণকন্যা হিমা, জাহ্নৱী গোস্বামী, বীৰুবালাক লৈ কবিৰ এহাত বুকু। জীৱনৰ হেজাৰটা প্ৰত্যাহ্বান নেওচি দৃঢ়তাৰে খোজ দি আগুৱাই অহা জাহ্নবীক তেওঁ ছেলুট দিয়ে। স্বৰ্ণকন্যা 'হীমা'ৰ ক্ষেত্ৰতো তেওঁ যেন প্ৰেৰণাৰ অফুৰন্ত আকৰ। অনুভৱৰ বিশাল নৈখনত তেওঁ মাজে মাজে থমকি ৰয়; কাণপাতি শুনিবলৈ যত্ন কৰে হিমাৰ দুভৰিৰ ৰুণুক-জুনুক শব্দ। তেওঁ দেশৰ গৌৰৱ এই কন্যাক প্ৰশ্ন কৰে- 'সংকল্প-সাগৰে/ ধুৱাই দিয়ে নেকি/ তোৰ দুভৰি হিমা/...বোকা-পানী মিহলি/ গাঁৱলীয়া আলি/ ৰ'দে পোৰা দেহ (হিমা)। 'হিমা'ৰ জীৱনত এতিয়া অলেখ তৰাৰ তিৰবিৰণি/ অৰুণৰ সাতৰঙী আভা আৰু এই জীৱনলৈ কবিয়ে জনায় হিয়াভৰা শুভেচ্ছা।

উল্লেখিত কবিতাকেইটাৰ বাহিৰেও 'বাদুংদুপ্পা', 'ডাঙৰি', দুৰ্যোধন', 'মেদোৰতাৰী ঘাট', 'মাহীমা-মালিতা', 'প্ৰৱাহে প্ৰৱাহে', 'চকুপানী', 'মাকো' 'আৰু নবজাবি ঢাক অ' ঢাকুৱা', 'থিৰিকী আদি কবিতাকেইটিও কবিয়ে স্বকীয়তা প্ৰদান কৰা কবিতা।

**বৰপেটা সত্ৰ আৰু লোক জীৱনৰ উৎসৱ-পাৰ্বন**
**লেখক - ড° বাবুল চন্দ্ৰ দাস**
**আলোচক- হেম কাকতি (৯৪৩৫০-৪১৩৮১)**

ড° বাবুল চন্দ্ৰ দাস ভাষা বিজ্ঞানৰ শিক্ষক। তেওঁ অসমীয়া সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰি বহু কথা লিখিছে। বিশেষকৈ সত্ৰীয়া সংস্কৃতি আৰু জনজীৱনৰ উৎসৱ-পাৰ্বণক লৈ তেওঁ নতুনকৈ অতি উচ্চখাপৰ তথ্য সম্বলিত পুথি ৰচনা কৰিছে। মহাপুৰুষ দুজনাৰ কৰ্মকৃতি বাদ দি অসমীয়া ভাষা সাহিত্য তথা কলা-সংস্কৃতিৰ সকলো ক্ষেত্ৰতে গুৰু দুজনাৰ মনোৰম সৃষ্টিৰাজিয়ে বৰ্ণাঢ্য পৰিমণ্ডলৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত বৰপেটা সত্ৰ নামঘৰে শ শ বছৰ ধৰি নিৰৱিচ্ছিন্নভাৱে সত্ৰীয়া সংস্কৃতিৰ বিভিন্ন ধাৰা প্ৰচাৰ আৰু প্ৰসাৰ কৰি আহিছে।

ড° দাসে পুথিখনত মুঠ ছটা অধ্যায়ত ক্ৰমে- 'বৰপেটাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনধাৰাৰ পটভূমি', 'অসমীয়া সংস্কৃতি আৰু উৎসৱ-পাৰ্বণৰ ভূমিকা', 'বৰপেটা সত্ৰৰ উৎসৱ-পাৰ্বণৰ ভূমিকা', 'বৰপেটা সত্ৰৰ উৎসৱ-পাৰ্বণ', 'বৰপেটাৰ লোঁকজীৱনৰ উৎসৱ-পাৰ্বণ', 'উৎসৱ-পাৰ্বণৰ লগত জড়িত গীত-মাত' আৰু 'বৰপেটা উৎসৱ-পাৰ্বণৰ নান্দনিক দিশ' আদিত তথ্য সহকাৰে সকলো দিশ সামৰি আলোচনা কৰিছে। ড° দাসে পুথিখন সমগ্ৰ অসমীয়া সংস্কৃতিৰে নিখুঁতভাৱে উপস্থাপন কৰিছে। বৰপেটা সত্ৰৰ প্ৰসংগ লৈ বিষয়বোৰ আলোচনা কৰিছে। সত্ৰীয়া ৰীতি-নীতি, গীত-মাত আদি বিভিন্ন সত্ৰকেন্দ্ৰিক উৎসৱ বৰপেটা সত্ৰত কিদৰে বিশুদ্ধভাৱে পালন কৰি অহা হৈছে সেইবোৰৰ বৰ্ণনা দিবলৈ গৈ ড° দাসে গুৰু দুজনাৰ আৰু পৰৱৰ্তী আতা পুৰুষসকলৰ জন্ম-মৃত্যু তিথি আদিত পালন কৰা উৎসৱসমূহৰো উল্লেখ কৰিছে। তদুপৰি ব'হাগ বিহু, মাঘ

বিহু, কাতি বিহু, জন্মষ্টমী, কীৰ্তন, দৌল উৎসৱসমূহৰ উদযাপন নীতি-নিয়মসমূহ সূক্ষ্মভাৱে বিচাৰ কৰিছে। সত্ৰ নগৰী বৰপেটাৰ জনজীৱনত উদযাপিত সৰু-বৰ অনেক উৎসৱৰ ফটো সহিতে অতি নিখুঁত বৰ্ণনা দিছে। সেইবোৰৰ বিশুদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ সত্ৰ পৰিচালনা সমিতি, সত্ৰৰ বিভিন্ন বংশৰাৰ ব্যক্তি, চৰকাৰী নথি-পত্ৰ, বিভিন্ন গ্ৰন্থ, সাঁচিপাত, আলোচনী আৰু অনেক বিজ্ঞ লোকৰ পাৰমৰ্শ লৈছে। জনসমাজৰ পৰা বিলুপ্ত হ'বলৈ ধৰা অনেক লোক-উৎসৱ লিখিতভাৱে পুনৰ উদ্ধাৰ কৰি তেওঁ পুথিখনত উল্লেখ কৰিছে।

**ছবি তুমি মই আৰু আমাৰ কথাৰে - In 'D' Language of Printing & Poetry'**
**লেখক - মুনীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য**
**অনুবাদ - দেৱাশীষ বেজবৰুৱা**
**আলোচক- অতুল্য মাধৱ গোস্বামী (৯৪৩৫১-৪৬১০০)**

গ্ৰন্থখনৰ কবিতাবোৰে কবিজনৰ জাতীয় জীৱনৰ ঘাইশিপাৰ সৈতে আলিংগনৰ চিৰতন বুলি প্ৰতিপন্ন কৰিছে। কবিৰ যিটো গুণ গ্ৰন্থখনে পৰিস্ফুট কৰিছে সেইটো হ'ল কবিতাক তেওঁ চিত্ৰকৰী মনৰ পুৰঠ পৰশেৰে উদ্ভাসিত কৰাটো। ভট্টাচাৰ্যৰ প্ৰতিটো কবিতাৰ বিষয়বস্তুৰ সৈতে একাত্ম হৈ অগ্ৰসৰ হ'লে চিন্তালোকলৈ আপোনা-আপুনি ভাহি আহে একাধিক পেইণ্টিঙৰ ৰামধেনু। চিত্ৰকল্পৰ এই শৈলীৰ বাবে কবিক প্ৰয়োজন ব্যতিক্ৰমী চিন্তা।

কবিয়ে আগ্ৰহী পঢ়ুৱৈক প্ৰথমেই এটি ৰুমান্টিক কবিতাৰ সুগন্ধি সুবাস দিছে। 'তুমি মোৰ নোহোৱা বাবেই হয়তো/ মই তোমাক ধুনীয়া দেখোঁ/ তোমাক তেওঁ/ ধুনীয়া দেখিলেহেঁতেন/ যদি কেতিয়াবা তুমি/ মোৰ হ'লাহেতেন...' কবিজনে গ্ৰন্থখনক এখন দৰেই জাতিস্কাৰ কৰিছে। এই ফুলনিখনৰ কব্যগুণৰ বুটাবছা কথাৰে, পাতনি লিখিছে বিজয়শংকৰ বৰ্মণে। বাৰ পৃষ্ঠাজোৰা এই কাব্যগুণ বীক্ষণৰ নাম দিয়া হৈছে 'অপসাৰী প্ৰতীতিৰ ছিম্ফনী'। ইংৰাজীলৈ অনুবাদ হোৱা কবিৰ কবিতাৰ অংশটিৰ পাতনি লিখিছে বিশিষ্ট সমালোচক বিভাস চৌধুৰীয়ে। চৌধুৰীয়ে তেওঁৰ পাতনিৰ মোখনিত লিখিছে- This is a Collection of verse that imbibes the sense of life through reference to the materiality of existence, but does not confine itself to that alone, for there is a consistent engagement with words that make understanding an art worthy of encapsulation.'

বিজয় শংকৰ বৰ্মণে অনুভৱখিনি লিখিছে এনেদৰে- 'আমাৰ বোধেৰে এহি কবিতাখিনিত আমি সমান্তৰালভাৱে তিনিটা সত্তা আৱিষ্কাৰৰ সুযোগ পাওঁ- কবি, সমাজদ্ৰষ্টা আৰু শিল্পী। ইয়াত কবিৰ স্বৰ পৌৰুষদীপ্ত, খেয়ালী আৰু কিছু পৰিমাণে নাটকীয়। কবিসত্তাৰ প্ৰবৃত্তিগত সংবেদনশীলতা নহয়, কথকৰ ৰূপত কবিৰ স্বৰ তথা বচনহে ইয়াত সজোৰে উচ্চাৰিত হৈছে। এই স্বৰ কবিৰ ভিতৰত জাগি থকা সমাজসম্ভূত এটি সমালোচনা, দ্ৰষ্টাৰ স্বৰ। এই স্বৰ যেন সৰলৰৈখিক, কঠিন...।'

কবিয়ে তেওঁৰ প্ৰতিটো কবিতাক এটি জ্যামিতিক মাত্ৰা দিছে। কবিৰ এই জ্যামিতিক যাত্ৰাত সহমৰ্মী হ'ব নোৱাৰিলে উজুতি খোৱাৰ আশাংকা প্ৰবল। কবিৰ শব্দচয়ন চমৎকাৰী। প্ৰায়বোৰ শব্দৰ নিৰ্বাচন ৰজিতা খোৱা। 'হেৰাই থাকিল/ চদ্মমাযোৰ আজি...', 'সম্পৰীক্ষা আৰম্ভ কৰিছোঁ/ আজি কিছুদিন ধৰি/ নতুন ধাৰণা কিছুমানক লৈ/ কেনভাছত ছবি আঁকাটো...' কবিতা দুটি সৰু উদাহৰণ।

সৰস্বতী পূজাক লৈ ভট্টাচাৰ্যই লিখা 'ৰং-ৰহইচেৰে ভৰি পৰিছে...' কবিতাটিৰ মাধুৰ্য তুলনাবিহীন। শ্লেষৰ সম্ভ্ৰান্ত সমাহাৰ ঘটা কবিতাটোৰ আবেদন নিজস্ব। কবিৰ শ্লেষৰ চিন্তাসমৃদ্ধ 'মধুমেহৰ ভয়তে...' উল্লেখনীয়।

‘বেঙনীয়া ৰংটোৰ প্ৰতি/ বিশেষভাৱে দুৰ্বল মই’/ -কয় কথাষাৰ/ গংগোত্ৰীয়েও/ প্ৰায় আজিকালি/ ফাগুনৰ বতাহজাকৰ দৰে/ উন্মাদ নেকি তায়ো...’ কবিতাটিৰ উৎকৰ্ষ ভাৱনাৰ সুৰভিয়ে মন ভৰায়।

‘সম্পৰীক্ষা আৰম্ভ কৰিছোঁ...’ কবিতাটিৰ অনিন্দিতাৰ কলিজাটোক লৈ কৰা বৰ্ণমালাৰ শৈল্পিক অস্ত্ৰোপচাৰ অনুপম চিন্তাৰ প্ৰকাশ।

কবি ভট্টাচাৰ্যৰ ‘প্ৰতিবাদ কৰোঁ আমি/ সদায়/ ন্যায় বিচাৰি/ সমদলো উলিয়াওঁ...’ কবিতাটিৰ প্ৰাসংগিকতাই অসমক সততে ৰক্তস্নান কৰাই থাকে। কবিৰ উষ্ণমানৰ অনুভূতি, শাশ্বত চিন্তাৰ কথকতাই চকুৰ আগেৰে পাৰ হোৱা বৰ্ণমালাৰ এটা সমদলৰ শেষ অধ্যায়ৰ বাস্তৱতাক অংকন কৰিছে।

**THE ATLAS OF REDS AND BLUES**
**লেখিকা - দেৱী এচ্ লস্কৰ**
**প্ৰকাশক - হেচেট**
**আলোচক - চম্পক শৰ্মা**

লেখিকা হিচাপে উপন্যাসৰ জগতখনত লস্কৰৰ এয়া প্ৰথম খোজ। ২৭২ পৃষ্ঠাৰ এইখন তেওঁৰ প্ৰথম উপন্যাস। ঘটনাৰ পটভূমি আমেৰিকাৰ আটলান্টা মহানগৰীৰ। তাত এখন সংবাদপত্ৰত কাম কৰে এগৰাকী ভাৰতীয় মূলৰ মহিলাই। তেওঁৰ তিনিগৰাকী কন্যা। উপন্যাসখনত মহিলাগৰাকীক ‘মাদাৰ’ বুলি বৰ্ণনা কৰা হৈছে। তেওঁৰ স্বামীক উপন্যাসখনৰ ‘হিৰ’ বা নায়ক বুলি উল্লেখ কৰা হৈছে। তেওঁক এজন আৰক্ষীয়ে কিবা কথাত গুলীয়াই হত্যা কৰিছিল। কিন্তু সমস্ত উপন্যাসখনত মহিলাগৰাকীৰ স্বামী কি দোষত দোষী হৈছিল, তাৰ কোনো উল্লেখ নাই। কিন্তু স্বামীৰ মৃত্যুৰ পিছত মহিলাগৰাকীৰ সংগ্ৰামী জীৱনটোৰ কথা উপন্যাসখনত সবিস্তাৰে বৰ্ণনা কৰা হৈছে। উপন্যাসখনত তিনিজনী ছোৱালী ডাঙৰ কৰিবলৈ মাকে কৰা পৰিশ্ৰমৰ কথা বৰ্ণনা কৰিছে। উপন্যাসখনত ভাৰতৰ কলকাতা মহানগৰীৰ টুকুৰা টুকুৰা দৃশ্যয়ো ভুমুকি মাৰিছে। বাঙালী সংস্কৃতিৰ স্পৰ্শও উপন্যাসখনত আছে। একো একোটা স্থানত উপন্যাসখনত ৰাজনৈতিক ঘটনাৱলীৰ বৰ্ণনা, বৰ্ণবাদী ঘটনাৱলী আৰু তদজনিত বৈষম্যৰ কথা বিস্তাৰিতভাৱে উল্লেখ কৰা হৈছে। উপন্যাসখন মূলতঃ নাৰীশক্তিক ‘চ্যলুট’ দিয়াৰ উদ্দেশ্যৰে লিখা এখন উপন্যাস।

**বুলবুলিৰ মাত**
**লেখিকা - প্ৰতিমা মণ্ডল**
**প্ৰকাশক - ছায়া প্ৰকাশন**
**আলোচক - বিনয়ৰঞ্জন শৰ্মা (৮৬৩৮৩-০৭৯০৬)**

শিশু গীতৰ এখন অনুপম গ্ৰন্থ। শিশুসকলৰ উপযোগীকৈ প্ৰস্তুত কৰা হৈছে এই গ্ৰন্থখনি। আঠচল্লিশটা গীতেৰে সমৃদ্ধ এই পুথিখন। লেখিকা ধুবুৰী জিলাৰ চাপৰৰ বাসিন্দা যদিও বৰ্তমান মঙলদৈ নগৰৰ স্থায়ী বাসন্দা। প্ৰতিমা মণ্ডল এগৰাকী সংগীতৰ শিক্ষয়িত্ৰী হোৱাৰ লগতে সবুৰেপৰা পিতৃ ডঃ নাৰায়ণ সৰকাৰৰ তত্বাৱধানত সংগীতৰ বিভিন্ন ধাৰাৰে শিক্ষিত এগৰাকী সংগীতৰ সাধক বৰগীত, ভজন, লোকগীত, বাউল সংগীত, আধুনিক গীত (অসমীয়া, বাংলা) ৰবীন্দ্ৰ সংগীত, নজৰুল সংগীত, শ্যামা সংগীত আৰু গোৱালপৰীয়া লোকগীতৰ কন্ঠশিল্পী হিচাপে বিশেষভাৱে পৰিচিত। তদুপৰি বিভিন্ন সামাজিক কামতো জড়িত মণ্ডল। তেওঁৰ আন এখন গীতৰ পুথি হ’ল ‘গীতৰ সম্ভাৰ’।

‘বুলবুলিৰ মাত’ পুথিখনত যি কেইটা গীত সন্নিৱিষ্ট কৰা হৈছে প্ৰত্যেকটো গীতেই শিশুসকলক গভীৰভাৱে আকৰ্ষণ কৰিব পাৰিব। গীত সৰোবৰত বিচৰণ কৰি প্ৰতিমা মণ্ডলে বাস্তৱতাৰ প্ৰতীক আৰু শিশুসকলক ভৱিষ্যতৰ ৰঙীণ সপোন গঢ়াৰ উজ্বল প্ৰয়াস কৰি গীতসমূহ ৰচনা কৰিছে। প্ৰতিটো গীততে আছে সুন্দৰ লয়, ভাব-ভাষা। গীতসমূহ কাহাৰবা, খেমটা, দদৰা, তালত বন্ধা আছে। গীতৰ পুথিখনৰ প্ৰথমটি গীত হ’ল খেমটা তালত বন্ধা ‘…সা, ৰে, গা, মা, পা, অ, অ, পা, পা। লিখি দিম তোমাক অ ফলা/ ছবি এটিও আঁকি দিম/ ৰং দিম গোলপীয়া/ দেখাত হ’ব মোহনীয়া…’ একেদৰে কাহাৰবা তালত বন্ধা আন এটি গীত হ’ল- ‘মন যায়, পখিলা হৈ’। …মন যায়, পখলা হৈ/ আকাশলৈ উৰা মাৰিবলৈ/ মন যায় পখিলা হৈ নিজান/ বনে বনে উৰি ফুৰিবলৈ/ মন যায়…’।

**শিলৰ সাধু**
**লেখক - কমল শৰ্মা**
**আলোচক - সৌৰভময় ভট্টাচাৰ্য (৮২৫৬০-১৯২৭০)**

প্ৰজ্ঞা মেধাৱী ছোৱালী। অভিমন্যুৰ বৰ আদৰৰ পত্নী তাই। তাইৰ শিলৰ বিষয়ে গৱেষণা কৰি আছে, জীয়া শিলৰ বিষয়ে। শৈশৱতে আইতাকৰ জীয়া শিল বুঢ়াৰ কথা শুনিছিল তাই আৰু কৈশোৰত লহপহকৈ বাঢ়িবলৈ ধৰা তাইৰ দেহটোলৈ চায়ো আইতাকে জীয়া শিলৰ সৈতে তুলনা কৰি সাৱধান হ’বলৈ কৈছিল।

শিলৰ বুকুত বহুত ৰহস্য, বহুত কথা অন্তৰ্নিহিত হৈ আছে। সেই ৰহস্যৰ উমান ল’বলৈ গৈ, সেই অযুত বাৰ্তাৰ সন্ধান কৰিবলৈ গৈ প্ৰজ্ঞা নামৰ মেধাৱী, উচ্ছল ছোৱালীজনীও অৱশেষত এটি শিল হৈ গ’ল। এয়াই হয়তো জীৱন! শিলে শিলে বৈ যোৱা জীৱনৰ অলক্ষিত সাধু।

প্ৰজ্ঞা ‘শিলৰ সাধু’ শীৰ্ষক গল্পটোৰ নায়িকা। একে নামৰ নৱতম গল্প সংকলনটোত সন্নিৱিষ্ট এই গল্পটোত কাহিনীৰ নতুনত্ব আছে, যিয়ে কিছু অগতানুগতিক চিন্তাৰ সন্মোহনী তৰংগ আমাৰ মন গহ্বৰলৈ কঢ়িয়াই আনে। সাম্প্ৰতিক অসমীয়া গল্প-সাহিত্যৰ গম্ভীৰ চৰ্চাকেন্দ্ৰলৈ সেইবাবে গল্পটোৱে সজোৰে বাট বুলিবলৈ সক্ষম বুলি ক’ব পৰা যায়।

গল্প সংকলনটোৰ আন এটি চৰিত্ৰ শান্তি। প্ৰেমৰ মায়াময় বাটেৰে দৌৰি আহি তাই প্ৰফুল্লৰ নঙলামুখৰ শলখা খুলিছিল। মাক-দেউতাকৰ সৰল বিশ্বাসক ফাকি দি যি হেঁপাহেৰে তাই প্ৰফুল্লৰ সহজ-সৰল, নিভাঁজ জীৱন বাটত লগৰী হৈছিল; আৰ্থিক অনাটন আৰু প্ৰফুল্লৰ সংসাৰবিমুখ চৰিত্ৰই সেই হেঁপাহক যেন লাহে লাহে বিৱৰ্ণ কৰি পেলাইছিল। প্ৰফুল্ল পুতলা নচুওৱা বৃত্তিৰ লগত জড়িত, যি বৃত্তিৰ আদৰ আধুনিক সমাজখনত লোপ পাই আহিছে। পৰিৱৰ্তনৰ বতাহে কোবাই থান-বান কৰা পুতলা নচুওৱা খেলৰ মোহত বন্দী প্ৰফুল্লই আৰ্থিক দিশতো আওকনীয়া হৈ শান্তিৰ কষ্ট বঢ়াই তুলিছিল। কিন্তু বৰ আদৰেৰে সজাই-পৰাই সযতনে ৰাখি পুতলাকেইটাৰ লগত অহৰ্নিশে উমলি থাকি প্ৰফুল্লই যে আচলতে সন্তানৰ সুখ বিচাৰি ফুৰে আৰু সেই সুখেৰে শান্তিক আৱৰি ৰাখিব খোজে, সেয়া জনাৰ পিছত শান্তিৰ সকলো দুখ-যাতনা নিবিড় প্ৰাশান্তিৰ ছায়াই ঢাকি পেলায়। পৰম বিশ্বাসৰ বিমল ভালপোৱাই ‘নেদেখা সূতাৰ খেলা’ শীৰ্ষক গল্পটোত মধুৰ বাৰ্তা কঢ়িয়াই আনিছে।

‘গ্ৰহণৰ জোন’ শীৰ্ষক গল্পটোৰ নায়িকা ছায়া। পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা তাই। অথচ ঘৰুৱা কাম-বনত সহায় কৰি দিয়া পদ্মা নামৰ তিৰোতাজনীয়ে যেতিয়া ক’লে- ‘বাইদেউ, গা ভাৰী তিৰোতাই গ্ৰহণৰ সময়ত ঘৰৰ বাহিৰ ওলাবলৈ নাপায়’; তেতিয়া ছায়া শংকিত হ’ল। গল্পকাৰে লিখিছে- অজানিতে ছায়াৰ সোঁহাতখনৰ আঙুলিকেইটাই খেপিয়াই গৈ তাইৰ নাভি প্ৰান্তত বৈ গ’ল। পূৰ্ণিমাৰ ঘূৰণীয়া জোনটোহে যেন তাইৰ পেটলৈ নামি আহিছে। পদ্মাৰ কথাষাৰে তাইক বাৰুকৈয়ে আক্ৰমণ কৰিলে।

কিন্তু মাধুৰ্যই সন্তানসম্ভৱা ছায়াক অন্ধবিশ্বাসৰ পিটনিত খোজ নিদিবলৈ সকীয়াই দিলে। ‘প্ৰকৃতিৰ কোনো ৰূপে কাৰো জীৱনলৈ পংগুত্ব আনিব নোৱাৰে’ বুলি কৈ মাধুৰ্যই ছায়াক আশ্বাস আৰু সেই আশ্বাসৰ বতাহে দুশ্চিন্তাবোৰ দূৰলৈ ঠেলি পঠিয়াইছে। অন্ধবিশ্বাস কিছুমান সাবটি এচামে আমাৰ সমাজ জীৱনলৈ নানান সমস্যা, ভাবুকি, যন্ত্ৰণা কঢ়িয়াই থকা সময়ত এনে ধৰণৰ সমাজ সচেতনমুখী গল্প, কাহিনীৰ বৰ প্ৰয়োজন।

বানে নিঠৰুৱা কৰা কেৱলীয়া ভকত ৰজনীৰ জোনাকবিহীন জীৱনৰ ছবি অংকিত হৈছে ‘জোনাকে নোচোৱা পাৰ’ত। ভদীয়া বানে অকলশৰীয়া কৰি পেলাইছিল ৰজনীক। ব্যথাভৰা মনক শান্ত কৰিবলৈ ৰজনীয়ে গুৰু দুজনাৰ গীত-পদ সুৰ লগাই গোৱা আৰম্ভ কৰিলে। গাঁৱৰ মানুহে ৰজনীক নামঘৰৰ দায়িত্ব দিলে। কিন্তু কোনোবা ধুৰন্ধৰৰ দ্বাৰা অন্তঃসত্তা হোৱা তৰুলতা নামৰ ছোৱালীজনীয়ে ৰজনীৰ ভকতীয়া জীৱনটোত আচম্বিতে আউল লগাই দিলে। আত্মহত্যা কৰিবলৈ যোৱা তৰুলতাক বচাবলৈ গৈ ৰাইজৰ মিছা সন্দেহ আৰু আক্ৰোশৰ মাজত সোমাবলগীয়া হয়। কিন্তু ‘অবিশ্বাসৰ পৃথিৱীত বিশ্বাস বিচাৰি ৰজনীৰ বুকুৰ মাজত পুনৰ ভয় আৰু শংকাৰে তৰুলতাই মুখখন জোৰেৰে গুঁজি দিলে। এনেকুৱা দুৰ্ঘটনাৰ মুখামুখি হ’ব লগাত পৰিব বুলি ৰজনীয়ে কোনোপধ্যে ভবা নাছিল।’ আৰু- ‘হঠাৎ ৰজনী এক সিদ্ধান্তত অতল হিমালয়ৰ দৰে স্থিৰ হ’ল। সমাজ আৰু নিজৰ কথা চিন্তা নকৰি তৰুলতাক বুকৰ মাজত জোৰকৈ সাবটি ধৰি বিষণ্ণতাৰে চকুহাল মেলি মৃদুস্বৰত কৈ উঠিল- তৰু, মই বিশ্বাস দিব পাৰোঁ।’

এয়া নিষ্কলুষ মনৰ সাহসী প্ৰতিবাদ আৰু নিপীড়িতজনলৈ শক্তিশালী সহায়। এনে গল্পই সমাজলৈ বিশ্বাস আৰু সহৃদয়তা অনাৰ লগতে সঁচা ভকতৰ অন্তৰাত্মাই গুৰু দুজনাৰ প্ৰকৃত আদৰ্শ বিলোৱাৰ সাৰ্থকতাও প্ৰকাশ কৰে।

সংকলনখনৰ আন এটা গল্প হ’ল ‘উৰি নোযোৱা জিঞা’। ঢুলীয়া পাৰ্টীত ঢোল বজোৱা পিতাকেই সাৱিত্ৰীৰ একমাত্ৰ অৱলম্বন। পিতাক ঢোলৰ লগত ব্যস্ত হৈ থাকোতে তাইৰ মাক মৰিল আৰু একমাত্ৰ ককায়েকেও বিদ্ৰোহ কৰি চিৰদিনৰ বাবে ওলাই গ’ল। গতিকে পিতাকৰ আৱেগ-অনুভূতিক চেনেহ আকলুৱা সন্মান যাচিবলৈ সাৱিত্ৰীয়ে ঢোলৰ মাৰি হাতত ল’লে। তাইও পিতাকৰ পাৰ্টিৰ সদস্য হৈ পৰিল। কিন্তু এই লোককৃষ্টিবিধলৈ আধুনিক সমাজৰ অনাদৰ-অৱহেলা বৃদ্ধি পাই অহাৰ সময়তে সাৱিত্ৰীৰ প্ৰেমিক ভাগ্যজিতেও ঘোষণা কৰে- ‘মই আৰু ঢুলীয়া পাৰ্টীত নাথাকোঁ।’ পিতাকৰ সন্তুষ্টিৰ বাবে আৰু ভাগ্যক ওচৰতে পোৱাৰ আগ্ৰহত ঢোল শিকা সাৱিত্ৰীৰ মূৰত যেন সৰগ ভাগি পৰিল। গল্পকাৰে কৈছে- ঢুলীয়া সন্তান বুলি পৰিচয় দিবলৈ লাজ কৰা এসময়ৰ বিপ্লৱী ককায়েকলৈ তাইৰ খং উঠে। সুবিধাবাদী চৰিত্ৰৰে সমাজত প্ৰতিষ্ঠিত হ’ব খোজা ককায়েকৰ দৰে অকৃতজ্ঞ, স্বাৰ্থান্বেষী মানুহবোৰক তাই ঘৃণা কৰে। ভাগ্যৰ কথাত তাই ভীষণ জেদী হৈ উঠে।

দুশ্চিন্তাৰে ঘৰলৈ দৌৰি সাৱিত্ৰীয়ে গম পায়- পিতাকেও তাইক এৰি গৈছে। উৰি নোযোৱা জিঞাৰ দৰে যেন স্থৱিৰ হৈ গৈছে সাৱিত্ৰীহঁতৰ সংসাৰ, সিহঁতৰ হাতৰ কঁলা-কৌশল আৰু আমাৰ সত্তা চুই থকা মাটিৰ লগত সম্পৃক্ত একো একোটা লোককৃষ্টি।

**(১৫/০৩/২০১৯)**
**চিত্ৰ-গ্ৰীৱা**
**মূল - Gay Neck**
**লেখক - ধন গোপাল মুখাৰ্জী**
**অনুবাদ - দেৱজিৎ শইকীয়া**
**প্ৰকাশক - নেচনেল বুক ট্ৰাষ্ট ইণ্ডিয়া**
**আলোচক - ময়ূৰী থাউণ্ড (৮৬৩৮৭-৯০০৬৯)**

‘ৰাজোচিত গাম্ভীৰ্যৰে পূৰ্ণ বৃহৎ বৃহৎ চৰাইকেইটাৰ প্ৰচণ্ড গৰ্জন বাঢ়িল আৰু সৰ্ত্ৰ আৱৰি ধৰিলে স্বৰ্গীয় ঐক্যতানৰ এখন চন্দ্ৰতাপৰ দৰে, তাৰ আগ্ৰাসী বিশালতা আন সকলোবোৰ সৰু সৰু শব্দ মাৰ নিয়ালে। আঃ কি যে অপূৰ্ব সুৰৰ মায়াজাল আছিল সেয়া। মই কেনেকৈ পাহৰিম? গৰ্জনৰ উপৰি গৰ্জন আৰু প্ৰচণ্ড শব্দৰে সৃষ্টি হোৱা সুৰৰ ধ্বনিবোৰ ইটোৰ ওপৰত সিটো আহি শব্দৰ মহাপ্লাৱনৰ দৰে নিনাদ তুলিলে...। সৌন্দৰ্য বাৰু মৃত্যুৰ ইমান নিকট কিয় হয়? আকাশৰ সেই অবৰ্ণনীয়ভাৱে অনুপম স্বৰ্গীয় সংগীত মই অন্তৰেৰে উপভোগ কৰিবলৈ ধৰিছিলোহে, তেনেতে হঠাৎ কিছুমান জুইৰ গোলক আহি ধাৰাসাৰ বৰষুণৰ দৰে আমাৰ চাৰিওফালে পৰিবলৈ ধৰিলে। বহুত মানুহ বাগৰি পৰিল আৰু মৰিল... তেজেৰে লুতুৰি-পুতুৰি ৰাচেলদাৰে থপজপকৈ এটুকুৰা কাগজ মোৰ ভৰিত বান্ধি দি মোক সজাৰ পৰা মোকলাই দিলে।’

‘মই সঁচাকৈয়ে উৰা মাৰিলো জানা, মোৰ প্ৰভু কিন্তু মই যি দৃশ্য দেখিলোঁ সি মোৰ ডেউকা দুখন প্ৰায় জঠৰ কৰি পেলালে। ট্ৰেঞ্চবোৰৰ ওপৰত আকাশখন হৈ পৰিছিল উৰণীয়া জুইৰে বোৱা এখন কাপোৰ। ... মোৰ ওপৰেদি উৰি আছিল লাখ লাখ জুইৰ মাকো। সিহঁতে যেন জীৱনৰ তাঁতশালখনত বিনাশৰ ৰঙা চাদৰখন বৈ আছিল। কিন্তু মই ওপৰলৈ যাব লাগিব... মই হ’লোঁ ‘চিত্ৰ-গ্ৰীৱা’... মোৰ দেউতাৰ ল’ৰা।’ এয়া মোৰ সূক্ষ্ম অনুভূতিপ্ৰৱণ, স্বাভিমানী, সংবেদনশীল এটি পাৰ চৰাইৰ দুঃসাহসিক অভিযানৰ নান্দনিক অন্তৰ্স্পৰ্শী বৰ্ণনাৰ কিছু অভিব্যক্তি।

‘Gay Neck’- গ্ৰন্থখন বহুতৰ বাবে হয়তো পৰিচিত আৰু বহুতৰ বাবে নিশ্চয় অপৰিচিত। কম সংখ্যক ভাৰতীয়ইহে হয়তো Gay Neck পঢ়িছে নাইবা Gay Neck ৰ ৰচক ধন গোপাল মুখাৰ্জীৰ নাম শুনিছে। ‘Gay Neck’ গ্ৰন্থখন মূলতঃ এখন শিশু পুথি। ‘Gay Neck’ হ’ল এনে এখন কিতাপ- যিখনত এটি পাৰ চৰাইৰ কাহিনীৰে বৈজ্ঞানিক পৰ্যবেক্ষণ কাহিনীটোৰ বুকুত নিমজ্জিত হোৱাকৈ সজোৱা হৈছে, লগতে তথ্য আৰু কাল্পনিক ঘটনাৰ সমন্বয়ৰে এখন মনোৰম উপন্যাসৰূপে পৰিগণিত হৈছে। ‘চিত্ৰ-গ্ৰীৱা’ গ্ৰন্থখনত লেখকে এটা পাৰ চৰাইৰ জীৱনৰ পুংখানুপুংখ বৰ্ণনাৰ লগতে এজন সংবেদনশীল কিশোৰৰ অতি মৰ্মস্পৰ্শী কাহিনীৰে পাঠকক এখন পশু-পক্ষীৰ ৰম্যভূমি জগতৰ লগত পৰিচয় কৰাইছে। ‘চিত্ৰ-গ্ৰীৱা’ হ’ল এটা বৰ্তাবাহী পাৰ চৰাইৰ প্ৰশিক্ষণ আৰু যত্নৰ হৃদয় পুলকিত কৰা আৰু মাজে মাজে হৃদয় ব্যথিত কৰা কাহিনী। কিতাপখনৰ প্ৰথম ভাগত সন্নিৱিষ্ট হৈছে- চিত্ৰ-গ্ৰীৱাৰ জন্ম, চিত্ৰ-গ্ৰীৱাৰ শিক্ষা, দিশ সম্পৰ্কীয় প্ৰশিক্ষণ, হিমালয়ত চিত্ৰ-গ্ৰীৱা, চিত্ৰ-গ্ৰীৱাৰ দুষ্টামি, বৈচিত্ৰময় ভ্ৰমণ। দ্বিতীয় ভাগত উল্লেখ কৰিছে যুদ্ধৰ কাৰণে চিত্ৰ-গ্ৰীৱাৰ প্ৰশিক্ষণ, চিত্ৰ-গ্ৰীৱাৰ বিয়া, দুঃসাহসিক অভিযানৰ বিষয়ে। ভাৰতত এজন চেমনীয়া হিচাপে লাভ কৰা নিজৰ অভিজ্ঞতাৰ পৰা লিখা কাহিনীটোত ধন গোপাল মুখাৰ্জীয়ে বৰ্ণাইছে- কেনেকৈ চিত্ৰ-গ্ৰীৱাৰ গৰাকী অতি উৎসুক আৰু সংবেদনশীল ল’ৰাজনে তাক সুদক্ষভাৱে প্ৰশিক্ষণ দি সাহসী কৰি তুলিছিল আৰু চিত্ৰ-গ্ৰীৱায়ো বিচক্ষণতাৰ পৰিচয় দি নিজৰ বীৰত্ব প্ৰদৰ্শনৰে তাৰ গৰাকীক সেৱা আগবঢ়াইছিল। এটা সময় আছিল- যি সময়ত কলিকতা মহানগৰখনত মানুহৰ সংখ্যাতকৈ পাৰ চৰাইৰ সংখ্যা বহু বেছি আছিল। হিন্দু ল’ৰাবোৰৰ প্ৰতি তিনিজনৰ ভিতৰত এজনে হয়তো এক ডজন বাৰ্তাবাহী পাৰ (Carrier), টাম্বলাৰ (Tumbler), ফেন-টেইল আৰু পাউটাৰ (Pouter) পাৰ পুহিছিল। ভাৰতত পাৰ চৰাইৰ পোহ মনোৱা কৌশল হেজাৰ হেজাৰ বছৰ পুৰণি। উপন্যাসখনত কিশোৰজনৰ অতি মৰমৰ পাৰ চৰাইটোৰ নাম দিছিল ‘চিত্ৰ-গ্ৰীৱা’- গ্ৰীৱা মানে হ’ল ডিঙি আৰু তাৰ ডিঙিটো চিত্ৰৰ দৰে কেইবাটাও উজ্জ্বল ৰঙেৰে বোলোৱা আছিল কাৰণে তাৰ নাম ৰখা হৈছিল ‘চিত্ৰ-গ্ৰীৱা’- মানে ‘ৰংচঙীয়া ডিঙিৰ পাৰ’। চিত্ৰ-গ্ৰীৱাৰ দেউতাক আছিল এটা টাম্বলাৰ আৰু সি সেই সময়ৰ আটাইতকৈ ধুনীয়া পাৰজনী জীৱনৰ লগৰী কৰিছিল। মাকৰপৰা পোৱা জ্ঞান আৰু দেউতাকৰপৰা পোৱা সাহসে হয়তো চিত্ৰ-গ্ৰীৱাক পিছলৈ যুদ্ধ আৰু শান্তি দুয়ো সময়তে চিঠি কঢ়িওৱা কামত পটুতাৰ পৰিচয় দিব পৰাকৈ নিৰ্ভৰযোগ্য পাৰ হিচাপে প্ৰতিপন্ন কৰিছিল। সম্পূৰ্ণকৈ পাখি গজি উঠাৰ পিছতেই বহুতো জটিল পৰিস্থিতিৰ মাজেৰে আৰম্ভ হয় চিত্ৰ-গ্ৰীৱাৰ শিক্ষা, দিশ সম্পৰ্কীয় প্ৰশিক্ষণ আদি কথাবোৰ। কিছুদিনৰ পিছত ভৈয়ামত মাত্ৰাধিক বৰষুণ আৰু গৰমৰ বাবে কিশোৰজনৰ দেউতাকে পৰিয়ালসহ দাৰ্জিলিঙৰ ওচৰৰ ডেন্টাম নামৰ এখন সৰু গাঁৱলৈ যাবলৈ ঠিক কৰে। ডেন্টাম হ’ল এনে এখন গাঁও- য’ৰ পৰা হেঁপাহ পলুৱাই উপভোগ

কৰিব পাৰি সেউজবুলীয়া পৰ্বতৰ নামনিৰ অংশবোৰ, যাৰ ওপৰত সগৌৰৱে থিয় হৈ থাকে হেজাৰ হেজাৰ ফুট ওখ শুদ্ধ বগা পৰ্বতমালা আৰু শিখৰবোৰ।

যুদ্ধৰ বাবে প্ৰশিক্ষণ লোৱাৰ পিছত 'চিত্ৰ-গ্ৰীৱা'লৈ আহিল যুদ্ধৰ আহ্বান। প্ৰথম বিশ্বযুদ্ধৰ সময়ত ফ্ৰান্সত ভাৰতীয় সৈন্য বাহিনীৰ হৈ চিত্ৰ-গ্ৰীৱাক গোপন বাতৰি অনা-নিয়া কামত নিয়োগ কৰা হয়। যুদ্ধক্ষেত্ৰতো সাহসিকতাৰে ভয়ানক পৰিস্থিতিৰ মুখামুখি হৈ নিজৰ জীৱনক তুচ্ছ কৰি সূচাৰুৰূপে কৰ্তব্য সমাধা কৰি চিত্ৰ-গ্ৰীৱা পুনৰ কলিকতালৈ ঘুৰি আহে কিন্তু তেতিয়ালৈ আৰু যুদ্ধৰ বিভীষিকাত ভীতিবিহ্বল চিত্ৰ-গ্ৰীৱাই পুনৰ আকাশত উৰিবলৈ ভয় কৰা হৈছিল। গৰাকীয়ে চিত্ৰ-গ্ৰীৱাক ভয় নিৰাময়ৰ বাবে লৈ যায়- ছিংগালিলা সামাচেৰীলৈ প্ৰাৰ্থনা আৰু ধ্যানৰ যোগেদি ৰোগমুক্ত কৰিবৰ বাবে। এজন বিজ্ঞ লামাই চিত্ৰ-গ্ৰীৱাৰ গৰাকীক এটা প্ৰাৰ্থনা শিকাই দহ দিন একেৰাহে কৰিবলৈ দিয়ে- 'সদায় দোকমোকালি আৰু সন্ধিয়াপৰত চিত্ৰ-গ্ৰীৱাক তোমাৰ কান্ধত বহুৱাই লৈ ক'বা- 'অসীম সাহস সকলো জীৱতে আছে। প্ৰাণ থকা আৰু শ্বাস-প্ৰশ্বাস লোৱা প্ৰতিটো সত্তাই হ'ল অসীম সাহসৰ উৎস। মই স্পৰ্শ কৰা সকলোলৈকে অসীম সাহস প্ৰৱাহিত কৰিব পৰাকৈ মই যেন বিশুদ্ধ হৈ উঠো!' তুমি যদি সদায় এনেদৰে কৰা- তোমাৰ হৃদয়-মন আৰু আত্মা সম্পূৰ্ণৰূপে পৱিত্ৰ হৈ উঠিব আৰু সেই মুহূৰ্ততে ভয়বিহীন, ঘৃণাবিহীন আৰু সন্দেহবিহীন তোমাৰ আত্মাৰ শক্তিয়ে তোমাৰ পাৰটোৰ গাত প্ৰৱেশ কৰি তাক মুক্ত কৰিব। প্ৰায় দহদিনৰ অন্তত পুনৰ যেতিয়া 'চিত্ৰ-গ্ৰীৱা'ক লামাজনৰ ওচৰলৈ লৈ যায়- লামাজনে চিত্ৰ-গ্ৰীৱাক হাতত তুলি লে গুৰু গম্ভীৰ কণ্ঠেৰে ক'লে-

'উত্তৰৰ বতাহে তোমাক নিৰাময় কৰক/ দক্ষিণা বতাহে তোমাক নিৰাময় কৰক/ পূবৰ পুৱালী আৰু পশ্চিমৰ পছোৱাই তোমাক সুস্থ কৰি তোলক/ ভয় তোমাৰ মনৰ পৰা আঁতৰ হ'ল/ ঘৃণা তোমাৰ পৰা আঁতৰ হ'ল/....../ তুমি নিৰাময় হ'লা/ তুমি নিৰাময় হ'লা/ শান্তি, শান্তি, শান্তি।'

সঁচাকৈয়ে চিত্ৰ-গ্ৰীৱা ৰোগমুক্ত হৈ পুনৰ আকাশলৈ উৰা মাৰিলে। কাহিনীৰ অন্তত লেখকে লিখিছে যে 'আমি যিয়েই চিন্তা কৰোঁ বা অনুভৱ কৰোঁ, সি আমাৰ কথা আৰু কামৰ ওপৰত প্ৰভাৱ পেলায়। সাহসক জীৱনৰ অংগ কৰি লোৱা আৰু আনকো সাহস দিবলৈ শিকা। মৰম-স্নেহ, ভালপোৱাৰে অন্তৰ পূৰ্ণ কৰি লোৱা যাতে ফুলে যিদৰে স্বাভাৱিকতাৰেই সৌৰভ বিলায়, সেই স্বাভাৱিকতাৰেই তুমি তোমাৰ মাজৰপৰা শান্তিৰ নিজৰা বোঁৱাই দিব পাৰা।'

**মাজনিশাৰ বাদ্য**
**অনুবাদ - চাৰুপ্ৰভা কাকতি**
**আলোচক - হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি**

অসম চৰকাৰৰ কৃতী শিক্ষয়িত্ৰী বঁটাপ্ৰাপক সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী চাৰুপ্ৰভা কাকতি। বিভিন্ন কাকত-আলোচনীত লিখা-মেলা কৰাৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহিলা অনুষ্ঠানৰ জৰিয়তে তেওঁ আকাশবাণীৰ শ্ৰোতাসকলৰ মাজত পৰিচিত।

গ্ৰন্থখনত প্ৰকাশিত তেৰটা গল্পৰ গল্পকাৰসকল পৃথিৱীৰ বিভিন্ন দেশৰ। তাৰ ভিতৰত গল্পৰ সম্ৰাট বুলি পৰিচিত মোঁপাছা আৰু অ' হেনৰীৰ গল্পকো অনুবাদিকাই তেওঁৰ গ্ৰন্থত স্থান দিছে। মোঁপাছাৰ দুটা গল্প আৰু অ' হেনৰীৰ তিনিটা এই পাঁচোটা গল্পই গ্ৰন্থখনিৰ মুখ্য আকৰ্ষণ বুলিব পাৰি। মোঁপাছাৰ 'আমাৰ ধনেশ্বৰ খুৰা' আৰু 'ঘন্টা' নামৰ গল্প দুটা অপূৰ্ব। প্ৰথম গল্পটিৰ নামকৰণ অসমীয়া সাজত সজাইছে অনুবাদিকাই। মোঁপাছাৰ গল্প কোৱাৰ অনন্য কৌশল, নিৰ্মাণ পদ্ধতি অতি সুন্দৰকৈ ৰক্ষিত কৰি তেওঁ আন্তৰিকতাৰে অনুবাদ কৰিব পাৰিছে। সেইদৰে অ' হেনৰীৰ তিনিওটি গল্প অনুবাদিকাই সহৃদয়তাৰে অনুবাদ কৰি দক্ষতাৰ পৰিচয় দিছে। পৃথিৱী বিখ্যাত গল্পকাৰজনৰ বহু সমাদৃত 'কুৰি বছৰৰ পিছত' গল্পটি বহুজনৰদ্বাৰা অনূদিত। বহুবাৰ

পঢ়াৰ পিছতো পুনৰ পঢ়িবলৈ মন যোৱা গল্পটিৰ লগতে গল্পকাৰজনৰ 'অসম্পূৰ্ণ ফেৰিস্বপ্ন' আৰু 'বাদামী ৰঙৰ কুকুৰৰ স্মৃতি কথা' গল্প দুটিও অন্তৰ্ভুক্ত কৰিছে অনুবাদিকাই। এটা সাধাৰণ জন্তুৰ বিষয়ে লিখা কথা পঢ়িবলৈ পাঠকসকল আগ্ৰহী নহয় বুলি শংকা কৰিও অ' হেনৰীয়ে বাদামী ৰঙৰ কুকুৰ এটাৰ যি কাহিনী তেওঁৰ অপূৰ্ব গল্প ৰচনাৰ কৌশলেৰে ক'লে সেয়া অনুবাদিকাই অতি মনোৰমকৈ অনুবাদ কৰি অসমীয়া পাঠকলৈ আগবঢ়াইছে। দুয়োটি গল্পতে অনুবাদিকাৰ আন্তৰিকতা আৰু নিষ্ঠা স্পষ্ট। এই দুজন মহান গল্পকাৰৰ পাঁচোটি গল্পৰ উপৰি আন আঠজন ভিন্ন গল্পকাৰৰ আঠোটি গল্প গ্ৰন্থখনিত অন্তৰ্ভুক্ত কৰা হৈছে। গ্ৰন্থখনিৰ এটি অন্যতম গল্প 'প্ৰতীক্ষা'ৰ মূল গল্পকাৰ ডঃ আজিজুৰ ৰহমান বাংলাদেশৰ প্ৰখ্যাত লেখক। ইটা ভাতাৰ শ্ৰমিক বচিৰ আৰু ৰঘুৱে বজাৰ কৰিছে ঘৰলৈ যাবৰ বাবে। বচিৰে ঈদৰ বাবে, ৰঘুৱে মকৰ সংক্ৰান্তিৰ উৎসৱৰ বাবে। ঈদ আৰু বিহু একলগে পৰিল। বচিৰে পঞ্চাশ টকা আগধন বিচাৰিও মালিকৰ পৰা নাপালে। কাৰণ, দুয়োটা পৰৱ একেলগে পৰাত মালিকে সকলোকে দৰমহা দিব লগা হৈছে। শেষত বচিৰে ৰঘুক ধাৰ বিচাৰিলে। ৰঘুৱে বজাৰ কৰাৰ শেষত বাকী থাকিলে দিব বুলি ক'লে যদিও ঘৰলৈ যোৱাৰ ভাৰাৰ পাইচাই নৰ'লগে হাতত। বচিৰৰতো কথাই নাই- ঘৈণীয়েক, ল'ৰা-ছোৱালীলৈ কাপোৰ-কানি আৰু দুই এপদ কিনোতেই হাতত নৰ'ল ভাৰাৰ পইচা। দুয়ো সেয়ে টিকত নোহোৱাকৈ ৰে'লত উঠিল। কিন্তু চেকাৰৰ হাতত ধৰা পৰি জেললৈহে যাব লগা হ'ল। ৰঘুৰ ঘৰত আইতাক আৰু বচিৰৰ ঘৰত পত্নী জেৰিনাৰ অন্তহীন অপেক্ষাত গল্পটোৰ পৰিসমাপ্তি ঘটিছে। সমন্বয় আৰু সম্প্ৰীতিৰ লগতে দুখ আৰু কাৰুণ্যই মৰ্মস্পৰ্শী কৰি তোলা গল্পটি সুন্দৰ, সুখপাঠ্য। অনুবাদো সুন্দৰ।

হাৰ্ণাণ্ডো চৌলেজৰ 'উৰণীয়া ছাঁইৰ বতাহ' আন এটি ভাল গল্প। কৃষক হুৱান, তেওঁৰ স্ত্ৰী কাৰমান আৰু তেওঁলোকৰ কণমানিটিৰ ওপৰত শোষক, শাসকৰ অত্যাচাৰ, উৎপীড়ন- শেহত জুই জ্বলাই হত্যা- এই নাৰকীয় ঘটনা একমাত্ৰ সিহঁত বহি থকা মাটিখিনি-খেতিৰ মাটি দুড়ৰাৰ বাবেই। গল্পটোৰ পটভূমি আমাৰ চিনাকি- আচলতে পৃথিৱীৰ সকলো ঠাইতে শোষক, শাসকৰ চৰিত্ৰ একেই। 'ঈশ্বৰলৈ লিখা চিঠি' (মেক্সিকোৰ লোপেচ ই ফুয়েন্তচৰ গল্প) আন এটি গল্প গ্ৰন্থখনিৰ। গভীৰ ঈশ্বৰ বিশ্বাসী হোজা খেতিয়ক লেন্সোৱে মাত্ৰ পাঁচ হাজাৰ টকা সাহায্য বিচাৰি ঈশ্বৰলৈ লিখা চিঠিখন, ডাকঘৰৰ পোষ্টমাষ্টৰে পোষ্ট বক্সত চিঠিখন পাই গভীৰ সমবেদনাৰে নিজৰ বৰঙণিৰ লগতে অন্যান্য বহুজনৰে পৰা দান-বৰঙণি সংগ্ৰহ কৰি সি বিচৰা টকাৰ আধাতকৈ বেছি টকা তাৰ নামত ঈশ্বৰৰ চহীৰে সৈতে পঠাই দিয়াৰ পিছত টকা কম দেখি লেন্সোৰ ঈশ্বৰলৈ পুনৰ চিঠি- ডাকঘৰৰ মানুহবোৰ চোৰ, ঈশ্বৰে দিয়া পাঁচ হাজাৰ টকাৰ পৰা সিহঁতে নিজে লৈছে আদি ধাৰণাবোৰে খন্তেকীয়া আনন্দ দিব পাৰিলেও গভীৰ দুখেৰে মন ভাৰাক্ৰান্ত কৰি তুলিব পাৰে প্ৰতিজন পাঠকৰে।

হাংগেৰীৰ ফেৰোংকো মলনাৰৰ 'ফুলেশ্বৰৰ প্ৰেম' আন এটি গল্প। সেইদৰে অক্টাবিঅ' পাজৰ 'নীলা ফুলৰ থোপা', ইয়াহিয়া বিন চালাম আল মুন্দ্বিৰ 'ৰ'দৰ কমলা', এল কে গিডৰ্টছৰ 'যি পথ সাগৰলৈ' আদি গ্ৰন্থখনৰ বিশিষ্ট গল্প। গ্ৰন্থৰ নাম ভূমিকাৰ গল্পটি 'মাজ নিশাৰ বাদ্য'ৰ লেখিকা ইৰাণৰ নাৰী মুক্তি আন্দোলনৰ নেত্ৰী ফেৰেস্তে মোলৱী। মুক্তিয়ে হাত বাউল দি মতা এগৰাকী নাৰীৰ অনুভৱ, আনন্দৰ শিহৰণ গল্পটিৰ উপজীব্য। সুন্দৰ গল্প।

**ডায়েবেটিছ আৰু থাইৰয়ড**
**লেখক - ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মা**
**প্ৰকাশক - সাৰথি প্ৰকাশন, অসমীয়া ভাষা আৰু ছফটৱেৰ বিকাশ কেন্দ্ৰ**
**আলোচক - কমল কুমাৰ ভাগৱতী**

বিশিষ্ট চিকিৎসক ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মাই চিকিৎসা বিজ্ঞান সম্পৰ্কীয় কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। এই গ্ৰন্থসমূহ চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীসকলতকৈয়ো প্ৰয়োজন হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজৰ।

বিশেষকৈ বৰ্তমান আমাৰ সমাজত প্ৰায়ভাগ লোকে ভুগি থকা কিছুমান ৰোগৰ বিষয়ে সৰ্বসাধাৰণক সজাগ কৰাৰ প্ৰয়াসেৰে ডাঃ শৰ্মাই কেইটিমান বিশেষ ৰোগৰ নিৰাময়ৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাক বিষয় হিচাপে লৈ কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে।

'ডায়েবেটিছ' যাক অসমীয়াত মধুমেহ ৰোগ বুলি কোৱা হয়। আমাৰ শৰীৰত প্ৰয়োজনতকৈ অধিক শৰ্কৰা বৃদ্ধি পালেই সাধাৰণতে ডায়েবেটিছ অৰ্থাৎ মধুমেহ ৰোগত আক্ৰান্ত হোৱা বুলি কোৱা হয়। আনহাতে, মধুমেহ ৰোগে আমাৰ শৰীৰৰ বৃক্ক বিকল কৰাৰ ফলত মানুহে লাহে লাহে মৃত্যুৰ পথলৈ আগবাঢ়ে। সেয়েহে ডায়েবেটিছক বহুতেই 'ছাইলেন্ট কিলাৰ' বুলিও কয়। মধুমেহ ৰোগৰ উৎপত্তি, ইয়াৰ লক্ষণসমূহ তথা ইয়াৰপৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি আদি বিষয়সমূহ সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ ডাঃ শৰ্মাই এই গ্ৰন্থখনি ৰচনা কৰি উলিয়াইছে। শাৰীৰিক পৰিশ্ৰমৰ অভাৱ আৰু দৈনন্দিন খাদ্যাভ্যাসৰ ফলতেই বৰ্তমান সময়ত মধুমেহ ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। পূৰ্বতে অকল দুকুৰিৰ উৰ্দ্ধৰ প্ৰাপ্তবয়স্ক লোকহে ডায়েবেটিছত আক্ৰান্ত হৈছিল যদিও বৰ্তমান সময়ত অনেক শিশু-চেমনীয়া, কিশোৰ তথা যুৱ চামকো এই ৰোগে আক্ৰান্ত কৰিবলৈ লৈছে। সাধাৰণতে মধুমেহ ৰোগক একেবাৰে নিৰ্মূল কৰাটো কঠিন। কিন্তু ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা যায়। মধুমেহ ৰোগত আক্ৰান্ত ৰোগীসকলে সাধাৰণতে নিয়মিতভাৱে ঔষধ আৰু ইনছুলিন ব্যৱহাৰ কৰে। চিকিৎসকসকলেও ইয়াকেই ব্যৱহাৰ কৰি শৰীৰৰ শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণ কৰাৰ বাবে ৰোগীসকলক পৰামৰ্শ দিয়ে। কিন্তু নিয়মিতভাৱে শাৰীৰিক পৰিশ্ৰম- বিশেষকৈ খোজকঢ়া, যোগ-প্ৰাণায়ামৰ জৰিয়তেও এই ৰোগক নিৰাময় কৰিব পাৰি বুলি গ্ৰন্থখনত উল্লেখ কৰিছে।

খাদ্যৰপৰা সাধাৰণতে মধুমেহ ৰোগ বৃদ্ধি পায়। বহুতেই নিয়মীয়াকৈ তেজ পৰীক্ষা নকৰাকৈয়ে শৰ্কৰাৰ পৰিমাণ অধিক থকা খাদ্য গ্ৰহণ কৰাৰ বাবে অনেক প্ৰাপ্তবয়স্ক লোকে এই ৰোগত আক্ৰান্ত হয়। সেয়েহে মানুহে পুৱা শুই উঠাৰপৰা শোৱাপাটিত পৰালৈকে দৈনন্দিন আহাৰ গ্ৰহণ কৰা উচিত- সেই বিষয়েও এই গ্ৰন্থখনিত ডাঃ শৰ্মাই ভালদৰে বিশ্লেষণ কৰিছে। মধুমেহ ৰোগত আক্ৰান্ত ৰোগীসকলৰ দৈনন্দিন খাদ্যৰ তালিকা এখনো তেওঁ প্ৰস্তুত কৰি দিছে। এই গ্ৰন্থখনি ভালদৰে অধ্যয়ন কৰিলে মধুমেহ ৰোগত আক্ৰান্ত ৰোগীসকলে ইয়াক নিয়ন্ত্ৰণ কৰাৰ বিভিন্ন উপায় পাব।

বহুদিনলৈকে সৰ্বসাধাৰণ লোকৰ মাজত 'থাইৰয়ড' সম্পৰ্কত বিশেষ জ্ঞান নাছিল। বৰ্তমান সময়ত থাইৰয়ড সম্পৰ্কেও সকলো সজাগ। ডাঃ শৰ্মাই থাইৰয়ড সম্পৰ্কত জনসাধৰণক সজাগ কৰি তুলিবৰ বাবে গ্ৰন্থখনিত ভালদৰে বিশ্লেষণ কৰিছে আৰু সৰ্বসাধাৰণ লোকসকলৰ মাজত ডায়েবেটিছ আৰু থাইৰয়ডৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে গ্ৰন্থখন ৰচনা কৰিছে।

**সংস্কৃতি আৰু গণজীৱন**
**লেখক - দিলীপ কুমাৰ শৰ্মা**
**প্ৰকাশক - হিমাদ্ৰী বৈশ্য, জাৰ্ণাল এম্পৰিয়াম**
**আলোচক - বিশ্বজ্যোতি চাংকাকতি (৮৮৭৬৪-৫২৪১১)**

'নিজা উদ্যোগত সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰি মান-পত্ৰ গ্ৰহণ কৰা, সাংবাদিকৰ হতুৱাই বাতৰি প্ৰচাৰ কৰা শিল্পীও নোহোৱা নহয়। বাতৰি কাকতৰ 'পেপাৰ কাট' তেওঁৰ আবেদন-পত্ৰৰ সহায়ক।' এটি অপ্ৰিয় সত্য কথাকে যেন প্ৰকাশ কৰিলে নিৱন্ধকাৰ দিলীপ কুমাৰ শৰ্মাই। তেওঁ নিজৰ প্ৰৱন্ধৰাজিৰে প্ৰস্তুত কৰা এই সংকলনখনৰ 'শিল্পী পেন্সন আৰু গুঞ্জন' নামৰ প্ৰৱন্ধটোৰ ২০৫ পৃষ্ঠাত এই কথা উল্লেখ কৰিছে। প্ৰৱন্ধটোত তেওঁ স্বাধীনতা দিৱসৰ দিনা ৰাজ্য চৰকাৰে শিল্পী-সাহিত্যিক আৰু ক্ৰীড়াবিদলৈ আগবঢ়োৱা পেন্সনৰ কথা সম্পৰ্কত আলোচনা আগবঢ়াই এই সম্পৰ্কত বিশদভাৱে লিখিছে। তেওঁ প্ৰৱন্ধটোত স্পষ্টভাৱে লিখিছে যে শিল্পী

পেন্সন সম্প্ৰতি চহৰমুখী, বিত্তৱান, প্ৰভাৱশালী এচাম শিল্পীৰ ওচৰলৈহে যায়। শৰ্মাৰ এই প্ৰৱন্ধটোত শিল্পী পেন্সন সম্পৰ্কত কিছুমান সঠিক কথাই উপস্থাপন কৰা হৈছে।

উল্লেখ্য যে কলা-সংস্কৃতিৰ বিভিন্ন দিশক সামৰি লিখি উলিওৱা ৫৬ টা প্ৰৱন্ধক লৈ লেখক, সাংবাদিক দিলীপ কুমাৰ শৰ্মাই এই ‘সংস্কৃতি আৰু গণজীৱন’ নামৰ পুথিখন প্ৰস্তুত কৰি উলিয়াইছে। প্ৰৱন্ধটোত তেওঁ সন্নিৱিষ্ট কৰা ‘শংকৰদেৱৰ সাহিত্যত অৱলোকন’ নামৰ প্ৰৱন্ধটোত লিখিছে-‘শংকৰদেৱ আছিল অসমীয়া ভাষাৰ এজন সুদক্ষ কাৰিকৰো। প্ৰয়োজনবোধে তেওঁ সংস্কৃত আৰু অসমীয়া শব্দৰ সংমিশ্ৰণ ঘটাই নতুন শব্দ নিৰ্মাণ কৰি লৈছিল।’

শৰ্মাই পুথিখনত সন্নিৱিষ্ট কৰা তথ্যসমৃদ্ধ প্ৰৱন্ধবোৰৰ মাজৰ আন এটা প্ৰৱন্ধ ‘প্ৰতিমা বৰুৱা আৰু গোৱালপৰীয়া লোকগীতৰ স্বীকৃতি’ত প্ৰতিমা বৰুৱাই তেওঁৰ থলুৱা গীতত ব্যৱহাৰ কৰা ভাষা যে অসমৰ এটা থলুৱা ভাষা আৰু তেওঁৰ গীত যে ‘বঙালী গান’ নহয় তাকে সাব্যস্ত কৰাৰ বাবে অনাতাঁৰ কেন্দ্ৰৰ সংগীত বিভাগৰ দায়িত্বত থকা পুৰুষোত্তম দাস, ডং ভূপেন হাজৰিকা আদিয়ে কিমান যুঁজ দিবলগীয়া হৈছিল তাৰ বৰ্ণনা দিছে। গোৱালপৰীয়া লোকগীতে আজি প্ৰতিমা বৰুৱাৰ নিৰলস চেষ্টাৰ বাবেই সাৰ্বজনীন স্বীকৃতি লাভ কৰিছে। লেখকৰ এই প্ৰৱন্ধটো চিত্তাকৰ্ষক হৈছে। ‘হেমাংগ বিশ্বাস আৰো গণ সংস্কৃতি’ নামৰ প্ৰৱন্ধটোত লেখকে লিখিছে যে জন্মসূত্ৰে হেমাংগ বিশ্বাস বাঙালী হ’লেও চৰিত্ৰত তেওঁ আছিল খাঁটি অসমীয়া, মাটিৰ মানুহ। নিভাঁজ গণশিল্পী।

জয়ন্ত হাজৰিকাক লৈ লেখা প্ৰৱন্ধ ‘অ’ জয়ন্ত দুৰন্ত অফুৰন্ত জয়ন্ত’ত তেওঁ লিখিছে যে জয়ন্ত হাজৰিকাৰ গীতৰ এটা লক্ষণীয় দিশ হ’ল তেওঁৰ প্ৰায়ভাগ গীতৰ সুৰেই কৰুণ ৰসৰ টোপাল মিহলি হৃদয়বিদাৰক তৰংগ। প্ৰৱন্ধটো তেনেই চমু হৈছে যদিও জয়ন্ত হাজৰিকা সম্পৰ্কত পাঠকক তাৰ মাজেদিয়েই এটা আভাস দিছে। পুথিখনত লেখকে বিহু সম্পৰ্কত কেবাটাও প্ৰৱন্ধ সন্নিৱিষ্ট কৰিছে। বিহু উৎসৱৰ আদি কথা, বিহুৰ প্ৰাসংগিক চিন্তা, সময়ৰ সোঁতত বিহু হুঁচৰি, বিহুৰ অতীত আৰু বৰ্তমান আদি প্ৰৱন্ধৰে তেওঁ বিহু সম্পৰ্কত বহু বিশ্লেষণ দাঙি ধৰিছে। ‘সময়ৰ সোঁতত বিহু হুঁচৰি ’ নামৰ প্ৰৱন্ধটোত তেওঁ ব’হাগ বিহুৰ আকৰ্ষণীয় অনুষ্ঠান হুঁচৰি সম্পৰ্কত আভাস দিবলৈ চেষ্টা কৰাৰ লগতে শোণিতকোঁৱৰ গজেন বৰুৱা, ডং লীলা গগৈ আদিৰ উদ্ধৃতিৰে বিহুগীত নৃত্য সম্পৰ্কত ব্যাখ্যা দিছে।

**ৰিণিকি ৰিণিকি হংসধ্বনি**
**সম্পাদনা - অখিলৰঞ্জন ভট্ট**
**আলোচক - চম্পক শৰ্মা**

জীৱনত প্ৰেৰণা হিচাপে আমি বাৰু কি বিচাৰোঁ? এই প্ৰশ্নটিৰ উত্তৰ ব্যক্তিভেদে ভিন্ন হ’ব পাৰে। কাৰোবাক বস্তুগত পৰুস্কাৰে প্ৰেৰণা দিব পাৰে। আন কোনোবাই আকৌ ভাল-বেয়া অভিজ্ঞতাৰ পৰাও প্ৰেৰণা ল’ব পাৰে। প্ৰেৰণাৰ বাবে বিৰাট কিবা এটা ঘটনা ঘটাৰো প্ৰয়োজন নাই। সামান্য, লোকচক্ষুত তুচ্ছ ঘটনাও কাৰোবাৰ বাবে প্ৰেৰণাৰ অফুৰন্ত উৎস হৈ উঠিব পাৰে। পিছে চকুৰ সন্মুখতে যদি শিক্ষাই-দীক্ষাই, কাজে-কৰ্মই কোনো তেজ-মঙহৰ যোগ্য লোক প্ৰেৰণাৰ উৎস হৈ জিলিকি থাকে, তেনে লোককো সকলোৱে প্ৰেৰণা বুলি ল’ব পাৰে। বাস্তৱিকতে তেনে প্ৰেৰণা হৈ উঠিব পৰা পুণ্যশ্লোক ব্যক্তি এজন হৈছে পশ্চিম দৰং এলেকাৰ প্ৰবীণ শিক্ষাব্ৰতি হংসধৰ গোস্বামী। কেৱল শিক্ষকৰূপেই নহয়, সমাজহিতৈষী আৰু বিদ্যোৎসাহী ৰূপেও সুপ্ৰতিষ্ঠিত গোস্বামীৰ জীৱনবৃত্ত বিভিন্নজনৰ দৃষ্টিত অংকিত কৰা হৈছে এই সম্বৰ্দ্ধনা গ্ৰন্থখনত।

পশ্চিম দৰঙৰে হৰিপুৰ সত্ৰৰ গোঁসাই বংশৰ সদস্য গোস্বামী বাস্তৱিক অৰ্থতেই শিক্ষক অভিধাৰ যোগ্য অধিকাৰী আছিল। অৱশ্যে শিক্ষকতা কৰাৰ যোগ্যতাখিনি অৰ্জন কৰিবলৈ তেওঁ চাকৰি আৰু শিক্ষাগ্ৰহণৰ সৈতে

একপ্ৰকাৰ লুকাভাকুৱেই খেলিবলৈ বাধ্য হৈছিল। চাকৰি কৰি ঘটা ধনেৰে তেঁও চিন্তা কৰিছিল শিক্ষা সাং কৰাৰ। আজিৰ ইমান সা-সুবিধাৰ যুগতো ল'ৰা-ছোৱালীৰ পঢ়াৰ প্ৰতি অনীহা, অথচ যোৱা শতিকাৰ ষষ্ঠ-সপ্তম দশকতে গোস্বামীয়ে চাকৰি আৰু পঢ়া একেলগে চলাই যাব পৰাটো কম সাফল্যৰ কথা নহয়। মঙলদৈ মহাবিদ্যালয়ৰ পৰা আই এ পাছ কৰাৰ পিছত এবছৰ শিক্ষকতা, তাৰ পৰা গোটোৱা ধনেৰে পুনৰ গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত এবছৰ অধ্যয়ন, তাৰ পিছতো ধনৰ অভাৱ হোৱাত শ্বিলঙত চাকৰি আৰু নিশা ছেইন্ট এন্থনীজ কলেজত পঢ়া গোস্বামীৰ সংগ্ৰামৰ কাহিনী আজিৰ প্ৰজন্মৰ বাবে বাস্তৱিকতেই ৰূপ কথাৰ দৰে। তাৰ পিছতো তেওঁৰ সন্মুখত ওলাইছিল দুটা সুন্দৰ আৰু নিশ্চিত সুযোগ। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু ৰে'ল বিভাগৰ চাকৰি হেলাৰঙে ত্যাগী গোস্বামী কেৱল শিক্ষকতা কৰাৰ উদ্দেশ্যে ঘৰলৈ উভতি আহিছিল। পাথৰিঘাট হাইস্কুল (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত শিক্ষকতা কৰিবলৈ আৰম্ভ কৰাৰ পিছতহে গোস্বামীৰ শিক্ষাব্ৰতী বাসনাই একমুখী গতি লাভ কৰে। ইংৰাজী বিষয়ক দক্ষ শিক্ষক গোস্বামীয়ে সেই বিদ্যালয়ৰে উপাধ্যক্ষৰূপে ১৯৯৯ চনত অৱসৰ লয়। গোস্বামীৰ বিদ্যা শিক্ষাৰ প্ৰতি থকা অমল অনুৰাগৰ প্ৰতিফলন তেওঁৰ ঘৰতে দেখা যায়। গোস্বামীৰ একমাত্ৰ কন্যা আৰু তিনি পুত্ৰ আটায়ে উচ্চ শিক্ষিত আৰু সমাজত সু-প্ৰতিষ্ঠিত। সামাজিক প্ৰতিষ্ঠাৰ পূৰ্বে মানুহে তাৰ বাবে নিজকে বিদ্যা শিক্ষাৰে কিদৰে উপযুক্ত কৰি তুলিবলৈ অহৰ্নিশে যত্ন কৰিব লাগে সেই প্ৰেৰণা গোস্বামীৰ জীৱনেই জল জল পট পটকৈ প্ৰকাশ কৰিছে।

গ্ৰন্থখনত গোস্বামীৰ দুগৰাকী শিক্ষাগুৰুৰ শুভাশিস, সংস্কৃতত আৰু পদ্যাকাৰে লিখা প্ৰশস্তি আৰু তেওঁৰ জীৱনগাথাই তেওঁৰ জীৱনবৃত্তৰ মূল ৰেখাডাল অংকন কৰি দিছে। অন্য শিতানবোৰৰ ভিতৰত 'শুভানুধ্যায়ীৰ কলম', 'অগ্ৰজৰ শুভাশংসা', 'সতীৰ্থৰ সম্ভাষণ', 'সহকৰ্মীৰ কাপত', 'আত্মীয়-স্বজনৰ মানসপটত', 'প্ৰতিবেশীৰ দৰ্পণত', 'ছাত্ৰৰ মানসপটত' আদিৰ যোগেদি বিভিন্নজনে গোস্বামীৰ সামাজিক জীৱনটোৰ ওপৰত বিস্তাৰিতভাৱে আলোকপাট কৰিছে গ্ৰন্থখনত। পৰিয়ালৰ স্মৰণ আৰু এমুঠি আলোকচিত্ৰ তথা পৰিশিষ্টাংশত সাক্ষাৎকাৰ, জীৱনপঞ্জী, পৰিয়ালবৰ্গ আদি পৰিচয়মূলক প্ৰসংগও আছে গ্ৰন্থখনত।

**(২৯/০৩/২০১৯)**
**স্মৃতিমাল্য - যাদৱ নাৰায়ণ দাস**
**সম্পাদনা - ড° উপেন্দ্ৰজিৎ শৰ্মা**
**আলোচক - জয়কান্ত শৰ্মা**

সৌ সিদিনালৈকে বাঙালী সংস্কৃতিৰে প্ৰভাৱান্বিত বুলি ভবা পশ্চিম অসমত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিবোধ জাগৃত কৰা তথা পাছপৰা অঞ্চলটোত উচ্চ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱাসকলৰ ভিতৰত থকাসকলৰ এজন হ'ল ধুবুৰী বি এন কলেজৰ প্ৰয়াত অধ্যক্ষ যাদৱ নাৰায়ণ দাস। পশ্চিম অসমত তেওঁৰ অতুলনীয় অৰিহণাৰ কথাই বিভিন্ন লেখকে দুশ পৃষ্ঠাজোৰা এই গ্ৰন্থখনত অকপটে উনুকিয়াইছে।

দাসৰ জোঁৱায়েক অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া ড° শ্যামভদ্ৰ মেধিয়ে লিখিছে যে শুৱালকুছিৰ বিখ্যাত পৰিয়াল এটাত জন্ম গ্ৰহণ কৰা তেওঁৰ শহুৰেকে কলিকতাৰপৰা আই এ আৰু বি এ পাছ কৰে, সেইদৰে ১৯৪০ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়াৰ এম এ পাছ কৰে সেইখন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম দলৰ ছাত্ৰ হিচাপে। আৰম্ভণিতে তেওঁ গুৱাহাটী ইষ্টাৰ্ণ ইণ্ডাষ্টি বেংকৰ পৰিচালক আছিল আৰু ভাৰতীয় বায়ু সেনাৰ বিমান চালকৰ এবছৰ ছাৰ্ভিচ প্ৰশিক্ষণো লৈছিল। পিছত অৰ্থাৎ ১৯৪৩ চনত গুৱাহাটীৰ বি বৰুৱা কলেজৰ অসমীয়াৰ প্ৰতিষ্ঠাপক প্ৰবক্তা হিচাপে যোগ দিয়ে। কিন্তু কম সময়ৰ ভিতৰতে সেই কলেজ এৰি অৰ্থাৎ ১৯৪৮ চনত ধুবুৰীৰ চালুকীয়া বি এন কলেজত অসমীয়াৰ প্ৰতিষ্ঠাতা প্ৰবক্তাহিচাপে যোগ দিয়ে। কলেজখনৰ লগত তেওঁৰ একাত্মবোধৰ কাৰণেই মাত্ৰ দহ বছৰ কাল পিছতেই অৰ্থাৎ ১৯২৮ চনত তাত অধ্যক্ষ হ'বলৈ সক্ষম হয়। তাৰপৰা ১৯৭৬ চনলৈকে তেওঁ অধ্যক্ষৰূপে থাকি কলেজখনক অসমৰ এখন জাকত

জিলিকা উচ্চ শিক্ষাৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ সক্ষম হয়। অধ্যক্ষ হোৱাৰ আগতো উপাধ্যক্ষ নোহোৱাকৈয়ে তেওঁ সেই পদবীৰ দায়িত্ব স্বেচ্ছাই গ্ৰহণ কৰিছিল।

সকলো ধৰণৰ আধুনিক আদব-কায়দাৰে পাৰদৰ্শী দাসে চালুকীয়া কলেজখনক এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠানলৈ ৰূপান্তৰিত কৰিছিল তাৰ বিৱৰণি এসময়ত সেই কলেজত পদাৰ্থ বিজ্ঞানত অধ্যাপনা কৰা পথিতযশা সাহিত্যিক ড° লক্ষ্মীনন্দন বৰা, অসমীয়া বিভাগত অধ্যাপনা কৰা সাহিত্যিক ভগগিৰী ৰায়চৌধুৰী, কলেজখনৰ প্ৰাক্তন ছাত্ৰ তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা ছফিউৰ ৰহমান শইকীয়া, বি এন কলেজৰ অৱসৰী অধ্যক্ষ ড° অহিজুদ্দিন শ্বেখ, কলেজখনৰ আন এগৰাকী অৱসৰী অধ্যক্ষ গিৰীন্দ নাথ গোস্বামী, প্ৰাক্তন ছাত্ৰ আৰু পৰৱৰ্তীকালৰ সাহিত্যিক আব্দুল হাচান শ্বেখ, বি এন কলেজৰ উদ্ভিদ বিজ্ঞানৰ অৱসৰী অধ্যাপক দেৱেন্দ্ৰ নাথ শৰ্মা, অৱসৰী শিক্ষক সত্যব্ৰত চক্ৰৱৰ্তী, কলেজখনৰ প্ৰাক্তন ছাত্ৰ নিৰ্মলেন্দু সেনগুপ্ত, কলেজখনৰ অসমীয়া বিভাগৰ অয়সৰী অধ্যাপক ড° দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী, প্ৰাক্তন ছাত্ৰ জাকিৰ হুছেইন, কলেজখনৰ গণিত বিভাগৰ প্ৰাক্তন অধ্যাপক হবিবৰ ৰহমান, প্ৰাক্তন ছাত্ৰ আবেদুৰ ৰহমান শইকীয়া, ড° নাৰায়ণ চন্দ্ৰ বৰুৱা, ড° ব্ৰজেন্দ্ৰ কান্ত শৰ্মা, অধ্যাপিকা ড° অলকা শৰ্মা, আজাদ আলী আহমদ, অধ্যাপক উদ্ধৱ চন্দ্ৰ কলিতা, সত্যেন্দ্ৰ প্ৰসাদ ডেকা আদিৰ নিবন্ধত সুন্দৰকৈ প্ৰকাশ পাইছে। কোনো কোনোজনে আকৌ লিখিছে যে- এই ধুনীয়া লোকজনে নাটকতো সুন্দৰ অভিনয় কৰিছিল। গুৱাহাটীৰ কুমাৰ ভাস্কৰ মন্দিৰত এবাৰ হেনো একেৰাহে এমাহ ধৰি তেওঁৰ অভিনয় চলিছিল। কলেজখনৰ অসমীয়াৰ প্ৰথম শিক্ষক দাসৰ কাম-কাজ আৰু চিন্তা অৱশ্যে কেৱল কলেজ চৌহদৰ মাজতে সীমাবদ্ধ নাছিল, ঐতিহ্যমণ্ডিত চহৰখন আৰু সমগ্ৰ পশ্চিম অসমৰ সামাজিক-সাংস্কৃতিক কাম-কাজতো তেওঁ ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। কোনো কোনোৱে লিখিছে যে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা-দীক্ষাৰ কথা গভীৰভাৱে চিন্তা কৰি ধুবুৰী চহৰত এখন অসমীয়া মাধ্যমৰ হাইস্কুলৰ প্ৰয়োজনীয়তা অনুভৱ কৰি বি এন কলেজৰ পৰিচালনা সমিতিৰ সভাত গ্ৰহণ কৰা প্ৰস্তাৱ মৰ্মে বিদ্যাপাৰা হাইস্কুললৈ (এতিয়াৰ বিদ্যাপাৰা ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়)দুই বিঘা মাটি দান কৰা হৈছিল।

ধুবুৰী শাখা সাহিত্য সভাক অধিক সক্ৰিয় কৰি তোলাত দাসৰ অৱদান আছিল প্ৰচুৰ। অসমৰ ভাষা আন্দোলন, মাধ্যম আন্দোলন বা অসম আন্দোলন আদিত তেওঁ বেছ সক্ৰিয়ভাৱে ভাগ লৈছিল। যাদৱ নাৰায়ণ দাসক 'এগৰাকী জাতীয়তাবাদী বৌদ্ধিক ব্যক্তিত্ব' আখ্যা দিছে অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি পৰমানন্দ ৰাজবংশীয়ে। দাস ৰেলৱে বাছনি ব'ৰ্ড, গুৱাহাটী বিশ্ববিদ্যালয় ক'ৰ্ট আদিৰো সদস্য আছিল। ১৯৫৬ চনত ৰাজ্য পুনৰগঠন আয়োগ ধুবুৰীলৈ আহোঁতে এওঁ আৰু কংগ্ৰেছ নেতা শৰৎ চন্দ্ৰ সিংহই গোৱালপাৰা জিলাখন অসমৰ লগত ৰখাৰ বাবে আয়োগক হেঁচা দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। মোছলেম উদ্দিন আহমেদৰ নিবন্ধত এইবোৰ কথা প্ৰকাশ পাইছে। সাহিত্য সভাৰ বিলাসীপাৰা অধিবেশনত আৰদণী সমিতিৰ সভাপতি প্ৰাক্তন মুখ্যমন্ত্ৰী সিংহই হেনো কৈছিল-এটা সময়ত ধুবুৰী জিলাখনত প্ৰায় ৮০ শতাংশ লোকে বাংলা ভাষাত কথা কৈছিল। উচ্চ শিক্ষানুষ্ঠানবোৰতো বাংলা ব্যাপক প্ৰচলন আছিল। জিলাখনত ভুলতো মুকলিকৈ কোনেও অষমীয়া ভাষাত কথা ক'বলৈ সাহস কৰা নাছিল। সেই সময়তো কিন্তু বিপদত তুচ্ছ জ্ঞান কৰি দাসে কলেজত অসমীয়া বিভাগটো চলাই গৈছিল। তেওঁৰ জীৱনলৈ বহুবাৰ হেনো সাংঘাতিক ভাবুকিও আহিছিল।

দাস কবি, নাট্যকাৰ, অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাৰ অন্তৰংগ বন্ধু আছিল। সেয়ে দাসৰ বিয়োগত (১৯৮৫) হাজৰিকাই 'বন্ধুৰ বিয়োগত তৰ্পণ' বুলি পাঁচটা স্তবকৰ কবিতা এটাও কাকতত প্ৰকাশ কৰিছিল। সেই কবিতাটো গ্ৰন্থখনতত সন্নিৱিষ্ট কৰা হৈছে।

**অংশুমানৰ নিৰ্বাচিত কলা সম্ভাৰ**
**লেখক - অংশুমান গোস্বমী**
**প্ৰকাশক - কলিয়াবৰ শাখা সাহিত্য সভা**
**আলোচক - উপেন্দ্ৰ বৰকটকী**

কলিয়াবৰৰ বিখ্যাত ভোলাগুৰি সত্ৰৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান অংশুমান গোস্বামীয়ে মাত্ৰ পোন্ধৰ বছৰ বয়সতে অসাধাৰণ সৃষ্টি প্ৰতিভাৰে সকলোকে মুগ্ধ কৰিছিল। বিষেশভাৱে চিত্ৰশিল্পত মনোযোগ আকৰ্ষণ কৰিছিল। ভিন্নধৰ্মী ছবিৰ বাহিৰেও অংশুমানে গল্প, কবিতা, শিশু উপযোগী ৰচনা আদিৰে সাহিত্য প্ৰতিভাৰ পৰিচয় দিছিল। দুৰ্ভাগ্যৰ বিষয় যে তেওঁ অকালতে ঘৰৰ ওচৰতে এটি পথ দুৰ্ঘটনাত কৰুণভাৱে মৃত্যুক সাবটি ল'ব লগীয়া হয়। কলিয়াবৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলোৱা অংশুমানৰ পিতৃ ৰাতুলেশ্বৰ (ৰঞ্জন) গোস্বামী আৰু মাতৃ দীপালী দেৱীয়ে অংশুমানৰ সৃষ্টিৰাজি প্ৰকাশৰ ব্যৱস্থা কৰে। এই উদ্দেশ্যে কলিয়াবৰ শাখা সাহিত্য সভাক তেওঁলোকে অৱগত কৰাত সভাই গ্ৰন্থখন প্ৰকাশ কৰাৰ দায়িত্ব লয়। অসম সাহিত্য সভাৰ ত্ৰিসপ্ততিতম কলিয়াবৰ অধিৱেশন (২০১৫)ত দুকুৰিৰো অধিক মনোগ্ৰাহী চিত্ৰ প্ৰদৰ্শনেৰে দৰ্শকৰ মনত প্ৰভাৱ পেলোৱা 'অংশুমান গোস্বামী কলিয়াবৰৰ গৌৰৱ' বুলি নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকাই গ্ৰন্থখনত উল্লেখ কৰিছে। আনহাতে, কলিয়াবৰ শাখা সাহিত্য সভাৰ সম্পাদক নবীন বৰঠাকুৰে অংশুমানৰ 'প্ৰতিভাৰ সুগন্ধই সকলোকে সুৱাসিত' কৰাৰ কাৰণে তেওঁৰ সৃষ্টিৰাজি সংৰক্ষিত কৰাত গুৰুত্ব দি উত্তৰ পুৰুষক প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে গ্ৰন্থখন প্ৰকাশ কৰাৰ কথা কৈছে। কলিয়াবৰৰ শংকৰদেৱ শিশু নিকেতনৰ আচৰ্য-আচাৰ্যবৃন্দয়ো 'অফুৰন্ত আশাৰ মূল অংশুমান'ৰ গুণৰাশি উল্লেখ কৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৰ লাভ কৰি শিশু নিকেতনৰ লগতে 'কলিয়াবৰলৈ গৌৰৱ কঢ়িয়াই আনিছিল' বুলি মনৰ কথা প্ৰকাশ কৰিছে।

গ্ৰন্থখন অংশুমানৰ মুঠ ছয়সত্তৰখন ভিন্নধৰ্মী চিত্ৰ সন্নিৱিষ্ট কৰা হৈছে। পোন্ধৰবছৰ নৌহওঁতেই অনুসন্ধিৎসু দৃষ্টিৰে তেঁও 'ভূত নাই আত্মাহে আছে'- এনে কাহিনী লিখিছিল। আনহাতে, 'মনৰ ঠিকনা বিচাৰি' নামৰ কবিতাটো 'মোৰ মনটো থাকে ক'ত? বুলি প্ৰশ্ন কৰিছে। সেইদৰে 'অন্তহীন মানৱতাৰ চকু' কবিতাত কিশোৰ কবিগৰাকীয়ে মানৱতাৰ জয়গান গাইছে।

**হাটবৰ অন্বেষণ**
**লেখক - বিৰাজ ভূষণ বৰা**
**প্ৰকাশক - মণিমাধৱ মহন্ত**
**আলোচক - উপেন্দ্ৰ বৰকটকী**

সোণসেৰীয়া হাটবৰতে অসম বুৰঞ্জীৰ সাহসী নাৰী মূলা গাভৰুক কুৰিগৰাকী নাৰীৰ সৈতে ময়দান দিছিল- এই সোণসেৰীয়া হাটবৰতে ১৮২৪ চনৰ মে' মাহত মানৰ সৈতে ইংৰাজৰ যুদ্ধ সংঘটিত হৈছিল। এই পৱিত্ৰ ভূমিতে জন্ম হৈছিল বাইবেলৰ অনুবাদক কলিয়াবৰৰ গৌৰৱ আত্মাৰাম শৰ্মাৰ- জন্ম হৈছিল লণ্ডন নিৱাসী গীতকাৰ প্ৰয়াত কমল হাজৰিকাৰ পিতৃ মাণিক হাজৰিকাৰ। এই পৱিত্ৰ ভূমিতে অসমীয়া সাহিত্যৰ এক উজ্জ্বল ভোটাতৰা ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ পূৰ্বপুৰুষৰ জন্ম হৈছিল। এই হাটবৰতে জন্ম লৈ চহা কবি হলধৰ কাকতি বৰা, কথাশিল্পী মহিম বৰা, বুৰঞ্জীবিদ লীলাধৰ বৰা, গল্পকাৰ কুসুম বৰা, প্ৰৱন্ধকাৰ উপেন্দ্ৰ বৰকটকী, গীতকাৰ গুণমণি বৰাই অসমীয়া সাহিত্যৰ ভৰাঁল চহকী কৰি তুলিলে। এয়ে হ'ল সেউজী হাটবৰ, য'ত ঐতিহ্যমণ্ডিত ভঁৰালী নামঘৰৰ মাহাত্ম্যই সকলোকে সকলো সময়তে ধৰ্মীয়ভাৱে আচ্ছন্ন কৰি ৰাখে। হাটবৰ এক হৃদয়স্পৰ্শা নাম- ই শত জোনাকীৰ মিলনভূমি-এক সংস্কৃতিৱান সম্ভ্ৰান্ত অঞ্চল।

প্ৰত্যেকখন গাঁৱৰ নামবিলাকৰ বৈশিষ্ট্য, গাঁৱৰ পুৰণি পৰিয়ালসমূহ, নামঘৰবিলাক, গাঁও পৰিচালনা সমিতিসমূহ, পুথিভঁৰাল আৰু আন সামাজিক-সাংস্কৃতিক অনুষ্ঠানসমূহ, কোনোটোৱেই লেখকে বাদ দিয়া নাই। বুৰঞ্জীপ্ৰসিদ্ধ ৰূপদেউল মৈদাম আৰু চতাইআলিক লেখকে হাটবৰৰ মণি-মুকুত বুলি উল্লেখ কৰিছে। হাটবৰ অঞ্চলত থকা পাঁচখন সত্ৰ আৰু বিখ্যাত ভৰালী নামঘৰৰ বিষয়েও তেঁও উল্লেখ কৰিছে। সাহিত্যৰ আকাশত, গীতৰ লহৰত, নাট্য জগত শিতানত সাহিত্য-সাংস্কৃতিসেৱীসকলৰ নাম তেঁও লৈছে। আখিৰঙা গাঁৱৰ মোমায়েকৰ ঘৰত শৈশৱৰ বহুদিন গীতিকাৰ, কন্ঠশিল্পী ৰুদ্ৰ বৰুৱাই অতিবাহিত কৰাৰ কথা লেখকে কৈছে। শিক্ষাৰ জগতত যে হাটবৰ আগবঢ়া সেই আভাস দিয়াৰ পিছত লেখক বৰাই হাটবৰ অঞ্চলৰ বিদ্যালয়সমূহৰ বিস্তৃত বিৱৰণ দিছে। সাংস্কৃতিক জগতত হাটবৰ- এই শিতানত মোমাই তামুলী বৰবৰুৱাৰ দিনত প্ৰতিষ্ঠা কৰা চৈধ্যখন গাঁৱৰ সামাজিক অনুষ্ঠান, হাটবৰ হাজাৰ, তৰুণ সেৱা সমিতি, হাটবৰ কেন্দ্ৰীয় নাট্য সমাজ, হাটবৰ প্ৰগতি সংস্থা, সুৰধ্বনি সাংস্কৃতিক গোষ্ঠী, চিত্ৰলেখা ড্ৰামা প্ৰডাকচনৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰিছে। ‘হাটবৰৰ জোনাকী’ শিতানত বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৰিহণা অগবঢ়োৱা শতাধিক গুণী লোকৰ চমু পৰিচয় দিছে।

লেখক বৰাই খেলৰ জগতত হাটবৰ- বৃদ্ধসকলৰ বাবে ২০১১ চনত সৰুভগীয়া গাঁৱত আৰম্ভ কৰা ‘আপোন ঘৰ’ নামৰ অনুষ্ঠানটিৰো আভাস দিছে। সেইদৰে অৰ্থনীতিৰ দিশত যে অঞ্চলটো পাছ পৰি থকা নাই সেই কথাও কৈছে গ্ৰন্থখনত।

**আশা কৰোঁ ভালে আছা**
**লেখিকা - জ্যোৎস্না ৰাজখোৱা শৰ্মা**
**আলোচক - ৰঞ্জিত হাজৰিকা**

নীলা খামৰ চিঠি- শব্দকেইটাৰ মাজতে লুকাই থাকে দুৰন্ত ৰোমান্টিকতা। পিছে ডিজিটেল প্ৰযুক্তিৰ আগ্ৰাসনে যে আমাৰ মাজৰপৰা হৃদয়হীন নিদাৰুণতাৰে কাঢ়ি লৈ গৈছে সেই ৰোমান্টিকতা, সেই মাদকতা। পিছে এইহেন যান্ত্ৰিক সভ্যতাৰ মাজতো নীলা খামৰ চিঠিৰে পাঠকলৈ ভিন্নস্বাদ কঢ়িয়াই আনিছে লেখিকাই। চিঠিৰ আকাৰত ৰচনা কৰা সংকলনটিৰ নামকৰণো কৰা হৈছে বুদ্ধিদীপ্ততাৰে। প্ৰায়বোৰ চিঠিৰে প্ৰথম বাক্যষাৰো পুথিখনৰ শিৰোনামৰ দৰেই হয়। গ্ৰন্থখন দুটা অংশত বিভক্ত কৰা হৈছে। প্ৰথম অংশটোত সন্নিৱিষ্ট কৰা হৈছে ভিন ভিন সময়ত বাতৰি কাকতত প্ৰকাশ পোৱা লেখিকাৰ ভিন্নসুৰী ৰচনা সম্ভাৰ। ‘আকাশ’ আৰু ‘জোনাক’ নামৰ দুটি কাল্পনিক চৰিত্ৰক লৈ লেখিকাই আগবঢ়াই নিছে তেওঁৰ সৃষ্টিৰ ৰথ। জোনাকে আকাশলৈ লিখা চিঠিবোৰ। সৰু সৰু চিঠি, আপাত দৃষ্টিত সৰু সৰু কথা। অথচ তাৰ মাজেৰেই লেখিকাই বেছ পৈণতভাৱে সমাজৰ কিছুমান দিশ স্পৰ্শ কৰি গৈছে। সেই সুত্ৰে চিঠি হৈও সেইবোৰ কেৱল চিঠিৰ মাজতে ৰৈ যোৱা নাই। কিছুমান চিন্তা উদ্দীপক চিত্ৰকল্পই বেছ বিচক্ষণতাৰেই আত্মপ্ৰকাশ কৰিছে জোনাকে আকাশলৈ লিখা নাতিদীৰ্ঘ চিঠিবোৰত। সমান্তৰালভাৱে মিঠা অনুভূতিৰে ভুৱাই নিয়া স্মৃতিকাতৰতায়ো গ্ৰন্থখনক সুকীয়া আয়তন প্ৰদান কৰিছে। জোনাকৰ সূক্ষ্ম অনুভূতিবোৰৰ সৈতে পাঠকক একাত্ম কৰি অবিৰতভাৱে পঢ়ি যাবলৈ বাধ্য কৰাটো লেখিকাৰ সফলতা। চুটি চুটি বাক্যৰ মাধ্যমেৰে পাঠকৰ বুকুৰ মাজলৈ বিশাল আবেদন কঢ়িয়াই নিয়াৰ বেলিকাও উজুটি খোৱা নাই লেখিকাই আৰু ৰচনাশৈলীৰ এই মশৃণতাই পত্ৰ সাহিত্যক উপাদেয় ৰূপ প্ৰদান কৰিছে। গ্ৰন্থখনৰ দ্বতীয় অংশত স্থান দিয়া হৈছে বিভিন্ন সময়ত কাকত-আলোচনীত প্ৰকাশিত লেখিকাৰ মুঠ ১৭ টা গল্প। বিশেষ পৰীক্ষা-নিৰীক্ষা অবিহনে সহজ-সৰল কথনভংগীৰে আগবঢ়াই নিয়া হৈছে কেউটা গল্পৰে কাহিনী। সেই সৰলতাই গল্পকেইটাক নিটোল ৰূপ দিছে। তেনে সৰলতা সহজে অনুভূত হয় ‘অভ্যাগত’ আৰু ‘মৰমৰৰ আইতা’ শীৰ্ষক প্ৰথম দুয়োটো গল্পতে। ইয়াৰ বিপৰীতে ‘আলাপ অস্তৰাগ’ত পাঠকৰ মন গহনত

যেন ভূমুকি মাৰে আবেলিৰ বেলিটোৱে। গল্পটোৰ মাধ্যমেৰে লেখিকাই জীৱনৰ অপৰাহ্নক দাঙি ধৰিলেও একাকীত্বৰ যন্ত্ৰণাক অৱশ্যে জীৱনৰ সুকীয়া দৰ্শনেৰে মহিমামণ্ডিত কৰি সুখকৰ ৰূপো প্ৰদান কৰি গৈছে।

**শ্যামলী অনুৰাগৰ আদিধ্বনি**
**লেখিকা - দীপালীমা দত্ত**
**প্ৰকাশক - গজালি প্ৰকাশন, নলবাৰী**
**আলোচক - বিনয় ৰঞ্জন শৰ্মা ( ৮৬৩৮৩-০৭৯০৬)**

কাব্যগ্ৰন্থখনিত একুঁকি স্তৱকৰ সমাৱেশ ঘটিছে। কবি দীপালীমা দত্তই ডায়েৰীত লিখি ৰখা সৰু সৰু পংক্তিসমূহ বুটলি আনি একত্ৰ কৰি এশ ছয়টা ভিন্ন ৰুচিৰ স্তৱক সন্নিৱিষ্ট কৰি কাব্যগ্ৰন্থখনি সজাই তুলিছে।

শৈশৱৰপৰা কাব্যচৰ্চাত ব্যস্ত থকা দত্ত এগৰাকী সমাজসেৱিকা ৰূপেও পৰিচিত। জন্মসূত্ৰে মঙলদৈৰ জীয়ৰী যদিও বিবাহসূত্ৰে তেওঁ নলবাৰী নগৰৰ ১১ নং ৱাৰ্ডৰ বোৱাৰী তথা স্থায়ী বাসিন্দা। সাহিত্য-চৰ্চাত ব্ৰতী অসমৰ ভিন্ন প্ৰান্তৰ কবি সন্মিলনত কবিতা পাঠ কৰি তেওঁ সমাদৰ লাভ কৰিছে।

কবিৰ ভাষাত খন্তেকীয়া সুখ-সমৃদ্ধিয়ে কোনো মানুহকে চিৰস্থায়ী শান্তি আনি দিব নোৱাৰে, ই মানুহক সুখৰ পৰিৱৰ্তে অসুখীহে কৰি তোলে। সেয়ে কবিয়ে কৈছে- 'নিমিষত সুখী হ'ব পৰা/ মানুহেও হেনো অসুখত ভোগে/ তিক্ত উশাহৰ/ দাঁতি কাষৰত।' আন এটি স্তৱক- 'চুটি হৈ অহা উশাহত বহিছোঁ আউজি/ ভাঙিছোঁ গঢ়িছোঁ/ বুকুৰ চাঙত/ ভগ্নস্তুপৰ বিন্যাস।' কবিয়ে যন্ত্ৰণাৰপৰা পৰিত্ৰাণ পাবলৈ বিচাৰিছে এনেদৰে- 'পাৰি যদি উটুৱাই দিব যন্ত্ৰণা/ বিচাৰি পালোঁহেঁতেন গোলাপৰ সুগন্ধি।'

স্তৱকবোৰৰ শিৰোনাম নাই যদিও প্ৰতীক, ব্যঞ্জনা, চিত্ৰকল্পৰ ব্যৱহাৰে কবিতাসমূহক অনন্য 'মাত্ৰা' প্ৰদান কৰিছে। কবিৰ ভাষা সহজ-সৰল, প্ৰাঞ্জল অথচ শক্তিশালী। প্ৰকাশত নাই কোনো দুৰ্বোধ্যতা। স্তৱকবোৰৰ শাৰী চুটি হ'লেও উশাহ দীঘল। কেইবাগৰাকী সাহিত্যিকৰ অভিমতে কাব্যগ্ৰন্থখনিৰ নঙলামুখ শুৱনি কৰিছে।

**বুঢ়াদিয়াৰ পাৰঘাটে ৰিঙিয়াই মাতে**
**লেখিকা - সপ্ৰভা দেৱী**
**আলোচক - অনন্ত বৰ্মণ (৯৮৬৪৪-২২২৯১)**

উপন্যাস এখনৰ সৃষ্টিৰ নেপথ্যত এটি কাহিনী থাকে। এই কাহিনীয়ে কেতিয়াবা জীৱনৰ সৈতে সম্পৃক্ত খণ্ড বিচিত্ৰ ঘটনাও সামৰি লোৱা দেখা যায়। অতীতৰ জীয়া স্মৃতিবোৰ কোনোৱে সাৱলীলভাৱে বৰ্ণনা কৰে। তেনে এখন অতীত স্মৃতিবিজড়িত ঘটনাসমৃদ্ধ এইখন সামাজিক উপন্যাস। উপন্যাসখনৰ পটভূমি হৈছে- নদী, সভ্যতা, সংস্কৃতিৰ চিৰপ্ৰবাহিত 'বুঢ়াদিয়া' আৰু নৈখনৰ এটি পাৰঘাট। এই নৈখন নলবাৰী জিলাৰ উত্তৰ দিশৰপৰা আহি দক্ষিণ-পশ্চিমকোণেৰে বৈ গৈছে। নৈখনে পশ্চিম নলবাৰীৰ বৃহৎ ভূখণ্ডৰ নদীকেন্দ্ৰিক সাংস্কৃতিক বাহক হৈ বৈ আছে। 'বৈ যোৱাটোৱে নদীৰ নিয়ম...'। বুঢ়াদিয়াও নীৰৱে বৈ আহিছে। কালৰ সোঁতত বিলীন হৈ গৈছে বুঢ়াদিয়াৰ পাৰৰ বহু প্ৰজন্মৰ জীৱন, সুখ-দুখৰ অলেখ ঘটনা-পৰিঘটনা। বুঢ়াদিয়াৰ সৈতে আছে বহুতৰেই আজন্ম প্ৰেম। বুঢ়াদিয়া ল'ৰালিৰ বিস্ময় আৰু প্ৰৌঢ়ৰ সংগী। এই নৈখনৰ পাৰৰে এখন গাঁৱত কমলা নামৰ মহিলা এগৰাকী ডাঙৰ-দীঘল হৈ বহু জীয়া ঘটনা কাহিনীৰ সাক্ষী হৈছিল। কিন্তু তেওঁ বৈবাহিক সূত্ৰে

অন্য ঠাইলৈ বিয়া হৈ যায়। বহু বছৰৰ মূৰত যেতিয়া কমলাই নৈখনৰ পাৰঘাটলৈ প্ৰত্যাগমন কৰে তেতিয়া লগ পায় আপোন গাঁওখনৰ এজন অচিন নাৱৰীয়াক আৰু তীৰ্থযাত্ৰাত লগ পোৱা বান্ধৱী বিমলাক। ইয়াতেই উপন্যাসখনৰ কাহিনীভাগ আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰিত্ৰ হ'ল কমলা। তেওঁ নৈখনলৈ চাই দেখে- নৈখন একেদৰে বৈ আছে। কিন্তু নৈপৰীয়া সমাজখন বৈ থকা নাই। একঁকাল পানী ভাঙি নদীপাৰলৈ যোৱা মথাউৰি পকী হৈছে। নিজ গাঁও ভোজকুছি আৰু ইয়াৰ আশে-পাশে বকো, সন্ধেলী, কালাবড়ী, হাৰিভঙা, কমাৰকুছি, ক্ষেত্ৰপাৰা আদি আঁগৰ মানুহৰ মুখে মুখে শুনা বুঢ়াদিয়া নৈৰ বুকুত পালতৰা জাহাজ চলা কথাটো কমলাৰ বাবে এতিয়া স্মৃতি হৈ ৰৈছে। চামতা অঞ্চলৰ কাষেৰে পশ্চিমফালে বৈ যোৱা নৈখনৰ দক্ষিণপাৰৰ 'চেমতা'ৰ পামৰ 'পামুৱে' মানুহখিনিৰ কথা প্ৰায়ে তেওঁৰ মনত পৰে। সেই সোণালী সংস্কৃতিৰ গুণ-গৰিমা কমলাই প্ৰায় নেদেখা হৈছে। কমলাই দেখা নৈৰ ঘাটৰ বিৰিণা, নলখাগৰি, উলুৱনী আদি সময়ৰ গৰ্ভত বিলীন হ'বলৈ ধৰিছে। তথাপি তেওঁ তাহানিৰ নৈপৰীয়া সমাজখন, চিনাকি ঘাটটো পাহৰিব পৰা নাই। কমলাৰ মনত পৰে কবি নলিনীবালা দেৱীৰ 'জনমভূমি' নামৰ কবিতাটো। এইদৰে উপন্যাসখনৰ কাহিনীভাগ সামৰণি মাৰিছে লেখিকাই।

**(০৫/০৪/২০১৯)**

**আলোক**

**প্ৰকাশক - হেৰিটেজ ফাউণ্ডেচন**

**আলোচক - ড° ৰোমান শৰ্মা (৯৪৩৫১-১৩৫৩৯)**

তিনিটা দশকজুৰি অসমৰ তথা ভাৰবৰ্ষৰ বিভিন্ন প্ৰেক্ষাপটৰ ওপৰত সুস্পষ্ট ধ্যাণ ধাৰণাৰে আলোকপাত কৰা এখন সাপ্তাহিক বাতৰি কাকতে যথেষ্ঠট সম্ভ্ৰম লাভ কৰিবলৈ সক্ষম হৈছিল। এগৰাকী অধিবক্তা আৰু আগশাৰীৰ সাংবাদিকৰূপে সুপৰিচিত এই কাকতখনৰসম্পাদক ৰাধিকামোহন গোস্বামীয়ে লেখা বহুতো উল্লেখনীয় সম্পাদকীয় থুপাই কাকতখনৰ নামেৰেই গ্ৰন্থখন প্ৰকাশ কৰিছে।

অসমৰ ভূমিনীতিৰদ্বাৰা খিলঞ্জীয়া লোকৰ স্বাৰ্থ বিঘ্নিত হোৱাৰ আশংকাৰ প্ৰতি সংশ্লিষ্ট সকলোৰে দৃষ্টি আকৰ্ষণ কৰি অসমীয়াৰ স্বাৰ্থ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনোৱা কাৰ্যও সামাজিক দায়বদ্ধতাৰে এটি নিদৰ্শন। ইয়াৰ আগেয়ে পাকিস্তান, বাংলাদেশ আদিৰ দৰে কাষৰীয়া ৰাষ্ট্ৰৰদ্বাৰা সৃষ্ট সমস্যাৰাজিৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰি ৰাষ্ট্ৰীয় সচেতনতা সৃষ্টি কৰাৰোঁ প্ৰয়াস সম্পাদকীয়সমূহৰ মাজেদি পৰিস্ফুট হৈছে।

অসম বন্ধ আদিৰ দৰে কাৰ্যৰ কুপ্ৰভাৱে, সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পোৱা কাৰ্যৰ বিষময় পৰিস্থিতি আদি সন্দৰ্ভতো মন্তব্য প্ৰকাশ হৈছে। অসম আন্দোলনৰ বিভিন্ন সময়ৰ কাৰ্যাৱলীৰ প্ৰতি দৃষ্টিপাত, সন্ত্ৰাসবাদ দমনৰ নামত চৰকাৰী যন্ত্ৰৰদ্বাৰা নিৰীহ জনতাৰ ওপৰত অত্যাচাৰ-অতিচাৰ-নিপীড়ন, বোমা বিস্ফোৰণ, সন্ত্ৰসবাদৰ কুফল, ৰাজনৈতিক ক্ষেত্ৰত ক্ষেত্ৰীয় চৰকাৰৰ সবল নেতৃত্বৰ অভাৱ, ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতাৰ পক্ষপাত, দুষ্ট নীতি, বিভিন্ন ক্ষেত্ৰৰ দুৰ্নীতি, স্বজনতোষণ, পঞ্চায়ত ব্যৱস্থাৰ ব্যৰ্থতা আদিৰ লগতে গুজৰাটৰ আন্দোলন, ধৰ্মান্তৰকৰণৰ দুষ্কাৰ্য, অসমৰ শিক্ষা ব্যৱস্থাৰ আসোঁৱাহ, পৰিয়াল কল্যাণ ব্যৱস্থা আৰু জন্ম নিয়ন্ত্ৰণ ব্যৱস্থা সন্দৰ্ভত কৰণীয়, ভূমি বেদখল আৰু উচ্ছেদ, অবৈধ প্ৰব্ৰজনৰ সমস্যা আদি বহুতো দিশ সামৰি প্ৰকাশিত সম্পাদকীয়সমূহৰ মাজেদি সম্পাদকগৰাকীৰ সমাজৰ প্ৰতি গভীৰ দায়বদ্ধতাৰ নিদৰ্শন প্ৰতিভাত হৈছে।

গ্ৰন্থখনত বুদ্ধদেৱ, স্বামী বিবেকানন্দ, ৰামচন্দ্ৰ, যজ্ঞবল্ক মহাৰাজ অশোক, গুৰু ৰামদাস, শংকৰাচাৰ্য, মথুৰাদাস বুঢ়াআতা, সত্যসাই বাবা আদিৰ বিষয়ে কেইটামান সৰু কাহিনীৰ লগতে গুৰু পূৰ্ণিমা, তীৰ্থক্ষেত্ৰ বদৰিকাশ্ৰম আদি কেইটামান কথা-কাহিনীও সন্নিৱিষ্ট কৰা হৈছে। 'আলোক' বাতৰি কাকতৰ সম্পাদক

ৰাধিকামোহন গোস্বামীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্যসূচক পৰাণ কুমাৰ বৰুৱাৰ এটি লেখা আৰু অসম সম্বন্ধীয় কিছু তথ্য সম্বলিত 'A Peep Into Assam' শীৰ্ষক এখন পুস্তিকাও সংযোজন কৰা হৈছে।

**কুলখুৰা শত শতিকাৰ**
**লেখক - শৰৎ চন্দ্ৰ নেওগ**
**প্ৰকাশক - গণ সাংস্কৃতিক মঞ্চ**
**আলোচক - দিনমণি দাস (৯৪৩৫১-৯২০৫৬)**

নেওগে এই কিতাপখনৰ জৰিয়তে বিগত শতিকাৰ চল্লিশৰ দশকৰ বৃহত্তৰ বেলতলা মৌজাৰ কৃষক আন্দোলন তথা কমিউনিষ্ট আন্দোলনৰ আগভাগ লওঁতা কমিউনিষ্ট নেতা কুলচন্দ্ৰ বসুমতাৰী যাক সকলোৱে 'কুলখুৰা' বুলি সম্বোধন কৰিছিল, তেওঁৰ জীৱন-সংগ্ৰাম লোক চকুৰ আগলৈ আনিলে।

কমিউনিষ্ট নেতা তথা গণশিল্পী হেমাংগ বিশ্বাসৰ ১৯৭০ চনত প্ৰকাশিত 'কুলখুৰাৰ চোতাল' নামৰ কবিতা পুথিৰ জৰিয়তে কুলখুৰাৰ বিষয়ে পঢ়িবলৈ পোৱা যায় যদিও কুলখুৰাৰ সম্পৰ্কে বিশেষ একো জনা নাছিলোঁ। ১৯৬৮ চনতেই কুলখুৰাৰ মৃত্যুৰ পিছতেই লিখা এই কবিতাটোতেই আবদ্ধ হৈ থকা কুলখুৰা ওৰফে কুলচন্দ্ৰ বসুমতাৰীৰ জীৱন সংগ্ৰাম লেখকে চৰজমিন গৈ সকলোখিনি পোহৰলৈ আনিলে। এই পুথিখনত কৃষক আন্দোলনৰ নেতা কুলচন্দ্ৰ বসুমতাৰীৰ জীৱন সংগ্ৰামৰ লগতে সেই সময়ৰ কৃষক আন্দোলন তথা কমিউনিষ্ট আন্দোলনৰ বহু মূল্যৱান তথ্য সংযোজন কৰা হৈছে। পুথিখনত কৃষক আন্দোলন তথা কমিউনিষ্ট আন্দোলন সম্পৰ্কীয় তথ্য সন্নিৱিষ্ট কেবাখনো কিতাপৰ উল্লেখ কৰি লেখকে এই সম্পৰ্কে জানিবলৈ বিচৰাসকলৰ বহু উপকাৰ সাধিছে। বিশেষকৈ বিশিষ্ট সাংবাদিক কনকসেন ডেকাৰ 'বিপ্লৱৰ খোজ', কমিউনিষ্ট আন্দোলনৰ ইতিহাস' লগতে গৌৰীশংকৰ ভট্টাচাৰ্যৰ 'সবিনয় নিবেদন' আদি কিতাপৰ উল্লেখ কৰিছে। কিতাপখনত কুলচন্দ্ৰ বসুমতাৰীৰ পৰিয়ালৰ বিতং উল্লেখ কৰাৰ লগতে তেওঁৰ সতীৰ্থ এশ বছৰীয়া বেলতলা গণেশপাৰাৰ শ্যামন্ত বড়োৰ বিষয়ে কিছু কথা লিখিছে। বহু মূল্যৱান ফটোৰ সংযোজনে কিতাপখনক অধিক আকৰ্ষণীয় কৰি তুলিছে। পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ধৰা হেমাংগ বিশ্বাসৰ কবিতাত আবদ্ধ হৈ থকা কুলখুৰা ওৰফে কুলচন্দ্ৰ বসুমতাৰীৰ সংগ্ৰামী ইতিহাসৰ লগতে বিগত শতিকাৰ চল্লিশৰ দশকৰ কৃষক আন্দোলন আৰু কমিউনিষ্টৰ আন্দোলনৰ কিছু তথ্য এই কিতাপখনত প্ৰকাশ পাইছে। মুঠতে ক'ব পাৰি 'কুলখুৰা শত শতিকাৰ' কিতাপখন সেই সময়ৰ কৃষক আন্দোলনৰ ঐতিহাসিক দলিল।

**আৰ্হি তিৰুতা আৰু অন্যান্য ৰচনা**
**লেখিকা - স্বৰ্ণলতা ৰায়**
**প্ৰকাশক - বান্ধৱ প্ৰকাশন**
**আলোচক - বিজয় শংকৰ শৰ্মা (৯৯৫৭৭-৬৬২৬৬)**

আধুনিক অসমীয়া সাহিত্যৰ প্ৰাতঃকালীন সময়ত যিসকল লেখিকাৰ লেখাই জাতীয় সাহিত্যৰ ভঁৰাল সজীৱ কৰি থৈ গৈছে, তাৰ ভিতৰত স্বৰ্ণলতা (বৰুৱা) ৰায় অন্যতম। অধ্যাপক-গৱেষণক শ্ৰেণীটোৰ বাহিৰে অসমীয়া সাহিত্যৰ সাধাৰণ পাঠকৰ বাবে আজিৰ দিনত প্ৰায় বিস্মৃতিৰ গৰ্ভত সোমাই পৰা লেখিকা স্বৰ্ণলতা ৰায় আছিল অসমীয়া জাতীয় জীৱনৰ বৈপ্লৱিক পুৰুষ গুণাভিৰাম বৰুৱাৰ জীয়ৰী। অসমত বিধৱা বিবাহৰ

পাতনি মেলি গুণাভিৰাম বৰুৱাই বিষ্ণুপ্ৰিয়া দেৱী (পৰশুৰাম বৰুৱাৰ বিধৱা পত্নী)ক বিয়া কৰাইছিল। সেই গুণাভিৰাম-বিষ্ণুপ্ৰিয়াৰ জীয়ৰী স্বৰ্ণলতা। নাৰী শিক্ষা আৰু মৰ্যাদাৰ প্ৰতি সচেতন গুণাভিৰামে জীয়ৰী স্বৰ্ণলতাকো শৈশৱৰ পৰাই শিক্ষাৰ ক্ষেত্ৰত যত্ন লৈছিল। তাৰ পৰিণতিতেই তদানীন্তন সময়তেই কলকাতাৰ বেথুন স্কুলৰ বৰ্ডিঙত ৰাখি পঢ়াইছিল ৰক্ষণশীল সমাজ ব্যৱস্থালৈ পৰোৱাই নকৰি। পিতৃৰ অনুৰূপ সিদ্ধান্তই নিজৰ জীৱনতো গ্ৰহণ কৰিবলগীয়া হৈছিল জীয়ৰী স্বৰ্ণলতাই। স্বামী ডাঃ নন্দকুমাৰ ৰায়ৰ বিয়োগৰ পৰৱৰ্তী সময়ত স্বৰ্ণলতাই ক্ষীৰোদ চন্দ্ৰ ৰায়চৌধুৰীৰ সৈতে দ্বিতীয় বিবাহত বহিছিল। সেই গৰাকী বিপ্লৱী মনৰ নাৰীয়ে ১৯১৯ চনতে সুদূৰ কটকত থাকি ৰচনা কৰিছিল 'আৰ্হি তিৰুতা' নামৰ পুথিখনি। গ্ৰন্থখনিত সম্পাদকে লিখিছে 'মাধৱ পৰুষৰ স্মৃতি বিজড়িত বৰপেটা সত্ৰৰ গাতে লাগি থকা শংকৰ হল এণ্ড লাইব্ৰেৰী (প্ৰতিষ্ঠাঃ ১৯১৩)ৰ পৰণি আলমাৰিৰ নষ্ট হ'বলৈ ধৰা কিতাপৰ মাজৰপৰা স্বৰ্ণলতা ৰায়ৰ 'আৰ্হি তিৰুতাৰ' এটি কপি তেওঁলোকে উদ্ধাৰ কৰিছিল ২০১৩ চনৰ ব'হাগৰ পহিলা দুপৰীয়াত। এই কপিটোত ৬৪ পৃষ্ঠালৈকে পোৱা গৈছে। পৰৱৰ্তী কালত জামুগুৰিহাটৰ বৰহমপুৰ গাঁৱৰ বীণাপাণি পুথিভঁৰালতো (প্ৰতিষ্ঠাঃ ১৯২৯) 'আৰ্হি তিৰুতা'ৰ কপি পোৱা যায়।

স্বৰ্ণলতা ৰায়ৰ আৰ্হি তিৰুতা' পুথিখনিত ঠাই পাইছে ন গৰাকী ভিন্ন স্তৰৰ নাৰীৰ আদৰ্শ জীৱন বৃত্তান্তই। পুথিখনিত সন্নিৱিষ্ট নিবন্ধকেইটি হৈছে- কৰমেতিবাই, থনবাই, মীৰবাই, ৰাবেয়া, মেৰী কাপেন্টাৰ এলিজাবেথ ফ্ৰাই, জয়মতী কুঁৱৰী, শচী আই আৰু ফ্লোৰেন্স নাইটিংগেল। প্ৰতিটো জীৱন বৃত্তান্তৰ বৰ্ণনাত লেখিকাই বিশেষভাৱে গুৰুত্ব দিয়া বিষয়টো হৈছে মহিলাগৰাকীৰ আদৰ্শৰ প্ৰতি দৃঢ়চেতা আৰু ভক্তিভাৱ। অৱশ্যে ফ্লোৰেন্স নাইটিংগেল নিবন্ধটি অসম্পূৰ্ণভাৱেহে উদ্ধাৰ কৰিব পাৰিলে সম্পাদকে। বিবাহসূত্ৰে সুদীৰ্ঘ দিন আপোন ভাষী মানুহবোৰৰপৰা আঁতৰত থাকিও মাতৃভাষাৰ প্ৰতি থকা একান্ত অনুৰাগৰ পৰিণতিতে স্বৰ্ণলতা ৰায়ে পুথিখনি চনা কৰিছিল সেই কথা 'আৰ্হি তিৰুতা'ৰ পাতনিত প্ৰকাশ কৰা লেখিকাৰ অনুভূতিৰ মাজেৰে প্ৰস্ফুটিত হৈছে- 'প্ৰায় ২৯ বছৰ নিজৰ মাতৃভূমিলৈ যোৱা নাই যদিও ইমান আঁতৰত তথাপি মাতৃভূমি-নিজৰ আত্মীয়-কুটুম্দাদিক পাহৰা নাই। নিজৰ ভাষা ক'বলৈ এতিয়াও ভাল লাগে। নিজৰ দেশৰ মানুহে দেখিলে এতিয়াও অসমীয়া কথা কৈ ৰসনাৰ তৃপ্তি পাই থাকে। ঘৰৰ কামৰ পিছত অলপ আজৰি সময়ত এই কিতাপখনি লেখি অসমীয়া বন্ধু-বান্ধৱৰ আগত আগবঢ়াইছে। 'আৰ্হি তিৰুতা'ৰ পাতনিৰ শেষত লেখিকাই হৰ্মিটেজ-কটক-এপ্ৰিল, ১৯১৯ বুলি উল্লেখ কৰিছে। অৰ্থাৎ চলিত বৰ্ষত পুথিখনিৰ ৰচনাই শতবৰ্ষত ভৰি দিলে। গুৰুত্বপূৰ্ণ সময়ত গ্ৰন্থখনি উদ্ধাৰ কৰি পুনৰ পাঠক সমাজলৈ আগবঢ়াই দিয়াৰ বাবে সম্পাদক সঞ্জীৱ পল ডেকা আৰু প্ৰকাশক ৰঞ্জন শৰ্মা নিশ্চিতভাৱে ধন্যবাদৰ পাত্ৰ।'আৰ্হি তিৰুতা' পুথিখনৰ উপৰি সম্পাদক সঞ্জীৱ পল ডেকাই গ্ৰন্থখনিৰ পৰিশিষ্টত সন্নিৱিষ্ট কৰিছে আসাম বন্ধু দ্বিতীয় সংখ্যাত (১৮৮৫চন) প্ৰকাশিত 'কৰমেতিবা'ই, ৩য়-৪ৰ্থ সংখ্যাত প্ৰকাশিত 'প্ৰকৃত লাজ কি', জোনাকী তৃতীয় ভাগ অষ্টম সংখ্যাত প্ৰকাশিত 'যতোধৰ্মস্ততোজয়ঃ'- আৰু তৃতীয় ভাগ অষ্টম সংখ্যাত হেমলতা দেৱী ছদ্মনামেৰে লিখা 'মণিকা' নামৰ লেখিকাৰ নিবন্ধকেইটি। একেদৰে লক্ষ্মীনাথ বেজবৰুৱালৈ স্বৰ্ণলতা ৰায়ে লিখা এখনি চিঠি আৰু 'পিতৃ গুণাভিৰাম বৰুৱা আৰু ভাতৃ জ্ঞানদাভিৰাম বৰুৱাৰ কলমত স্বৰ্ণলতা' নামেৰে এটি নিবন্ধও সন্নিৱিষ্ট কৰা হৈছে। লগতে সংযোজিত কৰিছে 'আৰ্হি তিৰুটা' প্ৰকাশ সন্দৰ্ভত 'চেতনা'ত প্ৰকাশিত খবৰ আৰু বিজ্ঞাপন। গ্ৰন্থখনি শেষৰ পৃষ্ঠাত স্বৰ্ণলতাৰ মাতৃ বিষ্ণুপ্ৰিয়া দেৱীৰ সংকলিত 'নীতি কথা' নামৰ পুথিখনিৰ ১৮৮৪ চনত প্ৰকাশিত দ্বিতীয় সংস্কৰণৰ নাম পত্ৰখনি যথাযথভাৱে তুলি দিছে সম্পাদকে। আনহাতে, গ্ৰন্থখনিৰ আৰম্ভণিতে সংযোজন কৰা 'স্বৰ্ণলতা ৰায় (১৮৭১-১৯৩২) আৰু তেওঁৰ উল্লেখযোগ্য ঘটনাৱলী'ৰ উল্লেখে লেখিকা স্বৰ্ণলতাৰ বিষয়ে থকা পাঠকৰ অনুসন্ধিৎসাপূৰ্ণ কৰিবলৈ সক্ষম হ'ব। সঞ্জীৱ পল ডেকাই সম্পাদনা কৰা 'স্বৰ্ণলতা ৰায়ৰ আৰ্হি তিৰুতা আৰু অন্যান্য ৰচনা' গ্ৰন্থখনিৰ উল্লেখযোগ্য বিশেষ অংগটি হ'ল গ্ৰন্থখনিৰ পাতনি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ভূতপূৰ্ব অধ্যাপক আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰাক্তন অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে গ্ৰন্থখনিৰ পাতনিত স্বৰ্ণলতা ৰায়ৰ সমসাময়িক সমাজ আৰু সাহিত্যৰ ধাৰাটোত প্ৰতিফলিত কৰাৰ লগতে লেখিকা আৰু 'আৰ্হি তিৰুতা' পুথিখনি সন্দৰ্ভতো পুংখানুপুংখ বিশ্লেষণ আগবঢ়াইছে- যি প্ৰতিজন জিজ্ঞাসু পাঠকৰ বাবেই এখন বৌদ্ধিক দলিল। 'আৰ্হি

তিৰুতা' পুথিখনিৰ সন্দৰ্ভত গোস্বামীৰ মন্তব্য- 'আৰ্হি তিৰুতা'ত স্বৰ্ণলতা ৰায়ে নীলমণি বসাক বা দুৰ্গা দাস শৰ্মা বা কালীপ্ৰসন্ন দাসগুপ্ত আৰু দক্ষিণা ৰঞ্জন মিত্ৰ মজুমদাৰৰ দৰে 'সামৰিক' নাৰী (অহল্যাবাই, জিজাবাই, দুৰ্গাৱতী, তাৰাবাই, লক্ষ্মীবাই ইত্যাদি)ৰ গুণগান কৰা নাই, পিতৃগুৰু গোপীকৃষ্ণ মিত্ৰৰ দৰে তেওঁ'পতিব্ৰতা' নাৰীৰ প্ৰশংসাতো মুখৰ হোৱা নাই বা অধিকাংশ জীৱনীকাৰৰ লেখিয়াকৈ উচ্চস্বৰে সতীত্বৰ গৌৰৱো ঘোষণা কৰা নাই। 'আধুনিক' মনৰ গৰাকী স্বৰ্ণলতা ৰায়ৰ সন্ধান স্বাধীন নাৰীৰ যাতনাক যাতনা নুবুলি আদৰ্শৰ বাবে জীৱন উচৰ্গা কৰিবপৰা দৃঢ়চেতা ব্যক্তিত্বৰ অধিকাৰী নতুন শৰীৰ।'

**শব্দ**
**লেখক - হিৰণ্য ৰঞ্জন**
**প্ৰকাশক - তুলিকা বৰুৱা**
**আলোচক - নৰেন হাজৰিকা (৯৮৫৪১-৫২৯৯৫)**

আনে কবিতা পাঠ কৰা শুনি নিজেও শব্দ অনুসৰণ কৰা এগৰাকী প্ৰতিভাধৰ ব্যক্তি হিৰণ্য। ছবি আঁকি ভাল পোৱা বহুতৰে প্ৰশংসিত হিৰণ্য ভাস্কৰ্য শিল্পীও। 'শব্দ' কবিতা পুথিখনেৰে আত্মপ্ৰকাশ কৰি সাম্প্ৰতিক আধুনিক অসমীয়া কাব্য জগতত নিৰন্তৰে চৰ্চা অব্যাহত ৰখা কবিসকলৰ ভিতৰত হিৰণ্যৰঞ্জন অন্যতম। কাব্য সংকলনখন দুকুৰি তিনিটা কবিতাৰে মেটমৰা শব্দ আৰু বাউলী ছন্দেৰে অন্তৰৰ অৱৰুদ্ধ অনুভূতিবোৰক প্ৰকাশ কৰিবৰ বাবেহে বৰ্ণৰ সমাহেৰেৰে লিপিবদ্ধ কৰি যুৱ কবিগৰাকীয়ে জীৱনৰ গভীৰতম অনুভূতিবোৰকে নহয় গভীৰতম মনৰ অব্যক্ত সঞ্চিত ভাববোৰকো প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। কাব্যগ্ৰন্থখনিত সন্নিৱিষ্ট প্ৰায়বোৰ কবিতাতে কবিগৰাকীৰ বিচিত্ৰ জীৱনানুভূতি, স্মৃতিকাতৰতা, নৈসৰ্গিক সৌন্দৰ্য, প্ৰেম-প্ৰীতি, জীৱনৰ প্ৰতি গভীৰ মহত্ববোধ, ব্যক্তিগত যন্ত্ৰণা, সামাজিক চৈতন্যবোধ সন্চালনিকৈ প্ৰকাশ পাইছে। বাস্তৱ জীৱনৰ ৰুক্ষ প্ৰত্যাহ্বানত অনাহক দংশনত ভুগিছে যদিও ভাবৰ যন্ত্ৰণা আৰু যন্ত্ৰণা উপশমত তেওঁ আত্মসংযম হেৰুওৱা নাই। কবিতাবোৰ পঢ়ি এনে লাগে তেওঁ শব্দ সংযোজনত, প্ৰকাশভংগীত ক'তো উচ্ছৃংখলতা নাই। কবিতাবোৰত ব্যৱহাৰ কৰা অনুভৱী শব্দৰ জলকত অংকিত হৈছে তীব্ৰ সংবেদনশীলতাৰ ৰূপ। কবিয়ে তেওঁৰ কবিতাবোৰক কলাত্মকভাৱে প্ৰকাশ কৰাৰ পৰিৱৰ্তে বস্তুগত ভাৱেহে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে সমকালীন জীৱনত সুখ-দুখ, আশা-আকাংক্ষাই অৱচেতন মনৰ যন্ত্ৰণা-আৱেগে কবিৰ হৃদয় ভাঙিছে সময়ে সময়ে। আমাৰ সমাজ জীৱনত, ৰাজনৈতিক জীৱনত কিম্বা সাংস্কৃতিক জীৱনত প্ৰচলিত নীতিবোৰৰ প্ৰতি সচেতন মানুহ মাত্ৰেই ক্ষোভিতৰ লক্ষ্য ৰাখি হিৰণ্যৰঞ্জনে তেওঁৰ কবিতাসমূহৰ কাব্যিক গাথা পাঠকৰ আগত শব্দ আৰু ভাষাৰে সজাবলৈ চেষ্টা কৰিছে। সেইবোৰক বক্তৃতালৈ পৰ্যবসিত নকৰাকৈ আটোমটোকাৰীকৈ অংকন কৰাত কাব্যৰস পান কৰিবলৈ পঢ়ুৱৈৰ সুবিধা হৈছে। তেওঁ আত্ম প্ৰত্যয়েৰে জীৱনৰ সত্যক গভীৰভাৱে উপলব্ধি কৰাই নহয় বিপ্লৱী মনৰো পৰিচয় প্ৰকট কৰি তুলিছে। আমাৰ সমাজ ব্যৱস্থাত ভাত-পানী পিন্ধনৰ বাবে হাঁহাকাৰ কৰি থকাসকলৰ প্ৰতি সহানুভূতিশীল কবি মনত উদ্ভাসি উঠিছে অথচ তেজশোহাসকলক ক্ষমতাচ্যুত কৰিবৰ বাবে ৰাইজ্যলৈ সুক্ষ্ম অনুভূতিৰ তিৰ্যক আঁচোৰ। শব্দ প্ৰয়োগত কবিতা পুথিখনত বাক্যৰ ব্যঞ্জনা আৰু প্ৰকাশভংগীৰ কাব্যিক ৰূপ ম্লান পৰা যেন লাগিলেও আনবোৰ কবিতাত অনুভূতিৰ গভীৰতা তথা আৱেগৰ বৈচিত্ৰ লক্ষ্য কৰি যায়। কিন্তু ইংগিত ধৰ্মিতাৰ সফল প্ৰয়োগে ভাষা নিস্তেজ আৰু আংগিক দুৰ্বল হোৱাৰপৰা দূৰৈত ৰাখিছে ।

**কুসুম কোমল**
**লেখক - গিৰিন্দ্ৰ নাথ**
**প্ৰকাশক - হৰেণ শইকীয়া**
**আলোচক - বিনয় ৰঞ্জন শৰ্মা (৮৬৩৮৩-০৭৯০৬)**

কুসুম কোমল এখন কাব্যগ্ৰন্থ। কবিগৰাকীৰ পইঁত্ৰিশটা কবিতাৰ সংকলন। বিবিধ বিষয়ৰ চিত্ৰ পটভূমিত এই কাব্য সংকলন। কবিতাটোত ভাব-ভাষাৰ সাৱলীলতা আৰু শব্দৰ প্ৰয়োগ গতিশীল। তদুপৰি কবিৰ গভীৰ জীৱনবোধ, সু-চিন্তাৰে অধ্যয়নপুষ্ট মানসিকতা আৰু সুকোমল সংবেদনশীল এখন দৰদী হৃদয়ৰ পৰিচয় পোৱা যায়। তেওঁৰ কবিতাত নাই দুৰ্বোধ্যতা। মৰিগাওঁ জিলাৰ ৰূপাই বৰি (আঁতগুৰি) নিৱাসী কবি নাথ স্বভাৱতে এগৰাকী সাহিত্যসেৱী, সহজ-সৰলমনা ব্যক্তি। কবি নাথৰ ‘জীৱন’ এটি সাৰ্থক কবিতা। কবিৰ আন কেইটিমান উল্লেখযোগ্য কবিতা হ’ল- মই প্ৰগতি, আমাৰ গাওঁ, অপৰূপা, বৃন্দামাৰা, মানৱযাত্ৰা, ঢেঁকীশাল, আঁহতগুৰিৰ ম’হযুঁজ, যোগতত্ব, মাঘৰ উৰুকা, ম’বাইল, আই বসুমতাৰী, মেৰপাক, খেতিয়ক আৰু গৰুগাড়ী।

আশা-নিৰাশা, প্ৰেম-প্ৰত্যয়, প্ৰতিবাদ, সংকল্প মানৱতাবোধ, আধ্যাত্মিকতা, জাতি-মাটি-ভেটি-ভাল পোৱা, সমাজ, জীৱন, প্ৰকৃতি জগত কবিতাৰ বিষয়বস্তু। তেওঁৰ কবিতাত সততে প্ৰকাশ পাইছে অনুভূতিৰ একোখন দলিল। যুক্তিবাদী চিন্তা প্ৰতিফলিত হৈছে। কবি গিৰিন্দ্ৰ নাথৰ কবিতাসমূহ স্বাদ ল’ব পৰাকৈ জীপাল আৰু আনন্দময়ী। প্ৰকৃতি বিষয়ৰ কবিতাকেইটা কবিৰ কাব্যানুভূতি প্ৰশস্ত আৰু প্ৰাণস্পৰ্শী হৈছে। কবিতা সংকলনটিত হৃদয়ৰ গভীৰ চিন্তন, মননশীল অনুভূতিৰে বাস্তৱিকতে সামগ্ৰিক অভিব্যক্তিৰাজি সুন্দৰভাৱে পৰিৱেশন কৰাত কবি সফল হৈছে বুলি অনুভৱ হয়।

**অসমীয়া প্ৰতিদিনঃ**
**(০৩/০৩/২০১৯)**
**POST COLONEAL POEMS**
**লেখক - কমল কুমাৰ তাঁতী**
**প্ৰকাশক - ৰেড ৰিভাৰ প্ৰকাশন, নতুন দিল্লী**
**মূল্য - ৩০০.০০ টকা**

এখন ইংৰাজী অনুবাদ কাব্য-সংকলন, য’ত সন্নিৱিষ্ট হৈছে কমলৰ (এতিয়ালৈকে প্ৰকাশিত) দুখন কাব্য-সংকলন যথাক্ৰমে সাহিত্য অকাডেমী যুৱ পুৰস্কাৰপ্ৰাপ্ত ‘মাৰাংবুৰু আমাৰ পিতা’ অৰু ‘উত্তৰ-ঔপনিবেশক কবিতা’ৰ কবিতাসমূহৰ পৰা নিৰ্বাচিত কবিতাগুচ্ছৰ ইংৰাজী অনুবাদ। ‘মাৰাংবুৰু আমাৰ পিতা’ৰ পৰা মুঠ ৩২ টা কবিতাৰ ইংৰাজী অনুবাদ কৰিছে অসমৰ (সম্প্ৰতি দিল্লী নিবাসী) বিশিষ্ট ইংৰাজী কবি-লেখক-অনুবাদক-সাংবাদিক দিব্যজ্যোতি শৰ্মাই। আনহাতে ‘উত্তৰ-ঔপনিবেশিক কবিতা’ৰ পৰা মুঠ ২৪ টা কবিতাৰ ইংৰাজী অনুবাদ কৰিছে অসমৰ তৰুণ প্ৰজন্মৰ শক্তিশালী ইংৰাজী কবি-লেখক-অনুবাদক-ঔপন্যাসিক আৰু ‘মিঞা কবিতা’ৰ জৰিয়তে সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰা ছালিম এম হুছেইনে। তদুপৰি সংকলনখনত সন্নিৱিষ্ট হৈছে ‘উত্তৰ-ঔপনিবেশিক কবিতা’ সম্পৰ্কে ৰত্না ভৰালী তালুকদাৰে লেখা এক সমালোচনামূলক লেখাৰ বিশ্বজিৎ বৰাই কৰা ইংৰাজী অনুবাদ আৰু অনুবাদক হিচাপে নিজৰ অভিজ্ঞতা বৰ্ণনা কৰি ছালিম এম হুছেইনে লেখা এক দীঘল সমালোচনামূলক লেখা।

**অসমৰ সমকালীন সমস্যা আৰু অন্যান্য**
**লেখক - ডঃ মনমোহন দাস**

গ্ৰন্থখনত ৰাজ্যৰ প্ৰায় অৰ্ধশতিকাজোৰা শৈক্ষিক, আৰ্থ-সামাজিক, ৰাজনৈতিক ঘটনাপ্ৰৱাহৰ ৰূপৰেখা অংকিত হৈছে। ৬ টা খণ্ডত বিভক্ত ৩২৮ পৃষ্ঠাৰ এই গ্ৰন্থখনত জাতীয় জীৱনৰ বহু গুৰুত্বপূৰ্ণ দিশৰ ওপৰত যুক্তিনিষ্ঠ বিশ্লেষণ কৰা হৈছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন আলোচনী আৰু গ্ৰন্থত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা প্ৰাক্তন বিজ্ঞানগুৰু ডঃ মনমোহন দাসৰ প্ৰায় ষাঠিখনৰো অধিক গৱেষণাপত্ৰ প্ৰকাশ পাইছে। তদুপৰি দেশ তথা ৰাজ্যৰ কেইবাখনো দৈনিক বাতৰি কাকতত তেওঁৰ অলেখ প্ৰৱন্ধ-পাতি প্ৰকাশ হৈছে।

**ৰাজনীতিৰ এক জীৱন**
**লেখক - সন্তোষ ৰাণা**
**প্ৰকাশক - আনন্দ বজাৰ প্ৰকাশন**
**আলোচক - সুপৰ্ণা লাহিড়ী বৰুৱা (৯৯৫৪১-৩৪৪৬৮)**

১৯৬৭ চনৰ মে' মাহটোৱে ভাৰতবৰ্ষৰ ৰাজনীতিৰ ক্ষেত্ৰত এক নতুন অধ্যায় সূচনা কৰিছিল। এই সময়তে সংঘটিত হৈছিল প্ৰখ্যাত নক্সালবাৰী আন্দোলন। আজিও দেশৰ ৰাজনীতিত নক্সালবাৰী গণ অভ্যুত্থানৰ প্ৰাসংগিকতা শেষ হৈ যোৱা নাই। এসময়ৰ নক্সালপন্থী নেতা সন্তোষ ৰাণাৰ এই গ্ৰন্থখনে সেই বিশেষ সময়ছোৱাক নতুনকৈ মূল্যায়ন কৰি প্ৰকাশ কৰিছে। ৩৬৪ পৃষ্ঠাৰ গ্ৰন্থখনে সামৰি লৈছে তেওঁৰ জীৱনৰ দীৰ্ঘ ৰাজনৈতিক সামাজিক ব্যক্তিগত ঘটনা আৰু বিৱৰণ। মুঠ ১০ টা অধ্যায়ৰ মাজতে লিপিবদ্ধ হৈছে সুন্দৰ, স্পষ্ট আৰু সঁচা স্মৃতিকথা। লেখক ৰাজনীতিবিদ, চিন্তাবিদ, সন্তোষ ৰাণাৰ ১৯৪৩ চনত মেদিনীপুৰ জিলাৰ এক প্ৰান্তিক কৃষক পৰিয়ালত জন্ম হৈছিল। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ উজ্জ্বলতম ছাত্ৰ আছিল তেওঁ। ৰাজাবাজাৰ ছায়েন্স কলেজৰ পি এইচ ডি গৱেষণা অসমাপ্ত কৰিয়েই তেওঁ নক্সালবাৰীৰ কৃষক অভ্যুত্থানত যোগ দিবলৈ গাঁৱলৈ উভতি গৈছিল। তেওঁৰ গাঁৱৰ নাম আছিল গোপীবল্লভপুৰ। তাত তেওঁ কৃষক আন্দোলন গঢ় দিছিল। এটা সময় দীৰ্ঘ বছৰ ধৰি কাৰাবৰণ কৰিলে। পিছত জে'লৰ পৰাহে বিধানসভাৰ সদস্য নিৰ্বাচিত হৈছিল। তেওঁ ৰাজনৈতিক কাম-কাজৰ মাজতো লিখি গৈছিল অসংখ্য ৰাজনৈতিক প্ৰৱন্ধ আৰু একেদৰে অনুবাদো কৰিছিল গুৰুত্বপূৰ্ণ কিছু গ্ৰন্থ।

১৯৬৭ চনত সন্তোষ ৰাণা গোপীবল্লভপুৰ গাঁৱৰ হাইস্কুলত পদাৰ্থ বিজ্ঞানৰ শিক্ষকৰূপে যোগদান কৰিছিল। অত্যন্ত জনপ্ৰিয় শিক্ষক আছিল। দিনৰ ভাগত স্কুল আৰু ৰাতিৰ ভাগত গাঁৱত মিটিং কৰি ফুৰিছিল। ১৯৬৮ চনত অসীম চট্টোপাধ্যায়ৰ নেতৃত্বত তেওঁলোকে কৃষক আন্দোলন সংগঠিত কৰিছিল। তেতিয়া কলিকতাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে গোপীবল্লভপুৰ গাঁৱলৈ আহিছিল। তেওঁলোকৰ মাজৰ পৰা বহুকেইজন ল'ৰা-ছোৱালী গ্ৰামীণ জীৱনৰ কষ্ট সহ্য কৰিব নোৱাৰি উভতি গৈছিল।

১৯৬৯ চনৰ ২২ এপ্ৰিল লেনিনৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি চি পি আই এম এল পাৰ্টি গঠন হৈছিল। পাৰ্টিৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল চাৰু মজুমদাৰ। এই গ্ৰন্থখনত তেওঁ এই সময়ছোৱাৰ অভিজ্ঞতাৰ কথা সবিস্তাৰে বৰ্ণনা কৰিছে।

১৯৬৮ চনত কানু সান্যালৰ নেতৃত্বত নক্সালবাৰীৰ কৃষক সংগ্ৰামৰ নেতাসকলৰ এটি দল চীনলৈ গৈছিল। তাত গেৰিলা ট্ৰেইনিং লৈছিল। ট্ৰেইনিং শেষৰ পিছত মাও চে তুঙৰ লগত সাক্ষাৎ কৰিছিল। মাওৱে

তেওঁলোকক কৈছিল ইয়াত যি শিকিলা সকলো পাহৰি যোৱা। নিজৰ দেশৰ বাস্তৱ অৱস্থা অনুযায়ী বিপ্লৱী সংগ্ৰাম গঢ়ি তোলা। চীনৰ মাও চে তুঙৰ নেতৃত্বত চীনা কমিউনিষ্ট পাৰ্টি যান্ত্ৰিকভাৱে ৰুছ বিপ্লৱৰ অভিজ্ঞতাৰ অনুসৰণ নকৰি চীনৰ বাস্তৱ অৱস্থাৰ মতেহে মাৰ্ক্সবাদ আৰু লেলিনবাদৰ প্ৰয়োগ কৰিছিল। তাৰ বাবেহে চীন বিপ্লৱ সফল হৈছিল।

গ্ৰন্থখনত লেখকে এক গুৰুত্বপূৰ্ণ স্বীকাৰোক্তি কৰিছে এইদৰে– 'ষষ্ঠ দশকৰ শেষৰ পিনে যেতিয়া ৰাজনৈতিক সাংগঠনিক কাম-কাজ কৰি আছিলোঁ, তেতিয়া মাৰ্ক্স, এংগেলছ, লেনিন, ষ্টালিন আৰু মাও চে তুঙৰ ৰচনাৱলী অধ্যয়ন কৰিছিলো কিন্তু ভাৰতীয় সমাজৰ জাতি-বৰ্ণ ব্যৱস্থাৰ বিৰুদ্ধে বা ব্ৰাহ্মণ্যবাদৰ বিৰুদ্ধে গঢ় লৈ উঠা সংগ্ৰামবোৰ যে চলি আছিল সেই সম্পৰ্কে একোৱে জনা নাছিলো। ফুলে, আম্বেদকাৰ, ই ভি ৰামস্বামীৰ কথা জনা নাছিলো'।

গ্ৰন্থখনত সন্তোষ ৰাণাই অসম সম্পৰ্কে তেওঁৰ বিৰল অভিজ্ঞতাৰ কথাও সুন্দৰকৈ বৰ্ণনা কৰিছে।

**লোহিত্য তীৰৰ অমৃত গাঁথা**
**লেখিকা - ৰুদ্ৰাণী শৰ্মা**
**আলোচক - ডঃ হাফিজ আহমেদ (৯৪৩৫৫-৪১৮৭৪)**

উপন্যাসখনৰ বিষয়বস্তু হ'ল মহাপুৰুষ শংকৰদেৱ আৰু নৱবৈষ্ণৱ আন্দোলন। ৰুদ্ৰাণী শৰ্মা আচলতে লেখিকাৰ ছদ্মনাম। লেখিকাগৰাকী হ'ল সাহিত্য সমালোচনা আৰু সাহিত্য তত্বৰ ভালেকেইখন গ্ৰন্থৰ লেখিকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য বিভাগৰ অধ্যাপিকা ডঃ অনুৰাধা শৰ্মা। লেখিকা নলবাৰী অঞ্চলৰ এনে এখন গাঁৱৰ জীয়ৰী- য'ত শংকৰী ধৰ্মৰ চৰ্চা বা আলোচনা প্ৰায় নায়েই। সম্পূৰ্ণ ব্ৰাহ্মণ্য ৰীতি-নীতিৰে ডাঙৰ-দীঘল হোৱা ডঃ শৰ্মাই বৈষ্ণৱী সংস্কৃতিৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰো কোনো অৱকাশ নাই। কিন্তু শিপাৰ সন্ধানত কৰা গভীৰ নীতিনিষ্ঠ অন্বেষণে ডঃ শৰ্মাক এনে এখন উপন্যাস লেখাৰ শক্তি আৰু দক্ষতা প্ৰদান কৰিছে। শংকৰদেৱ এগৰাকী ধৰ্মীয় গুৰু, বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, কেৱল এই দৃষ্টিৰেই তেওঁ শংকৰদেৱক চোৱা নাই। শংকৰদেৱ তেওঁৰ মানৱ জাতিৰ পৰিচয়, জাতীয় অস্মিতা, অস্তিত্বৰ অবিতৰ্কিত প্ৰতীক।

গোটেই উপন্যাসখনেই দৰাচলতে এটি অস্তিত্বৰ বা শিপাৰ অন্বেষণ। দীৰ্ঘদিন ধৰি লণ্ডনত থকা অৰুণাভ বহু বছৰৰ পিছত অসমলৈ আহিছে। গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা মাহীয়েকৰ ঘৰলৈ তেওঁ আহিছে মকবুল হুছেইন নামৰ ড্ৰাইভাৰজনৰ লগত। তাৰ নাম-ধাম সোধোতে মকবুলে তাৰ ঘৰ বৰপেটাত বুলি কৈ গৌৰৱ অনুভৱ কৰিছে; কীৰ্তন ঘৰ দেখুৱাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। বাটে-ঘাটে সমদলৰ ভিৰত গাড়ী ৰৈ যাওঁ ৰৈ যাওঁ হোৱাত সিয়েই অৰুণাভক জনাইছে- 'দাদা আজি শংকৰদেৱৰ মৃত্যুতিথি। সেয়ে আজি এই শোভাযাত্ৰা।। স্কুল-অফিচো আজি বন্ধ।' লণ্ডনত থকা অৰুণাভ আচৰিত হৈছে, এজন মানুহৰ মৃত্যু তিথিতনো ইমান হাঁহাকাৰ কৰিব লাগে নে? সি মনে মনে ভাৱিছে, 'কৰ্ম-সংস্কৃতি নাই এই মানুহবোৰৰ! বন্ধ দি দিছে সকলোবোৰ। এতিয়া ৰাস্তাই-ঘাটে নাম গাই চিঞৰিছে।' তাৰ পিছতো সি দেখিছে মাহীয়েক থকা এপাৰ্টমেন্টটোৰ নামো 'শংকৰদেৱ শান্তি নিৱাস'। আকৌ মাহীয়েকো যাব ওলাইছে শংকৰদেৱৰ তিথি উপলক্ষে আয়োজিত সাংস্কৃতিক অনুষ্ঠানলৈ- সি অতীষ্ঠ হৈ পৰিছে। 'উস্ আৰু শংকৰদেৱ। মই পাগল হৈ যাম দেই। শংকৰদেৱৰ বাহিৰে তোমালোকৰ আৰু বেলেগ নাম নাই নেকি? বিমান বন্দৰৰ পৰা নামি অলপ ওলায়েই দেখিলো- দীঘল শোভাযাত্ৰা। তাৰ পিছতো ৰাস্তাত দেখিলো-শংকৰদেৱ জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, তোমাৰ এপাৰ্টমেন্টৰ সন্মুখতো দীঘল ছাইন ব'ৰ্ড-'শংকৰদেৱ শান্তি নিৱাস'। নেটত চালেও পাওঁ শংকৰদেৱ মেডিকেল ইউনিৰ্ভাছিটি, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়। কেৱল শংকৰদেৱ, এতিয়া তুমি কৈছা

সাংস্কৃতিক অনুষ্ঠান তাতো শংকৰদেৱ। য'লৈ যাবা- সিয়ে শংকৰদেৱ কলাক্ষেত্ৰ।' 'ৰ'বা ৰ'বা ইমান বলকিব নালাগে তুমি। শংকৰদেৱ চৰকাৰীভাৱে জনপ্ৰিয় হোৱা নাই নহয়! গুৰুজনাই কামেই কৰিছিল তেনেকুৱা।'

অৰুণাভৰ কথাত মাহীয়েকে প্ৰতিবাদ বা আস্ফালন কৰা নাই। দীঘলীয়া যুক্তিও প্ৰদৰ্শন কৰা নাই। অতি বিনয়েৰে মাত্ৰ পাঁচটা শব্দৰে তেওঁ কৈছে 'গুৰুজনাই কামেই কৰিছিল তেনেকুৱা।' তাৰ আগেয়ে ছটা শব্দৰে শেষ কৰা বাক্যটোত তেওঁ জনাই দিছে যে শংকৰদেৱৰ জনপ্ৰিয়তাৰ আঁৰত কোনো চৰকাৰী কাৰবাৰ নাই। তেনেহ'লে আছে কি? তেওঁৰ কাম। ইমান মিতব্যয়িতাৰে লেখিকাই এই নিৰ্দিষ্ট ছবিখন অংকন কৰিছে যে তেওঁৰ সৃষ্টিৰ মাজত থকা অপূৰ্ব কলাত্মক শৈলীক তেওঁ অনাড়ম্বৰ অনাৱেগিক কেইটামান শব্দৰেই অবিতৰ্কিত ৰূপত প্ৰমাণ কৰিব পাৰিছে। শংকৰদেৱৰ সম্বন্ধে ইমানপৰে অৰুণাভৰ মনত থকা প্ৰশ্ন, জিজ্ঞাসা (একে সময়তে পাঠকৰ মনতো) বা সামগ্ৰিকভাৱে শংকৰদেৱৰ ডিছকোৰ্চটোৰ একেবাৰে সৰল, পোনপটীয়া উত্তৰ বা অৰ্থটোৱেই হ'ল সেইটো যে 'তেওঁ কামেই কৰিছিল তেনেকুৱা।' 'চৰকাৰীভাৱে জনপ্ৰিয় হোৱা নাই' শব্দকেইটাই আকৌ আমাৰ সমাজ ব্যৱস্থাত চলি থকা জনপ্ৰিয়তাৰ পাছফালে থকা ডিছকোৰ্চটোৰ ভাণ্ড ফুটাই দিছে। গতিকে গুৰুজনাৰ মহান জীৱন আৰু মাৰ্গদৰ্শী কৰ্মই এনেবোৰ প্ৰভাৱ, পৃষ্ঠপোষকতা হেলাৰঙে অতিক্ৰম কৰি নিজগুণে প্ৰতিষ্ঠা লাভ কৰিছে।

উপন্যাসখনৰ দ্বিতীয় কথাটো হ'ল- এটি স্বচ্ছ দৃষ্টিভংগী, আধুনিক মানসিকতা। তেওঁ গুৰুজনাৰ ভক্তিত গদগদ হৈ তেওঁৰ ছবি আঁকা নাই, যুক্তিনিষ্ঠ আলাপ-আলোচনাৰে সকলো কথা আগুৱাই নিছে। সম্ভাব্য সকলো অলৌকিকতাৰ বৰ্জন কৰিছে, অনাৱশ্যকীয় কাল্পনিক কথকতাত একেবাৰে প্ৰশ্ৰয় দিয়া নাই।

**(১০/০৩/২০১৯)**
**চেতনা**
**সম্পাদনা - ড° পৰমানন্দ মজুমদাৰ**
**প্ৰকাশক - প্ৰাগজ্যোতিষ মহাবিদ্যালয় প্ৰকাশন গোট**
**মূল্য - ৮৫০.০০ টকা**
**আলোচক - তপন চন্দ্ৰ কলিতা**

কুৰি শতিকাৰ দ্বিতীয়টো দশকত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী আৰু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই 'চেতনা' শীৰ্ষক আলোচনীখন প্ৰকাশ আৰু সম্পাদনা কৰিছিল। প্ৰকৃতাৰ্থত 'চেতনা' আছিল অসমীয়া জাতীয় চেতনাৰ প্ৰতিবিম্ব। সেই সময়ত অৰুণোদই, জোনাকী, বাঁহী, ঊষা আদি আলোচনীৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যৰ যি বুনিয়াদ তৈয়াৰ হৈছিল, তাত 'চেতনা'ই কেৱল সাৰ-পানী যোগোৱাই নহয়, বৰং সমগ্ৰ প্ৰক্ৰিয়াটোক একপ্ৰকাৰ দিকদৰ্শন কৰাইছিল। বিশেষকৈ সমসাময়িক কালৰ জাতীয় জীৱনত নতুন ধাৰাৰ সৃষ্টি কৰিছিল 'চেতনা'ই। সেই সময়ত অসমৰ পমুৱা মুছলমানকে ধৰি অন্য প্ৰদেশৰ পৰা অহা ভিন্ন ভাষী লোকৰ মাজত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে চেতনাই বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ ক্ষেত্ৰতো অহোপৰুষাৰ্থ কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসক এনে মহান কাৰ্যৰে সমৃদ্ধ কৰা 'চেতনা' আলোচনীৰ আটাইবোৰ সংখ্যা সামৰি খণ্ড খণ্ডকৈ গ্ৰন্থৰ আকাৰত প্ৰকাশ কৰিছে প্ৰাগজ্যোতিষ মহাবিদ্যালয় প্ৰকাশন গোটে। প্ৰকাশন গোটটোক এইক্ষেত্ৰত বিশেষ সহায়-সহযোগিতা আগবঢ়াইছে অম্বিকাগিৰী স্মাৰক ন্যাসে। ১৯৮৮ চনতে গঠন হোৱা অম্বিকাগিৰী স্মাৰক ন্যাসে ইতিমধ্যে অসম কেশৰীৰ ৰচনাৱলীৰ পুনৰ মুদ্ৰণৰ বহুখিনি কাম সম্পন্ন কৰিছে। অম্বিকাগিৰীৰ কন্যা শুচিব্ৰতা ৰায়চৌধৰী আৰু পুত্ৰ ভগগিৰী ৰায়চৌধৰীৰ তৎপৰতাত স্মাৰক ন্যাসে দুটা খণ্ডত অসম কেশৰীৰ জীৱন ভিত্তিক উপন্যাসো লিখি উলিয়াইছিল। কিন্তু শুচিব্ৰতা ৰায়চৌধুৰীৰ ইচ্ছা আছিল পিতৃৰ 'চেতনা' কাব্যৰ পুনৰ মুদ্ৰণ কৰি নতুন প্ৰজন্মৰ মাজত বিলাই দিয়াৰ। তেওঁৰ মৃত্যুৰ পিছত এই কামফেৰা সুচাৰুৰূপে কৰাৰ ইতিবাচক প্ৰচেষ্টা চলাইছে

অম্বিকাগিৰী স্মাৰক ন্যাস আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয় প্ৰকাশন গোটে। ইতিপূৰ্বে প্ৰকাশিত 'চেতনা'ৰ চাৰিটা খণ্ডৰ দৰেই বিগত বৰ্ষৰ ডিচেম্বৰ মাহত প্ৰকাশিত পঞ্চমটো খণ্ডত 'চেতনা'ৰ ষষ্ঠ বছৰৰ আটাইবোৰ সংখ্যা সন্নিৱিষ্ট কৰা হৈছে। এই খণ্ডটোত 'চেতনা'ৰ ষষ্ঠ বৰ্ষৰ অৰ্থাৎ ১৯২৪ চনৰ ছেপ্তেম্বৰৰ পৰা ১৯২৫ চনৰ আগষ্ট মাহৰ সংখ্যালৈকে আটাইবোৰ সংখ্যা অন্তৰ্ভূক্ত হৈছে।

**ছ'চিঅ' ইক'নমিক এণ্ড পলিটিকেল ইছ্যুজ ইন আছাম**
**লেখক - ড০ মনমোহন দাস**
**প্ৰকাশক - ই বি এইচ প্ৰকাশন গোষ্ঠী**
**মূল্য - ৮৫০.০০ টকা**
**আলোচক - তপন চন্দ্ৰ কলিতা**

গ্ৰন্থখনৰ আগকথাত বিশিষ্ট চিন্তাবিদ ড০ হীৰেন গোঁহায়ে এইদৰে লিখিছে– 'অধ্যাপক দাসৰ ৰচনাধৰ্মী প্ৰৱন্ধবোৰে অসমৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে গাঢ় পৰিচয় দাঙি ধৰাৰ কাৰ্যপন্থাৰ লগতে ৰাজ্যখনৰ থলুৱা মানুহৰ বিকাশ, উন্নয়নৰ ক্ষেত্ৰত এক সঠিক কাৰ্যপন্থাৰ সন্ধান দিবলৈও সক্ষম হৈছে..।' লেখক দাস গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিদ্যা বিভাগৰ মূৰব্বী অধ্যাপক আছিল। লগতে তেওঁ ফেকাল্টি অব ছায়েন্সৰো মূৰব্বী আছিল। তেওঁৰ ৬০ খনতকৈও অধিক গৱেষণাপত্ৰৰ লগতে বিভিন্ন গৱেষণামূলক গ্ৰন্থ দেশ-বিদেশতো সমাদৃত হৈছে। তদুপৰি বিভিন্ন কাকতে-পত্ৰয়ো নিয়মীয়াকৈ প্ৰৱন্ধ-পাতি লিখি আহিছে। ইতিমধ্যে অসমৰ কেতবোৰ জ্বলন্ত সমস্যাৰ ওপৰত লিখা তেওঁৰ এশৰো অধিক প্ৰৱন্ধ সামৰি সংকলনো প্ৰকাশ পাইছে। গ্ৰন্থখনত ড০ দাসৰ ৪২টা বাছকবনীয়া নিবন্ধ সন্নিৱিষ্ট হৈছে এই গ্ৰন্থখনত। অসমৰ কৃষিখণ্ড, ভূমি নীতিৰ লগতে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ বিষয়ে এই প্ৰৱন্ধবোৰৰ জৰিয়তে সামগ্ৰিক বিশ্লেষণ দাঙি ধৰা হৈছে গ্ৰন্থখনত।

**চাকচন এ কঁঠাল গছত নপৰিবি**
**লেখক - ড০ মহেশ গগৈ**
**প্ৰকাশক - পূৰ্বায়ন প্ৰকাশন**
**মূল্য - ১৪০ টকা**

প্ৰৱন্ধবোৰ মূলতঃ উদ্ভিদ জগতৰ নানা বিষয়ৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য বৰ্ণনাৰ লগতে মানুহে খাদ্য হিচাপে গ্ৰহণ কৰা কিছুমান উদ্ভিদৰ ঔষধি গুণ, স্বাস্থ্য আৰু পৰিৱেশ সম্পৰ্কীয় সচেতনতাৰ লগতে বিলুপ্ত হ'বলৈ ধৰা পশু-পক্ষীৰ ৰক্ষণাবেক্ষণৰ দৰে বিষয়বোৰকো গুৰুত্বসহকাৰে আলোচনা কৰা হৈছে গ্ৰন্থখনত। লেখক কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ আৰ্থিক সহযোগত তিনিটাকৈ গৱেষণা প্ৰকল্প সম্পন্ন কৰিছে। তেওঁৰ মুঠ ১৭ খন গৱেষণাপত্ৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰকাশিত হৈছে।

**(২৪/০৩/২০১৯)**
**তুমি ক'ৰ বতাহ**
**লেখক - চন্দ্ৰ কুমাৰ বৰা**
**প্ৰকাশক - পাঞ্চজন্য বুকছ্**
**মূল্য - ১৫০.০০টকা**
**আলোচক- অতুল দত্ত**

স্বকাব্য অনুভূতিৰে গীতিধৰ্মী ৰূপত জীৱন জগতৰ সত্যক অনুধাৱন কৰিবলৈ সচেষ্ট হৈছে। ছিন্নমূল মানসিকতাই গ্ৰাস কৰা সমাজ-পৰিৱেশক যেনেদৰে সচিত্ৰ ৰূপত তুলি ধৰিছে, তেনেদৰে জীৱন জগত, প্ৰকৃতিক প্ৰজ্ঞাসুলভ চেতনাৰে সত্যাসত্য উন্মোচনৰ প্ৰয়াস কৰিছে। ব্যক্তি আৰু সমাজ দুয়োকে সকীয়াভাৱে অনুধাৱন কৰাৰ প্ৰয়াস কৰিছে গ্ৰন্থখনৰ জৰিয়তে। সৰ্বোপৰি মানৱীয় প্ৰমূল্যক সহজাত আৰু সৰসকৈ কবিতাত পৰিস্ফুট কৰি তুলিছে। অথচ নৈৰ্ব্যক্তিক আৰু অৰ্থঘন দিশ আয়ত্ব কৰিছে। কবিতা বিশেষে পৰিমিতিবোধৰ দিশটোত বিশেষ গুৰুত্ব দিছে। 'ওলমি থকা মানুহ', 'ফুল', 'পাৰ', 'এটা দুটাকৈ পাত সৰে', 'শূন্যৰ পদ্য-২', 'উকি', 'মাত', 'বৰফৰ গান', 'হাত', 'চাকি', ''চাকনৈয়া' আদি কবিতাত থকা পৰিমিতিবোধ লক্ষণীয়। কবিতাত সম্পৃক্ত ৰূপত নিহিত হৈ আছে কবিৰ ভাবৰ অনুষংগ। অস্তিত্ব বিচাৰি মানৱ মনে কৰি উঠে হাঁহাকাৰ। মানৱীয় সত্তাই গতি কৰিব বিচাৰে অভিপ্ৰেত দিশলৈ- 'জঁপিয়াই ধৰিব খুজিছে তলৰ কিছুমানে যিয়ে ধৰিব নোৱাৰে কাহানিও সেই বাঁহডাল' 'ওলমি থকা মানুহ' নামৰ কবিতাত 'বাঁহডাল' অস্তিত্বৰ অন্বেষণ বা মানৱীয় সত্তাৰ প্ৰতীতি হিচাপে ব্যৱহাৰ কৰিছে। কোনোটো কবিতাত নৈসৰ্গিক প্ৰতি ৰূপত আভাসতে মানৱীয় সত্তাৰো যেন অনুধাৱন কৰিছে। 'এজোপা দুজোপাকৈ/ গছবোৰ হেৰুৱাই অহাৰ পাছত/ পাহাৰটোত ৰৈ আছে এজোপা বৰগছ/ নিজকে বিচাৰি নিজৰ মাজত'।

'বুঢ়া শিমলুৰ আত্মপাঠ' নামৰ কবিতাটিত বুঢ়া শিমলুজোপাৰ উক্তিৰে প্ৰজ্ঞাধিমান ব্যক্তিত্বৰ জনেও সংসাৰৰ জঞ্জালৰ পৰা মুক্তি বিচাৰি বগাসাজৰূপী সত্য-শান্তিৰ ছাঁত যেন জিৰাব বিচাৰিছে।

'হেম নাহিল নামঘৰলৈ/ শ্মশানলৈ বুলিছে বাট। কান্ধত মৰাশ লৈ। ...ময়ো আজি বগা সাজ পিন্ধিছো। পোছাক খহাইছো সেউজীয়া ৰঙৰ, ব'লা যাওঁ নামঘৰলৈ। বগা ভকত হ'বলৈ' কবিয়ে সামগ্ৰিকভাৱে কবিতাসমূহ মানুহ, প্ৰকৃতি, জীৱন জগতক সুতীক্ষ্ণ পৰ্যবেক্ষণেৰে চালি-জাৰি চাই কবি মানসেৰে উপস্থাপন কৰিছে। মানৱীয় আবেদনক আধাৰ কৰি লৈ আৰোপ কৰিছে সংবেদনশীলতা। প্ৰতীকী অভিব্যঞ্জনাই কবিতাসমূহক অৰ্থঘন কৰি বিশেষ মাত্ৰা প্ৰদান কৰিছে। কবিজনৰ কবিতাৰ ভাষা ঘৰুৱা অৰ্থাৎ অজটিল। সন্ধি বা সমাসবদ্ধ শব্দ-বাক্যৰ পয়োভৰ হোৱা নাই। আঁৰ নলগা সহজবোধ্য ভাষাই কবিতাসমূহক সৰল ৰূপত অৱতীৰ্ণ কৰাইছে।

**পৌৰাণিক ধৰ্মীয় কাহিনীৰ একাঁজলি**
**মূল - Stories from the Scriptures**
**লেখক - প্ৰণৱ শইকীয়া**
**অনুবাদ - ভূপেন্দ্ৰ মোহন তালুকদাৰ**
**মূল্য - ১৫০.০০ টকা**
**আলোচক - ফণীন্দ্ৰনাথ কলিতা**

৬৪ পৃষ্ঠাৰ সচিত্ৰ সৰু ল'ৰা-ছোৱালী আৰু বয়সিয়ালসকলৰ উপযোগী ১২ টা ধৰ্মীয় কাহিনীৰে সমৃদ্ধ। গ্ৰন্থখনত আছে- 'এক পবিত্ৰ চুক্তি', 'গণেশৰ পিতৃ-মাতৃৰ প্ৰতি ভক্তি', 'প্ৰহ্লাদ এজন প্ৰকৃত ঈশ্বৰ উপাসক',

'শ্ৰৱণ কুমাৰ এজন অনুৰাগী পুত্ৰ', 'সংকল্পৰ এটা কাহিনী', 'ঋষি দুৰ্বাসাই পাঠ শিকিলে', 'শিখি মহাৰাজৰ অনুকম্পা', 'অভিশপ্ত পৰীক্ষিত মহাৰাজ', 'শিশু ধ্ৰুৱৰ দৃঢ় সংকল্প', 'কৃষ্ণৰ সুদামালৈ প্ৰীতি' আৰু 'ৰজা যযাতিৰ ধাৰ্মিক পুত্ৰ পুৰু'। ইয়াত লেখকে প্ৰত্যেকটো কাহিনীৰে তলত নীতিকথা বৰ্ণনা কৰিছে।

**সাদিনঃ**
**(০৫/০৪/২০১৯)**
**মাটিৰ মুখ**
**লেখক - দিগন্ত শইকীয়া**
**প্ৰকাশক - পূৰ্বায়ন প্ৰকাশন**
**আলোচক - পলাশ বৰুৱা (৯৩৬৫৬-১৩৩৮২)**

কবিৰ মুখৰ মাটিভাষা'ৰে সমৃদ্ধ 'মাটিৰ মুখ' শেহতীয়া কাব্যিক প্ৰয়াস। পুথিখনত আমাৰ সমাজ জীৱন, সাম্প্ৰতিক সংকট আৰু ব্যক্তি জীৱনৰ অন্তৰত খেলা কৰা বিভিন্ন বিচিত্ৰ চিন্তা-চেতনা সমাৰোহ ঘটিছে।

সংকনটোৰ 'এই চহৰতো...' নামৰ প্ৰথম কবিতাই সাম্প্ৰতিক সামাজিক সংকটৰ চিত্ৰ অংকন কৰিছে। ঠিক সেইদৰে একোটা কবিতাতে শিক্ষা চেতনাতকৈ ধৰ্মীয় উন্মাদনাক বেছি গুৰুত্ব দিয়া নাগৰিক সমাজক আঙুলিয়াই দিছে।

'এই চহৰত
ইস্কুল কম...অলেখ মন্দিৰ'। (পৃঃ১৩)

সুলভ প্ৰচেষ্টাত মৃত্যুপ্ৰাপ্তিৰ কৰুণ বতৰাবোৰো আমালৈ কবিয়ে কঢ়িয়াই আনিছে।

'চিকাৰীবোৰে শৰসন্ধান কৰিছে
কোনে জানে কাৰ মৃত্যু জোঙা হৈ
থাপ খাই পৰিছে ধনুত।
কোনে জানে কোন কমাৰৰ হাতৰ জুয়ে
কাঁড়ক কৰিছে কাঁড়'। (পৃঃ২২)
'আজি মাজৰাতি বিনাম কেতেকী হৈ
মনে যদি কয় আহিবি ওলাই
গৰু ম'হ এৰি যামগৈ পলাই'। (পৃঃ৫৭)

'বাসন্তিক' কবিতাৰ উপৰ্যুক্ত কবিতা ফাঁকিত কেতেকী চৰাইটো প্ৰতিবাদৰ অনন্য উৎস হৈ পৰিছে।

নিটোল কবিতা হিচাপে 'মা/১' আৰু 'মা/২' কবিতাকেইটা উল্লেখনীয়। মাকৰ মাজত নিজৰ অস্তিত্ব বিচাৰ কৰি কবি পুলকিত আৰু সন্তোষিত।

'ৰাতি ৰাতি তোৰ টোপনিৰ ঘূৰণীয়াবোৰে
গা বাঢ়ি বাঢ়ি এটা জোন
ময়েই সেই গোটমৰা সপোন'। (পৃঃ ৩০)

আকৌ বুকুত লৈ থকা অব্যক্ত কথাবোৰ মাকজনীয়ে কাকো নকয়। এনেদৰেই মাকজনীয়ে-

'গৰা খহাৰ উমান পায়- কাকো নকয়
মৰা মাছৰ উমান পায়- নকয় কাকো
মুখত কপকপীয়া মুখা'। (পৃঃ৩১)

স্মৃতি চালিকাশক্তি হৈ পৰিচালনা কৰা এটা কবিতা হ'ল 'সুৰৰ কস্তুৰী খটোৱা ৰাতিবোৰ'। স্মৃতি অৰণ্যত বিচৰণৰ বাবে কবিৰ লগত প্ৰকৃতি আৰু ব্যক্তিগত চেতনা একাকাৰ হৈছে। আত্ম-আৱিষ্কাৰৰ

মহাপ্ৰয়াসে কবিতাটোক সুন্দৰ কৰি তুলিছে। স্মৃতিয়ে আকুল কৰা এই কবিতাটোৰ সমান্তৰালভাৱে ‘অসুখ’ কবিতাটো কবিৰ মনত প্ৰতিনিয়ত উঠা-নমা কৰি থকা অনুসন্ধান ভাবৰ প্ৰতিফলন।

‘কাকো নোচোৱাকৈ
হাতত শিখা লৈ
কোনোবাফালে দৌৰিছো মই-
দৌৰিছো মই- আত্মাৰ অসুখ’। (পৃঃ৩৪)

নীলমণি ফুকন, ডঃ হীৰেন গোহাইৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ অকৃত্ৰিম প্ৰয়াসৰ চিনস্বৰূপে ‘কবিতা’ আৰু ‘হী. গো. তিনি দশমিক ন ন’ নামৰ দুটা কবিতাও সংকলনখনত সন্নিৰিষ্ট হৈছে।

**হাজং জনজাতি আৰু সংস্কৃতি**
**লেখিকা - পম্পী হাজং**
**আলোচক - অৰুণ মহন্ত**

নিজস্ব কলা-সংস্কৃতিৰে উদ্ভাসিত হোৱা এটি জনগোষ্ঠীৰ নাম হাজং জনগোষ্ঠী। সুকীয়া পৰিচয়েৰে, মুক্তভাৱে প্ৰকৃতিৰ সৈতে জীৱন নিৰ্বাহ কৰা এই জনগোষ্ঠীয় লোকসকলক লৈ ৰচনা কৰা হৈছে এই কিতাপখন। গ্ৰন্থখনৰ প্ৰতিটো নিবন্ধৰ বিষয়বস্তুকে হাতী মাৰি ভুৰুকাত ভৰাবলৈ প্ৰয়াস কৰিছে। গ্ৰন্থখনত সন্নিৰিষ্ট হোৱা বিষয়বস্তুবোৰ এনেধৰণৰ- ‘অসমৰ অন্যান্য জনজাতি আৰু সংস্কৃতিৰ চমু আভাস’, ‘হাজংসকলৰ আদিপাঠ’, ‘হাজংসকলৰ ভৌগলিক আৰু ঐতিহাসিক বিৱৰণ’, ‘হাজংসকলৰ সামাজিক ব্যৱস্থা তেতিয়াৰ আৰু এতিয়াৰ’, ‘হাজং জনজাতিৰ আচাৰ-ব্যৱহাৰ’, ‘কৃষি আৰু খাদ্য’, ‘হাজংসকলৰ ভাষা’, ‘সংস্কৃতিৰ আৱৰ্তন আৰু সমন্বয়ত হাজং জনগোষ্ঠী’, ‘হাজং জনগোষ্ঠীৰ দেশাত্মবোধ আৰু জাতীয় চেতনা’, ‘হাজং সমাজত নাৰী’, ‘সাজপাৰ আৰু অলংকাৰ’, ‘হাজং সম্প্ৰদায়ৰ বিবাহ’, ‘সময়ৰ বিৱৰ্তনত হাজং জনগোষ্ঠীৰ সামাজিক উত্তৰণ আৰু নৈতিকতাবোধ’, ‘হাজং জনগোষ্ঠীয় লোকগীত’।

**মৰীচিকাৰ ছন্দ**
**লেখিকা - মিনতি বৰুৱা**
**প্ৰকাশক - ইউনিভাৰচেল পাব্লিকেশ্যন**
**আলোচক - নিমানন্দ দাস (৯০৮৫১-৭৫৬২৬)**

সংকলনটিত আছে পূৰ্বে বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত ৬৩ টা কবিতা। লেখিকাৰ কবিতা সম্পৰ্কে শিক্ষাবিদ, কবি নাট্যকাৰ ডঃ অমৰজ্যোতি চৌধুৰীয়ে কৈছে- ‘মৰীচিকাৰ ছন্দ’ প্ৰকৃতপক্ষে এক সংহত অপেক্ষা এক বিস্তৃত প্ৰাৰ্থনাৰ মৰ্ম। তাত আছে আপোনজন উভতি অহাৰ খোজলৈ কাণ পাতি ৰোৱাৰ অনুভূতি। জীৱনত যুঁজি যুঁজি হাৰি যোৱাৰ যন্ত্ৰণাৰ পৰা মুক্তিৰ আকৃতি। অথবা নিশব্দে আঁতৰি যোৱাৰ প্ৰিয় প্ৰতিচ্ছবিৰ বাবে গভীৰ মিনতি। কেতিয়াবা সেই অপেক্ষা বৰষাৰ বাবে। শূন্যতাৰ অৰ্থৰ সন্ধানৰ বাবে। শব্দ, প্ৰেম অথবা মনৰ জোনাকৰ বাবে বৈধ বা অস্পৃশ্য ধাৰণাৰ আঁৰৰ সত্য বিচাৰৰ দৰে দীঘলীয়া সেই যন্ত্ৰণা। বিশ্বাসে কাটি দিয়া বাটেৰে উপলব্ধিৰ এক পুৱাৰ বাবে দুৰ্গম, সুদীৰ্ঘ যাত্ৰাৰ দৰে গভীৰ নীলাত মিলি যাবলৈ কবিসত্তাৰ অন্তহীন প্ৰয়াসৰ দৰে। তীক্ষ্ণ সেই প্ৰতীক্ষাৰ ধাৰ। মৰীচিকাৰ সন্ধানৰ দৰেই। লেখিকাৰ কবিতাও সেই মৰীচিকাৰেই সন্ধান। তাৰ ছন্দৰেই সন্ধান।’

দুখ-যাতনা-বেদনাত কাতৰ কবিয়ে আশা কৰে নিজে যেন এখন ছবি হৈ পৰিব, কাৰণ তেওঁ ভাবে 'ছবিহে এইখন স্পন্দনহীন ছবি/ যাৰ নাই সুখত হাঁহি দুখত চকুলো/ নাই পোৱাৰ হেঁপাহ হেৰুৱাৰ ভয়।' মিনতি বৰুৱা প্ৰখৰ অনুভৱী, অতি সংবেদনশীল কবি। সেয়ে তেওঁৰ প্ৰতিটো কবিতাৰ প্ৰতিটো শব্দ পংক্তিতে প্ৰকাশিত হৈছে অনুভৱৰ ধাৰ। মূলতঃ তেওঁ এগৰাকী গীতিকাৰ হোৱা বাবে কবিতাৰাজিত এক ৰোমান্টিক লয়লাস, শব্দৰ লালিত্য অনুভূত হয়।

**কাজিৰঙা গাইড**
**লেখক - ধ্ৰুৱজ্যোতি সাহা**
**প্ৰকাশক - কস্তুৰী প্ৰকাশন**
**মূল্য - ১৯৯.০০ টকা**

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা সন্দৰ্ভত গাইড বুকখনে অসমীয়া-ইংৰাজী পঢ়িব জনা প্ৰতিগৰাকী পঢ়ুৱৈ আৰু পৰ্যটকৰ বাবে নিশ্চয় আদৰৰ আছিল। কিয়নো ধ্ৰুবজ্যোতি সাহাই সুন্দৰভাবে লিখি উলিয়াইছিল তথ্য সম্বলিত সেই গাইডখন। গাইডখনৰ ইংৰাজীভাগো সাৱলীলকৈ অনূদিত হৈছিল বিশিষ্ট অনুবাদক বিবেকানন্দ চৌধৰীৰ কলমেৰে। মন কৰিবলগীয়া যে, উক্ত গাইড বুকখন পঢ়ি ভ্ৰমণ কৰিবলৈ নিশ্চয় পৰ্যটকসকল উৎসাহিত হ'ব। পিচে দুখৰ বিষয় লেখকে প্ৰকাশ কৰাৰ দৰে যদি কাজিৰঙাত হাতী ছাফাৰি কৰি পৰ্যটকে হাতী, গঁড় কিম্বা হৰিণৰ দল এটিও চকুত নপৰিলে সমান্তৰালকৈ নিৰুৎসাহিত হ'ব। এই বিষয়ে লেখক সজাগ হ'ব লাগিব। কিয়নো কাৰোবাক আকৰ্ষিত কৰিবলৈ গৈ যদি কাজিৰঙাত বাস্তৱিকতে ওলোটাটোহে হয় লিখাৰ সাৰ্থকতাই বা ক'ত থাকিব। লেখকে কাজিৰঙাৰ তথ্য লিপিবদ্ধ কৰিছে। তেওঁ গাইডখনত প্ৰসংগক্ৰমে কাজিৰঙাৰ বিভিন্ন সমস্যা, চোৰাং চিকাৰ, পলিথিনৰ ব্যৱহাৰ, বিভিন্ন খোৱা-থকাৰ ইটো-সিটো বহু লাগতিয়াল কথাবোৰো প্ৰকাশ কৰি পৰ্যটকক উপকৃত কৰিছে।

**The ASSAM TRIBUNE :**
**At. 05/03/2019**
**Bhupen Hazarika: As I Knew Him**
**Writer - Kalpana Lajmi**
**Publisher - Harper Collins**
**Price - Rs 499/-**
**Reviewer - Yuvaraj Gogoi**

Bhupen Hazarika is a name that needs no introduction. He is not only a great singer, musician, poet and writer; he is an institution in himself. So far, many books have been written about Bhupen Hazarika and his oeuvre of works. But *Bhupen Hazarika: As I Knew Him* is special because it has been penned by none other than Kalpana Lajmi, the critically acclaimed film director who stood by Bhupen Hazarika through thick and thin. In the Foreword, she mentions, "My love story with Bhupen Hazarika did not follow a normal pattern and that is why it needs to be told." It is an account of the maestro by someone who has

been closer to him than anyone else. It also dispels several misconceptions that people had towards Kalpana Lajmi.

This book is not simply a biography of Bhupen Hazarika, it also gives a parallel, graphic autobiographical account of Kalpana Lajmi and her life. The narrative of the book is so spontaneous and captivating that the reader will not feel monotony at any point. It will help the readers decipher various aspects of Bhupen Hazarika's personality.

It is a poignant tale of unflinching love and sacrifice, resentment and affection. It unravels certain aspects of Bhupen Hazarika's personality hitherto unknown to the world. Lajmi delicately depicts the eccentric nature of Bhupen Hazarika, his childlike tantrums, his fears and insecurities, his hardship and struggles.

Lajmi describes in the book how she met Bhupen Hazarika and fell in love with him instantly and how this obsession grew stronger over time. It is noteworthy that when the 17-year old Kalpana first met Hazarika, the latter's age was 45. The book reveals that the relationship between them was a symbiotic one. While Kalpana stood like a pillar beside Bhupen Hazarika and provided him emotional support, the latter gave space to Lajmi to hone her skills as a film director and carve out a niche for herself and develop an identity of her own.

The book also brings to light the love of Bhupen Hazarika for his homeland Assam and its people. Bhupen Hazarika, through every song of his, tried to deliver a message to the people and uplift their morale. Kalpana also brings to light the steadfast principles of Bhupen Hazarika. For example, she notes how he was deeply influenced by socialism, how he refused to commercialize himself by endorsing products.

However one or two minor factual errors are also seen in the book. At one instance, Kalpana calls ULFA (United Liberation Front of Assam), the major militant group of Assam, a political party. Such factual errors could have been avoided with a little more research. Nevertheless, the book will surely leave an indelible imprint in the mind of the readers.

**Rupkathat Hindur Dev-Devi**
**Writer - Narendra Nath Taye**
**Publisher - Ambika Taye**
**Price - Rs 100/-**
**Reviewer - Dr Tapati Baruah Kashyap**

Reading as a habit amongst the new generation is generally believed to be on the wane, with parents often saying that children, nowadays, prefer mo- bile phones to books. But when younger people have access to the kind of books they like, their interest in reading will definitely grow in a healthy and natural way. Telling stories in the simplest manner from the great Indian epics, as well as mythology and folklore could be one such way of reviving the

habit of acquiring knowledge and wisdom. Moreover, such stories, when told in an easily perceptible way, would surely provide young people a much-needed moral boost for their future life.

Narendra Nath Taye, who has had a long experience as a communicator, first, as a broadcaster with Akashvani, and then heading the corporate communications wing of ONGC, has come up with a new book *Rupkathat Hindur Dev-Devi*, an at- tempt through which he makes it clear that all scriptures and myths related to wide-ranging gods and goddesses should be simplified so that the younger generation, including the common masses, can understand those myths and stories easily. The author has attempted to tell each story as simply as possible, avoiding difficult and highly Sanskritised vocabulary. This way, he makes it easier for the young adults to understand the moral of the story, as well as remember the characters. The author has chosen legends related to Ganesha, Shiva, the different incarnations of the Devi and other goddesses for this book, also narrating the various distinctive and absolute powers of each of them.

The author also points out that the stories from the Ramayana, the Mahabharata, Panchatantra, etc., could very effectively instil moral values in every human heart from an early age. He also ascertains that modern-day people, including the younger generation's need to be aware of the positive aspects of being spiritual. After all, it is difficult to develop a well-rounded personality without spiritual and moral knowledge.

**At. 12/03/2019**
**Sagoli Rojar Sadhu**
**Writer - Sakshi Priyambada**
**Publisher - Banalata**
**Price - Rs 50/-**
**Reviewer - Champak Sarmah (champaksarmah2015@gmail.com)**

Morality plays an important role in everyone's life. Young minds primarily learn to be just and moral by reading stories created with an aim to stress on ethics among the readers. These stories demonstrate a superior element of excellence. They place human or other characters on the balance of right and wrong. Such dilemmas make these stories entertaining. Moreover, they enhance wisdom and intelligence among the readers. These stories are important from both the educational and entertainment points of view. Probably, that is the prime reason for their popularity since times immemorial. These stories were once passed orally from generation to generation and served as sources of ethical learning. Even today, storytelling is a well practiced art all over the world.

Eleven-year-old Sakshi studies at the Asom Jatiya Vidyalaya, Guwahati. The first story of the book – *Safalata*, bears a high moral note, but it is not a traditional story generally told by our grandparents. It describes the success story of a small girl. In the story *Jadukori*

*Kol*, the consequences of evil deeds like burglary are depicted. The message of the story is clear. A proud nature brings end to all. It is the focal point of the story *Sagoli Rojar Sadhu*, where the plight of a proud long-bearded goat is described in lucid language. *Birbhadrar Deshprem* elucidates patriotism of a discharged general named Birbhadra. The moral of this story is that people can entrap others by falsehood, but truth will prevail one day. Despite having some positive elements, the story *Reemar Jivan* is quite predictable. In the story *Sahosi Mary*, the writer blends the menace of rhino poaching with the courageous adventures of a dog named Mary.

To write moral stories, a writer needs some preparation. This small book is strong proof that young Sakshi has prepared herself hard and is ready to step into the arena of writing. The cover of the book has been designed by her schoolmate Sweetymoni Deka. Illustrations are by Anushriya Das, Shruti Kalita, and Dhrubakshar Pathak. A collection of six stories *Sagoli Rojar Sadhu*.

**At. 19/03/2019**
**No Point Talking**
**Writer - Yuvraj Goswami**
**Publisher - Notion Press**
**Price - Rs 399/-**
**Reviewer - Dibya Shankar Bhattacharya**

An intriguing title – No Point Talking, was initially what made me pick up this book. The paradox was staring me at the face as I picked up the book. As I set about on my journey of reading this book, the enormity and profundity of the thoughts of young Guwahati born poet-writer Yuvraj Goswami permeated my mind. Here is a book of self-realization and self-discovery, divided into three symmetrical parts of exactly 112 pages each, where the initial 'nudge' leads you to a 'point', and thereafter 'touches' your inner self in myriad different ways.

Yuvraj resorts to poetry as a medium of note-taking to explore the very nature of our being. At the very outset, he begins by simply stating that 'desperate times call for desperate measures' which reflect the conflict and anxiety in his mind as would be applicable in any other young boy in his early 20s. He talks about 'the funny thing called life' and in the very next page, in his 'note to self ', the hesitancy due to 'unknowing of what could be' is clearly evident.

However, as poems follow progressively, one after another, Yuvraj realizes that it is a matter of time before a sense of responsibility and perspective will set in. And, thereafter, slowly, yet gracefully, and imperceptibly, the realization that 'the university is me and I am the Universe' sets in. The frailty of human existence is brought out in different hues and this leads the reader to the fact that 'self-consciousness' is the key. And finally, as one reaches the culmination point of the book, one can feel the sense of optimism peeping out and the vision of a bright future ahead.

So, where does this book lead us to? I would describe it as a book which simply means what it intends to. A well versed, simple, elegant, meaningful rhapsody, which, if read comfortably, will lead the reader on a journey of self-exploration, self-discovery and self-consciousness. This is especially true in this world, where modern life has moved us away from our very own self.

Despite my habit of reading a book from cover to cover and from beginning to end, I realized that this book was like a good cup of strong coffee. Sip a little at a time; let the taste buds function to leave you with an enjoyable lingering taste. Therefore, the reader would be advised to read the poems at a slow pace so as to get a deep insight and realization that the beginning and the end are all within us in this journey of life.

**Leaflets**
**Writer - Arunav Hazarika**
**Publisher - Notion Press**
**Price - Rs 175/-**
**Reviewer - Payal Bhattacharjee**

Debut author Arunav Hazarika's literary attempt, *Leaflets*, is a coming-of-age take on the trials and tribulations of life. The collection of poems is both personal and universal in approach and can be related to the human subconscious anywhere in the world. The author uses motifs of the natural world which transits the readers through the passages of inter-connectedness across emotions, ultimately adding up to the human experiences of cyclic life and beyond. The mundane nature of life and the need to find a greater purpose remain the underlying tone of the book. The book is quite unapologetic in asking questions, and pushes one towards critical thinking, and not blindly following societal norms. Full of abundance of the human heart, this is an exciting saga penned by a teenager.

As one passes through the narrative in the different poems, it is an unraveling of the mind during teenage – a most critical phase in one's life - that one gets to see against the backdrop of a contemporary society which is often insensitive and insists on maintaining the supposed sanctity of the old order. Societal norms that shout, sermonize and dictate are cold to the yearnings of the human heart and are often the stumbling blocks in realizing the latent potential of an individual. Teenage is the time when questions concerning self-esteem struggle to make a mark in a materialistic society that subjects the youth to constant pressure, and the growing disconnect with society can be tormenting. The images and metaphors that the poet uses to drive home his point are as subtle as they are dynamic. These serve to heighten the poet's sense of an anticipated liberation from mundane routine life and his quest for the light or the realization of the self.

That the writer himself is in his teens has helped him assess the ordeals from a convenient point and consequently, channelize it into his thought process in the form of verse. As is often said, it is through verse that tales which are impossible to deliver through prose are told. The sense of a poignant tenderness runs palpably in the narrative, as the poet subtly dissects the psyche of a teenager in the context of the inner conflicts that afflict any modern-day youth.

**At. 26/03/2019**
**A Cupful of Secrets**
**Writer – Amulya Sharma**
**Publisher – The author**
**Price - Rs 500/-**
**Reviewer – Manish Goswami**

People across the world, in spite of all the diversities, perhaps have one thing in common – the day starts with a cup of tea. While no one knows for sure the origins of tea, but the fact remains that since time immemorial mankind has been smitten by it.

While tea was a favored drink in the oriental countries, the British East India Company was instrumental in making it popular across the continents.

And even though tea is grown in a number of countries to cater to the ever-growing demand, Assam occupies a special place among the tea connoisseurs for its special quality.

The history of tea in Assam is inextricably intertwined with the advent of the British colonial masters to the State. With the discovery of tea, the British changed the face of Assam forever. The vast expanse of jungle land gave way to the sprawling tea estates. Soon tea emerged as the prime mover of the State's economy.

While almost everyone knows the taste of tea, there are very few who know the various stages involved in getting the perfect quality of tea leaves. Amulya Sharma, a veteran tea planter with over three decades of experience, throws light on the intricacies of tea cultivation in his book – *A Cupful of Secrets.*

Sharma, in his book, provides an exhaustive account of all the aspects of tea cultivation and manufacturing. The writer delves deep into the cultivation of tea – right from the tea seeds, which have a 175-year-old legacy. The book will make the readers aware of the important factors of VP Nursery, which are very relevant for the success of raising tea plants.

The author, drawing from his long experience in a methodical way, describes in detail the different aspects of tea cultivation – right from preparing the soil, planting of tea seeds, pest control, weed control, irrigation, drainage, shade tree management, plucking of tea leaves, *et al.*

Sharma also gives a comprehensive account of the way the plucked tea leaves are finally manufactured into Crush Tear Curl (CTC) and Orthodox varieties.

An interesting feature of the book is that it comprehensively deals with almost every aspect of tea cultivation and manufacturing. The book will be of great help not only to those wishing to join the tea industry, but also for the ones who are actively associated with it.

**Prabandha Beethika**
**Writer - Dr Suresh Kr Aryya**
**Publisher - Kirtti Prakashan**
**Price - Rs 200/-**
**Reviewer - Dr Parag Kumar Bhattacharyya**

*Prabandha Beethika* – an anthology of literary essays by Dr Suresh Kumar Aryya, is a brilliant study about the new dimensional, critical review of different aspects of Assamese literature. It is a new critical approach to the great literary texts of those major authors of Assam from Saint Sankardeva to the author's own time. His critical method is utterly different from the biographical historical criticism practiced during the early decade of the 20th century. The common practice of that genre was to interpret a literary work studying the author's life and his milieu and determine the authorial intention. But the new critical method confines its attention on the literary work only as the sole source of evidence for interpreting it.

This is also based on the premise that a literary text is an object of art which is shaped by literary language and all its formal elements like image, metaphor, rhythm, meter, point of view, setting, characterization, plot, and so forth; working together to establish its theme and meaning of the work as a whole.

Such an interpretative review has been undertaken by the present author with regard to the epoch-making text titled *Kirtan* by Srimanta Sankardeva. During his analysis, the author states that the organic unity of the work lends a new perspective to this artistic work. He has incorporated many points regarding the universality of this excellent work, and his approach to a large extent is unique and innovative. The writer has made critical observations regarding the poetry of Chandrakumar Agarwalla too; he presents an in-depth analysis of Agarwalla's poems and brings out the real genius of the same. He discusses the poems of Agarwalla in terms of the Vedantic philosophy, while the poet eulogizes the magnanimity of the human soul.

Moreover, the ambiguity, images, and symbols of the poetry of Hiren Bhattacharjya, the modern poet, have been presented in the light of new criticism. Another important aspect the author is trying to highlight is how the topicality of Bezbaroa's satirical work is elevated to make a universal appeal to his readers. The contributions made by Jyotiprasad Agarwala and Bishnu Prasad Rabha have also been discussed in great detail. There is also a study on the historical sites of Tezpur, especially the images of the Ganga and the Yamuna at the 'Da Parbatia' as portrayed by Nilamoni Phookan, the renowned poet in one of his prose narratives.

**At. 02/04/2019**
**Dwitiyo Mohaxomor Aru Oxom**
**Writer - Niranjan Bardalai**
**Publisher - Assam Book Trust**
**Price - Rs 250/-**
**Reviewer - Manish Goswami**

Much has been written about the Second World War and the devastation that followed. The War was simultaneously fought in Europe, Africa and Asia. Numerous books that have been written have analyzed in detail the varied dimensions of the War. The battles fought in Europe and the military might of Japan over the East Asian countries have often dominated the War narrative.

In the Indian subcontinent, it was only undivided Assam which was sucked into the vortex of war. The war memorials dotting various parts of the North-East region still bear the silent testimony of the death of valiant soldiers. The irony is that undivided Assam didn't get the much deserved space in the War tales, like the other theatres of battle across the continents. In this context, the book *Dwitiyo Mohaxomor Aru Oxom* gives an exhaustive account on the contribution of Assam to the Allied victory in the eastern sector during the Second World War. The book, written by Niranjan Bardalai, delves deep into the tumultuous political environment in Europe and East Asia in the years preceding the War.

The book, which is illustrated with rare pictures, maps and charts, makes it convenient for the readers to visualize the events which had a strong bearing in shaping the present-day world. The enrolment of soldiers, the personalities who took the crucial decisions, the death and destruction, construction of the Stilwell Road, *et al,* makes history come alive. The author, while giving a description of the Eastern front, analyses in detail the factors that played a key role in giving Japan the motivation to expand not only its territorial boundaries, but also to flex its military might. After defeating the mighty British from a number of East Asian countries, Japan overruns the Burma frontier and comes within knocking distance of Assam.

The Allied Forces from America and Britain, along with the Indian soldiers, including 20,000 valiant men from Assam, went all out to defend the territorial integrity of India. The book dwells in detail on the way the Allied Forces tried of lofty brought – worldliness realism their best to withstand the Japanese onslaught and the way it caste it shadow on Assam.

The book will not only help readers get a picture of the impact of the Second World War on Assam, but will also make them aware that the war history of Assam has for long been ignored.

**At. 23/04/2019**
**Becoming**
**Writer - Michelle Obama**
**Publisher - Viking-Penguin Random House**
**Price - Rs 999/-**
**Reviewer - Bibekananda Choudhury**

The title tells it all. Michelle Obama was the First Lady of the United States of America for two presidential terms, from 2009 to 2017, being the wife of Barack Hussein Obama – the 44th US President. The author starts thus: "When I was a kid, my aspirations were simple. I wanted a dog; I wanted a house that had stairs in it – two floors and a family." But she concludes: "Now I think it's one of the most useless questions an adult can ask a child – 'What do you want to be when you grow up?' As if growing up is finite. As if at some point, you become something and that's the end."

For the first time, Michelle Obama describes the early years of her mar- riage as she struggles to balance her work and family with her husband's fast moving political career. She takes us inside their private debate over whether he should make a run for the Presidency and her subsequent role as a popular but oft-criticized figure during the campaign. Narrating with grace, good humour, and uncommon candour, she provides a vivid, behind-the-scenes account of her family's historical launch into the global limelight, as well as their life inside the White House over eight momentous years.

Contrary to what we think, Michelle exposes the hidden side of being important – losing freedom for security's sake. We get a vivid account of how she struggled to bring her kids up like normal children, even forcing them to make their own beds. Also, as the First Lady, she got some portion of land allotted to grow her own vegetables and involved children from schools to learn the entire process and felt the joy of producing 200 pounds of vegetables, annually. The more risky step was to make the companies change their ingredients to ensure better health for 45 million children through healthier breakfasts and lunches. She ends the book by saying, "I am an ordinary person who found herself on an extraordinary journey. In sharing my story, I hope to help create space for other stories and other voices…". In telling us her story with honesty and boldness, she issues a challenge to the rest of us: Who are we and who do we want to become?

**At. 30/04/2019**
**Shreemad Bhagwat Mahatmya**
**Writer - Devirani Sarma**
**Publisher - Anshuman Sarma**
**Price - Rs 100/-**
**Reviewer - Jagadish Chandra Choudhury**

This book on Krishna's early life, intended primarily for school-going children, aims to present anecdotes/stories surrounding Him, so that the students develop an interest, as they grow up, in the life and times of Krishna. We do not know whether He is a mythical character or a historical figure, but to most of us, He is a part of the divine. He is all-knowing, all-pervading.

Krishna cannot be known through the *Bhagavad Gita* alone. One has to read the *Mahabharata* and the *Shreemad Bhagwat* to know Him fully. *Shreemad Bhagwat* is the holiest of the holy books of the Hindus. The greatest prize that the Hindus aspire for is not heaven, but liberation, *Mukti* or *Moksha,* and it is this cultural ethos that has bound Bharat or India into a nation for over 8000 years now, despite hundreds of independent political entities, ethnicities and languages flourishing all over. *Shreemad Bhagwat* is essentially a garland of stories, myths, and teachings woven round Krishna since the beginning of His birth. It is a huge epic. The writer has presented it in a capsule form in the shape of a book of stories; there are 40 stories in all, which the young and old may enjoy to their heart's content. The book is a source of solace and wise advice, depending upon who you are and what situation of life you are placed in. The writer has done a service to the society at large by penning the book. It will help the younger lot to know our past better, a heritage that sustains us through the vicissitudes of time. Storytelling is an art, blending the matter and the manner, seamlessly, wherein the writer, by her deft use of simple appropriate language, has achieved the purpose of gaining the readers' undivided attention.